3/10/89

NOT FOR ISSUE
A. L. A. LIBRARY

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. XIV
## NO. 8

The 18th February 1976

सत्यमेव जयते

1989

PRINTED AT GUPTA PRINTERS, GUWAHATI-781 006

NOT FO... ISSUE
A. L. A. LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1976

## BUDGET SESSION

## VOLUME—XIV

## No. 8

Dated the 18 th February, 1976

CONTENTS

PAGES


| | | |
|---|---|---|
| 1. | Questions and Answers | 1—30 |
| 2. | Calling Attention Notice | 30—31 |
| 3. | Debate on Governor's Address | 32—86 |
| 3. | Adjournment | 86 |

Proceedings of the Fourteenth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Wednesday, the 18th March, 1976 with the Hon'ble Speaker in the Chair, 12 (Twelve) Ministers, 6 (Six) Ministers of State, 1 (one) Deputy Minister, and 65 (Sixty five) Members present.

## STARRED QUESTIONS AND ANSWERS

Date : 18th February, 1976

---

Re : Sonapur Tea Estate

Shri BALABHADRA DAS asked :

*80. Will the Minister-in-charge of Revenue, be pleased to state –

(a) Whether the surplus land under ceiling case of Sonapur Tea Estate has been taken possession of by the Government ?

(b) Whether the land ceiling case of Sonapur Tea Estate is pending and, if so, since when ?

(c) Whether it is a fact that an area of 8837-BIK-4L, land of the said Tea Garden has been declared as Surplus land by the Additional Deputy Commissioner, Kamrup in Land Ceiling Case No. 41 of 1973 by an order passed on 16th August, 1973 ?

(d) Whether it is also a 'fact that the Revenue Minister admitted a time-barred appeal filed by the said Tea Company and allowed the appeal ?

(e)—If so. whether the Additional Deputy Commissioner again declared the surplus area and against that an appeal was admitted by the Revenue Minister and the same is pending before the Revenue Minister for last about two years ?

(f)—If so, whether the Government is going to dispose the said appeal soon and take possession of the surplus land ?

Dr. BHUMIDHAR BARMAN (Minister of State, Revenue) replied :

80. (a)—No.

(b) Yes. It is pending since 1973.

(c)—Yes,

(d) - The appeal was admitted by the Minister, Revenue after condoning the delay in submission of the appeal.

(e)—The case was remanded to the Deputy Commissioner, Kamrup on 8th August 1974 for giving a proper hearing to the party. Accordingly the Collector, Kamrup gave hearing to the party and finalised the case on 28th February 1975. Against this order of the Collector, the party came up with an appeal on 31st March 1975. Thereafter, the case was remanded to the Director of Land Requisition, Acquisition & Reforms for finalisation, as the final order of the Collector, Kamrup was not in order. This decision of Government has been communicated to the appellant on 14th August, 1975. The appeal is not pending with the Government now. It is pending with the Director of Land Requisition, Acquisition & Reforms for finalisation of the case.

(f)—Does not arise.

Shri Balabhadra Das : Whether the appeal is pending with the Government or with any Statutory body or authority appointed by the Government the fact remains that the appeals are pending. This is for implementation of the Act of 1956 which was promulgated on 15.2.1958. Appeal case was started, the party went to the High Court and the matter is pending with the Government and under the pretext of hearing the party has been successful in hood-winking the Government for last 18 years and not a single inch of land could be taken from that tea garden.

Mr. Speaker : What is your question ?

Shri Balabhadra Das : Will the Government see that it is implemented and the case is disposed of within 15 days ?

Dr. Bhumidhar Barman (Minister) : There has been delay due to certain reasons. But I assure the hon'ble member and the House that we will dispose of the case soon. I have already asked the Director of Land Requisition, Acquisition and Reforms to dispose of the case at the earliest.

Re : Payment of Compensation

Shri PROMODE CHANDRA GOGOI asked :

*81 Will the Minister, P.W.D. be pleased to state—

(a) Whether it is a fact that lands were acquired for the N.T. Road in the Lakhimpur District vide L.A. Case No. 3/71-72 ?

(b) Whether it is a fact that final payment of compensation is still pending due to non-completion of formalities by the P.W.D. ?

(c) What steps have been taken by Government to make final payment ?

Shri MAHAMMAD IDRIS ( Minister, P.W D. ) replied :

81. (a)—Yes.

(b) – No.

(c) – Necessary cheque for Rs. 28,888.65 has been issued to the Colleclor, North Lakhimpur for final payment to the Land owners on 6th March, 1975.

Shri Promode Chandra Gogoi : Will the Minister be pleased to say for what reason compensation could not be paid to the land owners at proper time ?

Shri Md. Idris (Minister) : Sir, so may formalities were to be observed. It is a fact that some delay was there. But the payment has been made already.

Shri Premodhar Bora : Will the Minister enlighten the House about the date of issuing the order from Government ?

Shri Md. Idris (Minister) : The cheque was sent on 8th March, 1975 and the payment was made in May last.

বিঃ ডাঙৰ দলং নিৰ্ম্মাণৰ আঁচনি

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

* ৮২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পঞ্চম পৰিকল্পনাৰ প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক যোজনাত মুঠ কেইখন ডাঙৰ দলংৰ আঁচনি লোৱা হৈছিল ?

(খ) এই আঁচনিত কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

(গ) এই আঁচনি অনুসৰি কেইখন দলংৰ কাম আৰম্ভ কৰা হৈছে আৰু কেই-থনৰ কাম সম্পূৰ্ণ হৈছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৮২। (ক)—২০ খন।

(খ)—৬·৭৫ লাখ টকা

(গ) এখন দলংৰ কাম চলি আছে, আন এখনৰ নিবিদা পোৱা হৈছে আৰু আন আঠ (৮) খন দলংৰ কাৰণে জৰিপাদি চলি আছে। বাকী দহখনৰ জৰিপ আদি কৰাৰ কাৰণে যাবতীয় ব্যৱস্থা হাতত লোৱা হৈছে। কাম এখনবো সম্পূৰ্ণ হোৱা নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে জনাবনে যি ২০ খন দলং লোৱাৰ কথা উল্লেখ কৰিছে সেই দলং কেইখন ক'ত ক'ত ললে নাম কবনে ?

Shri Md Idris (Minister) : (1) Bridge over River Khabuli on N. L. Kamalabari Road, (2) Dibrugarh-Bridge over Sessa on L. B. T. Road, (3) Bridge over Dessang on Pithagutighat on Shapekhati Pithaguti Road, (4) Kokrajhar Bridge over Kanamekra river on Subhaijhar-Bharanipur Road, (5) Bridge over river Champa on Basugaon-Salakati P. W. D. Road, (6) Jorhat-Bridge over River Tuni at Majuli on N. L. Kamalabari Road, (7) North Kamrup-Bridge over river Pagladia at Golbilghat on Barama Dhamdhama Tamulpur Road, (8) Golaghat-Bridge over river Daigurung on Murphulani Ali, (9) Sibsagar-Bridge over River Disang on Dhai Ali at Akhaiputiaghat. (10) Ghilamara-Bridge over river Sampara on Gogomukh-Ghilamara Road, (11) Barpeta-Bridge at Kukarjan on Nogaon Majdia Road, (12) Nowgong-Bridge No. 4/2 at Teteli-cherra on Kathiatali Kampur Road, (13) Golaghat-Bridge over River Dayung on Dhandhasyam Ali, (14) North Kamrup-Bridge over River Puthimari on Kachubari Noakata Patharighat Road, (15) Hailakandi-Bridge over Kataohal on Samarikata Gaglacherra-Lala Road, (16) Goalpara Bridge over Jinjiram on Hallydayganj Sukchar Road. (17) Bridge over River Tarang on Kokrajhar-Bahaipur Road, (18) Nowgong-Bridge over Kallong river at Kuwaritol. (19) Jorhnt-

**Bridge over River Doria on N. L. Kamalabari Road, (2) Cachar-Bridge over Harrang river connectiong S. N. Road with N. H. Road.**

শ্ৰীলক্ষীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, এই দলং কেইখন ৰাজ্যিক পৰিকল্পনাৰ ভিতৰত পৰিছে নে বোৰ্ডৰ ৰোড অব্ গেনাইজেচনৰো দলং ইয়াত আছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : এই কেইখন ৰাজ্যিক পৰ্য্যায়ৰ দলং।

শ্ৰীলক্ষীকান্ত শইকীয়া : এই দলং কেইখনত মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু কি ভিত্তিত নিৰ্বাচন কৰা হৈছিল ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : এই দলং কেইখন পঞ্চম পৰিকল্পনাত কৰিবলৈ খোচৰা তৈয়াৰ কৰা হৈছে। আৰু ইয়াত কম-বেছি পৰিমাণে ৫ কোটি টকা লাগিব। এতিয়াও ফাইনেলাইজ হোৱা নাই। তথাপি কিছু টকা ধৰা হৈছে। কি ভিত্তিত ধাৰ্য্য কৰা হ'ল— (১) বিশেষকৈ লক্ষ্য কৰা হৈছে জনজাতীয় অঞ্চল, য'ত যাতায়তৰ ক্ষেত্ৰত পিচ পৰি আছে। (২) আন্তঃ জিলা ভিত্তিত লোৱা হৈছে বিশেষকৈ য'ত ফেৰি চাৰ্ভিচ আছে, সেই ফেৰি চাৰ্ভিচটো উঠাবৰ কাৰণে। (৩) আন্তঃ মহকুমা ৰাষ্টা হিচাবে লোৱা হৈছে আৰু তাকে কৰিবলৈ যাওতে ৰাষ্ট্ৰীয় পথৰ কথাও বিবেচনা কৰা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া : মই নিজেও ৰোড বোৰ্ডৰ সদস্য গতিকে মই জনাত এই বিষয়ত কোনো সিদ্ধান্ত বোৰ্ডত লোৱা হোৱা নাছিল। আজি দুবছৰত দুখন মিটিং বহিছে কিন্তু তাত মই জনা মতে এই কথাটো উত্থাপন কৰা হোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ৰ ৰোড বোৰ্ডত সিদ্ধান্ত নোলোৱাকৈ যে এই দলং বিলাক লোৱা হৈছে কথাটো সঁচানে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : এইটো ৰোড বোৰ্ডৰ দ্বাৰা নিৰ্বাচন কৰা হোৱা নাছিল কথাটো সত্য কিন্তু বিভাগে নিজেই বিবেচনা কৰি পঞ্চম পঞ্চ বাৰ্ষিকী পৰিকল্পনাৰ কাৰণে নিৰ্মাণ কৰিবলৈ লৈছিল।

শ্ৰীলক্ষীকান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে বাজেটত উল্লেখ থকাৰ কথাও কৈছে কিন্তু মই জনাত এই দলংৰ কোনো নাম বাজেটত উল্লেখ হোৱা নাই। মন্ত্ৰী মহোদয়ে আৰু এটা কথা কৈছে যে জনজাতীয় এলেকা চাই আৰু পৰিবহনৰ ফালৰ পৰা পিচ পৰা ঠাই চাই এই দলং বিলাক নিৰ্ব্বাচন কৰা হৈছে। মন্ত্ৰী মহোদয়ে মঙ্গলদৈ মহকুমা পৰিবহনৰ ফালৰ পৰা উন্নত বুলি ভাবেনেকি আৰু ইয়াত জনজাতীয় এলেকা নাই বুলি ভাবে নেকি ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : অসমৰ প্ৰতিটো মহকুমাই পৰিবহনৰ ক্ষেত্ৰত পিচপৰা। গতিকে কম বেচি পৰিমাণে মঙ্গলদৈ মহকুমাও পিচপৰা সেই ফালৰ পৰা মঙ্গলদৈ মহকুমাই হওক বা আন কোনো মহকুমাই হওক বা অন্যান্য মহকুমাই হওক যাতায়তৰ ক্ষেত্ৰত পিচ পৰি আছে বুলি মই স্বীকাৰ কৰো। সেই কাৰণে মঙ্গলদৈ মহকুমাৰ কাৰণে যে লবলগীয়া নাই সেইটো কথা নকওঁ, জনজাতীয় অঞ্চলো আছে সেই ফালৰ পৰাও দুই তিনিখন তেনেকুৱা দলং হব কিন্তু টকাৰ পৰিমাণ সীমিত কাৰণে এই কেইখন বিবেচনা কৰি পঞ্চম পাচ বছৰীয়া পৰিকল্পনাৰ ভিতৰত কৰিবলৈ লোৱা হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা : পঞ্চম পাচ বছৰীয়া পৰিকল্পনাত এই বিশ খন দলং কৰিবলৈ লোৱা কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো আৰু এই অন্তৰ্ভুক্ত কৰা দলং কেইখনৰ কাৰণে পাচ কোটি টকা ধাৰ্য্য কৰা হৈছে কিন্তু পঞ্চম পৰিকল্পনাৰ আজি দুবছৰ পাৰ হল বাকী থকা তিনি বছৰৰ ভিতৰত কেন্দ্ৰৰ পৰা কিমান টকা পোৱা হব আৰু এই বাকী থকা তিনি বছৰৰ ভিতৰত অসম্পূৰ্ণ কাম খিনি সম্পৰ্ণ কৰা হবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে জানে যে এতিয়ালৈকে পঞ্চম পাচ বছৰীয়া পৰিকল্পনা চূড়ান্ত ভাৱে এতিয়ালৈকে গ্ৰহণ কৰা হোৱা নাই। এইটো কেৱল বছৰেকীয়া পৰিকল্পনাৰ আঁচনিৰ পৰাহে খৰচ কৰা হৈছে আৰু তাৰ কাৰণে খচৰা আঁচনি ধৰা হৈছে। আমি আশা কৰিছো যে কেন্দ্ৰীয় চৰকাৰে চূড়ান্ত ভাৱে পঞ্চম পাচ বছৰীয়া পৰিকল্পনা যেতিয়া গ্ৰহণ কৰিব তেতিয়া আমি এই টকাখিনি পাব পাৰো।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : মন্ত্ৰী মহোদয়ে কৈছে যে চম্পা, দিচৈ আৰু কাটাখালাৰ ওপৰত দলং হব। কিন্তু চম্পা, দিচৈ বা কাটাখালৰ ওপৰত দলং থাকোতেই কিয় আৰু দুখনকৈ দিয়া হ'ল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : পাগলাদিয়াতো সেই হিচাবে ধৰা হৈছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : বিশখন দলং লোৱা হৈছে কিন্তু প্ৰতাপ গড়ৰ খেৰবাৰীত এখন দলং দিয়াৰ কথা আজি ইমান বছৰৰ পৰা চলি আছে। বিভাগীয় মন্ত্ৰী মহোদয়ে গৈ নিজে পৰিদৰ্শনো কৰি আহিছে কিন্তু আজি পৰ্য্যন্ত সেই দলংৰ কাম হোৱা নাই আৰু তাৰ ফলত এটা অঞ্চল বিচ্ছিন্ন হৈ আছে সেই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : আচলতে বিভাগে আটাইকেইখন দলং কৰিব পাৰিলে সন্তোষ পালেহেতেন।

* Shri Charan Narzari : Sir, there is a long-standing demand that there should be a bridge over the river Gaurang in Kokrajhar Sub-division which is predominently inhabitated by tribal population and for want of a bridge over that river a major tribal area is completely cut off from the Kokrajhar Sub-division and considering the demand of the public plans and estimates were also submitted by the local authority and survey was also made accordingly and the alignment was also made But the proposal has not been included in the list of the proposed bridges under the 5th Five-Year Plan. Now, will the Government consider the case and undertake construction of the said bridge over the said river ?

Shri Md. Idris (Minister, P. W. D. (R&B) : Sir, this depends on the availability of fund.

Shri Subhankar Sniha : Sir, do the bridges as announced by the Minister P. W. D. embody the genious of the Sub-divisional Planning Cell subsequently approved by the Planning Board ?

Shri Md. Idris (Minister) : Sir, these are State-level schemes ; the Department made them.

শ্ৰীকেহোৰাম হাজৰিকা : মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে দলং কেইখনৰ কাৰণে দিয়া প্ৰস্তাৱ অসম কমিউনিকেচন বোড বোৰ্ডৰ ওচৰত উত্থাপন কৰা নাই। মন্ত্ৰী মহোদয়ে এই কথাটো কবনে যে এই প্ৰপোজেল কিয় অসম কমিউনিকেচন বোড বোৰ্ডৰ ওচৰত প্লেচ কৰা নহ'ল।

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : ষ্টেট লেভেল স্কীমত পঞ্চম পাছ বছৰীয়া পৰিকল্পনাৰ পৰিপ্ৰেক্ষিতত এই কেইখন আঁচনি লোৱা হৈছিল। বোড কমিউনিকেচন বোৰ্ডৰ ওচৰত প্লেচ কৰা নাই কিন্তু প্লেচ কৰা হলে ভাল হলহেতেন। কিন্তু সময়ৰ অভাৱৰ কাৰণে প্লেচ কৰিব পৰা নহল।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে পঞ্চম পৰিকল্পনা এতিয়াও চূড়ান্ত ভাৱে লোৱা হোৱা নাই, গতিকে এতিয়াও যিকেইখন দলং লোৱাৰ কাৰণে সিদ্ধান্ত লবলৈ বাকী আছে সেই কেইখনৰ ক্ষেত্ৰত বোড বোৰ্ডৰ ওচৰত উত্থাপন কৰি নিৰ্ব্বাচন কৰিবনে ?

★ Speech not corrected

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : দিয়াত মোৰ কোনো আপত্তি নাই।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : মন্ত্ৰী মহোদয়ে বিশখন দলংৰ কথা উল্লেখ কৰিছে তাৰ ভিতৰত পাগলাদিয়াৰ ওচৰত এখন দলং দিয়াৰ কথাও কৈছে কিন্তু কোন ঠাইত সেই দলং খন হব আৰু তাৰ কাৰণে কিমান টকা ধাৰ্য্য কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : পলাবিলঘাটত দলংখন দিয়াৰ কথা ভবা হৈছে আৰু তাৰ কাৰণে পোন্ধৰ লাখ লাগিব বুলি অনুমান কৰা হৈছে।

শ্ৰীজগদীশ চন্দ্ৰ দাস : পঞ্চম পাচ বছৰীয়া পৰিকল্পনাৰ কাৰণে দলং লোৱা হল কিন্তু চতুৰ্থ পাচ বছৰীয়া পৰিকল্পনাত যিবিলাক দলংৰ কাম আৰম্ভ কৰা হৈছিল সেইবিলাক সম্পূৰ্ণ হৈছে নে ?

( ভইচ : এইটো বেলেগ প্ৰশ্ন )

শ্ৰীপ্ৰণীতা তালুকদাৰ : মন্ত্ৰী মহোদয়ে উল্লেখ কৰা এই বিশখন দলংৰ ভিতৰত ববপেটাতো এখন লোৱা বুলি কৈছে এই দলংখন কোন ঠাইত লৈছে আৰু কিমান টকা ধাৰ্য্য কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : চাবলৈ সময় লাগিব।

বিঃ ট্ৰাইবেল বেল্ট ব্লক

শ্ৰীপিটসিং কোঁৱৰে সুধিছে :

* ৮৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ জনজাতীয় উপদেষ্টা কাউন্সিলৰ দ্বাৰা গঠিত ট্ৰাইবেল বেল্ট ব্লক চাবকমিটিয়ে গোৱালপাৰা জিলাৰ কোকৰাঝাৰ মহকুমাৰ কোকৰাঝাৰ চিদলী আৰু বিজনী ৰাজহ চক্ৰৰ অন্তৰ্ভুক্ত ট্ৰাইবেল বেল্ট ব্লকৰ মাটি বে-আইনী ভাৱে জনজাতীয় পট্টাদাৰ সকলৰ পৰা অসংৰক্ষিত লোকৰ হাতলৈ হস্তান্তৰ কৰা ক্ষেত্ৰত তদন্ত কৰি এখন প্ৰতিবেদন ৰাজহ বিভাগত দাখিল কৰাটো সঁচানে ?

(খ) যদি সঁচা হয় তেনেহলে এতিয়ালৈকে চৰকাৰে ইয়াৰ কি ব্যৱস্থা লৈছে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)যে উত্তৰ দিছে :

৮৩। (ক) হয়। এখন অন্তৰ্ৱৰ্ত্তী প্ৰতিবেদন পোৱা হৈছে।

(খ) প্ৰতিবেদনখন বৰ্ত্তমান পৰীক্ষাধীন অৱস্থাত আছে।

শ্ৰীপিটসিং কোঙৰ : এই প্ৰতিবেদন কেতিয়া পাইছে আৰু কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) : প্ৰতিবেদনত ট্ৰাইবেল বেল্ট আৰু ব্লক সমূহৰ বিশেষকৈ কোকৰাঝাৰত কিছুমান অন্যায় ভাৱে মাটি ৰেজিষ্ট্ৰেচন আৰু হস্তান্তৰৰ কথা লিখিছে আৰু প্ৰতিবেদন অলপতে পাইছো। বৰ্ত্তমান পৰীক্ষা কৰি থকা হৈছে। আৰু প্ৰয়োজনীয় ব্যৱস্থা লোৱা হব। ইতিমধ্যে ইয়াৰ কাৰণে ইন্সপেক্টৰ অৱ ৰেজিষ্ট্ৰেচনলৈ লিখা হৈছে।

Shri Charan Narzary : What is the spirit of the constitution of the tribale belts and blocks ? It is to protect the interest of the tribal people. Whether the interest of the plains tribal has been actually protected ?

Dr. Bhumidhar Barman (Minister) : Yes Sir, I think so. And if there is any irregularity then definitely we will look into it.

Shri Charan Narzary : Whether it is a fact that no directive has been issued by the local authority for implementation of the provision of chapter 10 of the land revenue regulation ?

Dr. Bhumidhar Barman (Minister) : No Sir. we are issuing instructions from time to time.

Shri Charan Narzary : Is it a fact that the concerning authorities are reluctant to implement the provision of this act and as a result there has been large scale illegal transaction of land in tribal belts and blocks ?

Dr. Bhumidhar Barman (Minister) : Nobody is reluctant. Sir.

Shri Charan Narzary : Will the authority issue necessary directive to implement the provision of chapter 10 in the true spirit of the act. ?

Dr. Bhumidhar Barman (Minister) : Yes Sir.

শ্ৰীজগদীশ চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, এই ট্ৰাইবেল বিলাকত চিডিউল কাষ্টৰ মানুহ ৰখাৰো কিবা ব্যৱস্থা আছেনেকি ?

শ্ৰীভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) : হয় আছে ।

Shri Mal Ch. Pegu : Sir whether in the report submitted to the Govt. it is found there is serious allegation against the Asstt. Registrar of Kakojan ?

Dr. Bhumidhar Barman (Minister) : Yes Sir.

Shri Mal Ch. Pegu : If so, whether the Govt. proposed to place him under suspension ?

Dr. Bhumidhar Barman (Minister) : Sir, the matter is under examination.

Shri Abdul Muktadhar Choudhury : How many tribal belts and blocks are there in Assam ?

Dr. Bhumidhar Barman (Minister) : Sir, in Kamrup district 8, in Goalpara district –2, in Darrang district-8, in Lakhipur District-2, in Dibrugarh district-1, in Nowgong district-13, the total is 34.

শ্ৰীআব্দুল হান্নান চৌধুৰী : মন্ত্ৰী মহোদয়ে জনাইছে যে ট্ৰাইবেল বেল্ট বিলাকত তপচীলভূক্ত মানুহ থকাৰ ব্যৱস্থা আছে । আমাৰ সংখ্যালঘু সম্প্ৰাদায়ৰ মানুহ ৰখাৰ কিবা ব্যৱস্থা আছে নেকি ?

ডাঃ ভূমিধৰ বৰ্মণ : তেনেকুৱা ব্যৱস্থা নাই ।

Shri Premadhar Bora : Sir, will the Minister In-charge, Revenue will enlighten us in which year the tribal belts and blocks were constituted ? And under the present circumstances whether the entire question will be reviewed ?

Dr. Bhumidhar Barman (Minister) : Sir, from 1949 to 1957 the tribal belts and blocks were constituted.

শ্ৰীপিটসিং কোঁৱৰ : প্ৰতিবেদন পৰীক্ষা কৰোতে কিমান দিন লাগিব আৰু কাৰ্য্যকৰী ব্যৱস্থা লওতে কিমান সময় লাগিব ? পোন্ধৰ বছৰমান লাগিব নেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ : নহয় চাৰ, খুব সোনকালে। যিমান সোনকালে পৰা হয় লোৱা যাব।

বি : ৰাজাঘাট বৰশিমলা গড়কাপ্তানী ৰাস্তাত মটৰ চলাচল

শ্ৰীকন্দৰ্প কুমাৰ দাসে সুধিছে :

* ৮৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা মহকুমাৰ অন্তৰ্গত ৰাজাঘাট বৰশিমলা গড়কাপ্তানী বিভাগৰ ৰাস্তা বে-চৰকাৰী মটৰ চলাচলৰ ব্যৱস্থা জাতীয় পথ (N.H)ৰ ওপৰেদি যোৱাৰ অনুমতি নিদিয়াৰ কাৰণে বে-চৰকাৰী মটৰ চলাচল কৰিব নোৱাৰা কথা সঁচানে ?

(খ) যদি সঁচা হয় তেন্তে জাতীয় পথ (N.H.)ৰ ওপৰেদি বে-চৰকাৰী বাছ, মটৰ চলাচল কৰিবলৈ দিয়া নীতি পৰিহাৰ কৰিছে নেকি ?

(গ) যদি কৰা নাই তেনেহলে ৪।৫ কিলোমিটাৰ ৰাস্তাৰ অনুমতি দি পিচপৰা অঞ্চলৰ ৰাইজৰ যাতায়তৰ সু-ব্যৱস্থা নকৰাৰ কাৰণ কি ?

(ঘ) স্থানীয় বিধান সভাৰ সদস্য আৰু সৰুপেটা বে-চৰকাৰী বাছৰ সন্থাই কেইবা বছৰ ধৰি অনুমতিৰ কাৰণে লিখিত ভাবে বিভাগীয় কৰ্তৃপক্ষক জনোৱা স্বত্বেও বিহিত ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৮৪। (ক)—হয়।

(খ)—পৰিহাৰ কৰা নাই।

(গ) চৰকাৰে ইতিমধ্যে বে-চৰকাৰী বাছ (ক) প্ৰশ্নত উল্লেখ কৰা ৰাস্তাত চলাবলৈ অনুমতি দিছে।

(ঘ)—প্ৰশ্ন নুঠে।

শ্ৰীকন্দৰ্প কুমাৰ দাস : মন্ত্ৰী মহোদয়ে জনাইছে যে ইতিমধ্যে ৰজাঘাট বৰ শিমলা ৰাস্তাত বজাৰ বাছ চলাৰ অনুমতি দিছে। মন্ত্ৰী মহোদয়ে এই কথাটো জনাবনে যে দ্বিতীয় পৰিকল্পনাতে আৰম্ভ কৰা এই ৰাস্তাটোত সোনকালে বেচৰকাৰী বাছ চলাচলৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : সেইটো চাব লাগিব।

শ্ৰীগিয়াচুদ্দিন আহমেদ : ৰাস্তাটো জাতীয়কৰণ কৰাৰ পাচত বজাৰ বাছ চলাচল কৰাৰ কি নীতি লৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : ৰাইজৰ সুবিধা অসুবিধালৈ চাই খুব কম দূৰত্বৰ ৰাস্তাত বাছ চলোৱাৰ অনুমতি দিয়া হয়।

শ্ৰীকন্দৰ্প কুমাৰ দাস : মন্ত্ৰী মহোদয়ে কৈছে যে কম দূৰত্বৰ ৰাস্তাত বাছ চলিবৰ কাৰণে অনুমতি দিয়া হৈছে। আমি সদায়ে দেখি আহিছো যে বৰপেটা নলবাৰী গুৱাহাটীলৈ বজাৰ বাছ চলাচল কৰে, ইয়াৰ ফলত পৰিবহন বিভাগৰ যে যথেষ্ট ক্ষতি হৈছে সেই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : যিবিলাক বজাৰ বাছ আছে সেই বিলাক যদি চলিবলৈ দিয়া নহয় তেনেহলে আমাৰ বজাৰলৈ অহা যোৱা কৰা মানুহ বিলাকৰ যথেষ্ট অসুবিধা হব। আনহাতে বজাৰ বাচ বিলাক চলাচল কৰোতে জাতীয়কৰণ ৰাস্তাত এটাৰ লগত আনটো ৰাস্তাৰ সংযোগৰ কাৰণে কেতিয়াবা অভাৰতেকিং হবও পাৰে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী : বজাৰ বাছবিলাকলৈ কিবা নিৰ্দ্দেশ দিয়া আছে নেকি যে তেওঁলোকে আধাত পেছেঞ্জাৰ আৰু আধাত মাল কঢ়িব লাগে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : হয় আছে। কিন্তু দেখা যায় আধাত পেছেঞ্জাৰ আৰু আধাত মাল কঢ়িয়ালে কেতিয়াবা আকস্মিক দুৰ্ঘটনা হোৱাৰ আশংকা কৰা হয় কাৰণে এই ব্যৱস্থা উঠাই দিয়া হৈছিল আৰু তেনেকুৱা কৰিব পাৰি নেকি চাব লাগিব।

শ্ৰীআতাউৰ ৰহমান : চৰকাৰৰ ফালৰ পৰা কিছুমান চৰকাৰী বাছ বজাৰ বাছ হিচাবে চলোৱাৰ সিদ্ধান্ত লৈছে নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : তেনে সিদ্ধান্ত নাই।

শ্ৰীজালালুদ্দিন আহমেদ : পৰিবহন বাছত কিমান যাত্ৰী বহিব পাৰে আৰু পাব্লিক বাছত কিমান যাত্ৰী বহিব পাৰে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : পৰিবহন বাছত একান্নন আৰু পাব্লিক বাছত পয়ত্ৰিশ চল্লিশজন বহিব পাৰে।

শ্ৰীগিয়াচুদ্দিন আহমেদ : ৰাষ্ট্ৰীয়কৰণ নীতি গ্ৰহণ কৰাৰ পিচত সেই ৰাস্তাতে অন্য বাছ চলিবলৈ দিয়া ব্যৱস্থাই চৰকাৰৰ নীতিক বাঞ্চাল কৰাৰ প্ৰচেষ্টা কৰা হৈছে এই কথা কোৱা মিচা হবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : সাধাৰণতে ৰাষ্ট্ৰীয় পথত পাব্লিক বাছ চলিবলৈ দিয়া নহয়। কিন্তু কেতিয়াবা কেতিয়াবা ইটো ৰাস্তাৰ সংযোগত সিটো ৰাস্তালৈ যাওঁতে দুই চাৰি মাইল অভাৰতেপিং হয়।

শ্ৰীআতাউৰ ৰহমান : চৰকাৰৰ ফালৰ পৰা বজাৰ বাছ চলাবলৈ সিদ্ধান্ত নাই বুলি কৈছে কিন্তু আমাৰ বৰপেটা মহকুমাত বজাৰ বাছৰ পাৰ্মিত ৰিনিউ কৰা নাই এই কথা সচা নে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড : ৰিনিউ কৰা হৈছে চাৰ।

শ্ৰীবীৰেনৰাম ফুকন : দক্ষিণপাৰত চলা কিছুমান বজাৰ বাছ বন্ধ কৰা হৈছে আৰু তাৰে কিছুমান হয়াত চিচ বাছো কৰা হৈছে ফলত যাত্ৰীসকলৰ যথেষ্ট অসুবিধা হৈছে। গতিকে এই ৰাস্তাত অধিক চৰকাৰী বাছ দিয়া কথা চৰকাৰে চিন্তা কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : এই লাইনৰ কিছুমান বাছ চিটি বাছ কৰা কথা সচা কাৰণ এই গাড়ীবিলাক জাতীয়কৰণ কৰা ৰাস্তাত চলি আছিল।

Re : Purchase Tax

Shri Kabir Chandra Roy Pradhani asked :

*85. Will the Chief Minister be pleased to state –

(a) Total amount of purchase Tax collected from Jute during the years 1973-74 and 1974-75 ?

(b) Whether the said amount is utilised for the benefit of the Jute cultivators ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

85. (a) Rs. 34,62,196.00 and Rs. 27,04,781.00 during the years 1973-74 and 1974-75 respectively.

(b) There is no specific provision for utilisation of the amount for the benefit of Jute cuitivators.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱা মতে চৰকাৰে ১৯৭৩।৭৪ চনত ৩৪, ৬২, ১৯৬,০০ টকা আৰু ১৯৭৪।৭৫ চনত ২৭,০৪ ৭৮১,০০ টকা আদায় কৰিছে তেনে ক্ষেত্ৰত চৰকাৰৰ 'এচেচমেন্ট' কিমান টকাৰ আছিল আৰু সেই হিচাবে কিমান টকা আদায় হ'ল আৰু এতিয়ালৈকে কিমান টকা আদায় নোহোৱাকৈ পৰি আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : এই 'পাৰচেজ টেক্স', বজাৰত যেতিয়া বস্তু ওলাই তেতিয়া তাত বিক্ৰীৰ ওপৰতহে টেক্স আদায় কৰা হয় গতিকে তেনে ক্ষেত্ৰত টেক্সৰ এচেচমেন্ট' কৰিব নোৱাৰি। উৎপাদন বেচি হলে বজাৰত বস্তু বেছিকৈ আহে আৰু সেইদৰে যেতিয়া মৰাপাটৰ উৎপাদন কমি আহে আৰু তেতিয়া বজাৰত মৰাপাটৰ বিক্ৰী কমি আহে আৰু সেইদৰে পাৰচেজ টেক্সো কমি আহে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : আমাৰ এই মৰাপাটৰ উৎপাদনৰ ওপৰত চৰকাৰৰ টেক্স এচেচমেন্ট' কৰা হয় আৰু মৰাপাটৰ উৎপাদনৰ ওপৰতেই আমাৰ ৰাজ্যখনৰ এগ্ৰিকালচাৰ ডেভোলপমেন্ট' নিৰ্ভৰ কৰি আছে গতিকে এনে ক্ষেত্ৰত যেতিয়া ইমান্ কম টেক্স আদায় হোৱাৰ পিছতো আমাৰ ৰাজ্যৰ উৎপাদিত মৰাপাট আমাৰ ৰাজ্যৰ বাহিৰলৈ যেনে পশ্চিমবঙ্গ ইত্যাদিত বাহিৰা ৰাজ্যলৈ গুচি যায় আৰু সেইদৰে আমি বহুতো পাৰচেজ টেক্সৰ পৰা বঞ্চিত হবলগীয়া হও কিয়নো সেই ওলাই যোৱা মৰাপাটৰ টেক্স থিনি ফাকি দিয়া হয়। গতিকে এই মৰাপাট যাতে টেক্স ফাকী দি ওলাই যাব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা লবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : সেইটো সম্ভৱপৰ নহয় বুলি কব নোৱাৰি, সেইটো নহবলৈ চৰকাৰৰ ফালৰ পৰা নিশ্চয় 'চেক' কৰা হব।

Shri Giasuddin Ahmed : Whether Govt. is aware that this purchase tax is a misnomer ? It is in fact a sales tax on jute growers, because the purchaser of jute deduct the tax from the price paid to the jute growers. What steps Govt. have taken against such practice ?

Shri Sarat Chandra Sinha (Chief Minister): Sir, the impact might be like that. But the tax is realised from the purchaser and not from the seller. It is a purchase tax. It is true that it might affect the price of jute.

Shri Giasuddin Ahmed : Last part of my question has not been answered. My point was that this purchase tax affects the price of the jute. What steps Govt. have taken in this regard ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, the Govt. have fixed the support price so that the price cannot go below the minimum fixed.

Shri Atawr Rahman : May I know what is the total amount spent from other sources ?

Shri Sarat Chandra Sinha (Chief Minister) : This money goes to the Consolidated fund and from consolidated fund the requirement of the jute growers are met because the jute growers are a part of the population. A specific reply is not possible in view of the facts stated.

Shri Atul Ch. Saikia : Whether the purchasers also are registered under any act ? If so what is the total number of registered persons ?

Shri Sarat Chandra Sinha (Chief Minister) : Yes Sir, they are ragistered, but the number is not with me.

Re : Veterinary Field Assistants

Shri Mal Chandra Pegu asked :

★86 Will the Minister, Veterinary be pleased to state—

(a) Total number of Veterinary Field Assistants with names serving in Majuli for more than five years ?

(b) Whether a Government Officer can be retained in particular place for more than five years ?

Dr. LUTFUR RAHMAN (Minister, Veterinary) replied :

86. (a)—The following 5 Nos. of Veterinary Field Assistants are serving in Majuli for more than five years from the year noted against each—

1. Shri Kabindra Nath Yein, since 1965 V. F. A., Garamur Rural A. H. Centre.

2. Shri Govin Ch. Handique, since 1955 V. F. A., Ratanpur Veterinary Dispensary.

3. Shri Lakhi Nath Dutta, since 1968 V.F.A., Karatipar Veterinary 1st Aid Centre under Majuli Development Block.

4. Shri Mohan Ch. Doley, since 1967 V. F. A., Jengraimukh Veterinary Aid Centre,

5. Shri Sonaram Nath, since 1969 V. F. A., Borgaon Veterinary 1st Aid Centre.

(b) —Yes.

Shri Mal Chandra Pegu : How long they will be kept there ? Are they going to be retained there till retirement ?

Dr. Lutfur Rahman (Minister) : It depends on the service they will render.

Re : Land Reform Committee

Shri Promode Chandra Gogoi asked :

★87. Will the Minister-incharge of Revenue be pleased to state—

(a) Whether it is a fact that the minutes of the Land Reform

Committee (Emergent) held on 21st November, 1975 were circulated by the Government to all Civil and Revenue Officials as a guide line?

(b) If so, what are the main recommendations of the said Committee?

(c) Whether it is fact that the minutes have since been withdrawn from circulation?

Dr. BHUMIDHAR BARMAN (Minister of State, Revenue) replied:

87. (a)—Yes, but not as guideline but for their information.

(b)—The main recommendations of the Committee were as follows :—

1. Preparation of tenants' record-of rights be made a continuous process for mutation of names and tenants by suitable amendment of the Tenancy Act.

2. The Director of land Records to hold Circuit Courts for hearing appeals under Section 59 of the Tenancy Act, so that poor tenants need not come to Gauhati for hearing. As Director of Land Records has other functions also, it was recommended that a wholetime Additional Director of Land Records be appointed for hearing appeals. The Circuit Courts should visit each subdivision once in 90 days.

3. Cancellation of Khatiars issued erroneously to occupants of Annual Patta lands. If necessary, provisions are to be made in the Tenancy Act to remove the ambiguity or confusion.

4. To settle/allot land upto a total of 9 bighas per family as landless cultivator inclusive of his own land, tenancy land and

ceiling surplus lands. Necessary ammendment is to be made in the ceiling Act and the Tenancy Act.

5. Amendment of proviso to Sec. 5 (3) of the Tenancy Act.

6. Government Departments/Banks/Financial Institutions be advised not to accept tenanted land from landlords as security for loans.

7. No patta be granted in respect of land acquired by a tenant on ceiling surplus land.

8. In case of Miching Tribals living in 'Changs' and large families, a 'family' should mean and include only the husband, wife and minor children, notwithstanding anything contained in Sec. 3 (d) of the Ceiling Act or any other law for the time being in force.

9. For arrears of land revenue, the land should not be sold in auction but made Sarkari after all other avenues for the recovery of the dues even by sale of standing crops, trees, etc. on the defaulting estate were exhausted. There should be a stipulated time limit for the defaulter to clear the dues and to retrieve the property.

10. To explore the feasibility of a State amendment of the sections 145 and 146 of the Cr. P. C.

11. To enquire locally the recording of tenancy in Nowgong district.

12. Not to give settlement/allotment of land to those who already have 9 bighas of land.

13. Claims of tenancy by persons not resident of the State be verified.

14. Not to settle/allot land to persons who are not resident of the State.

(c)—Yes.

Shri Promode Gogoi – Mr. Speaker, Sir, may I know from the Minister for what reasons the minutes of the said land reform committee was circulated to the district civil and revenue officials and who passed the order for circulation ?

Dr. Bhumidhar Barman, (Minister of State)—Sir, this was circulated only for information but of course subsequently it was stopped.

Shri Promode Gogoi : Mr. Speaker, Sir, for what reasons the minutes of the said meeting was circulated to the revenue and civil officials and who passed the order to circulate the minutes ?

Shri Sarat Chandra Sinha, (Chief Minister) : Sir, it is only a matter of official procedure As we are to take advance action, the unconfirmed proceedings were sent to different departments ; subsequently it was found that the proceedings was wrongly recorded. Then we sent the corrected proceedings.

Shri Giasuddin Ahmed : Sir, a subsequent meeting was held to discuss the minutes of the meeting held on 21st November 1975. If so, what was the decision of the subsequent meeting with regard to the socalled minutes of the 21st November meeting ?

Shri Sarat Chandra Sinha, (Chief Minister) : That is recorded in the proceedings.

Shri Promode Gogoi : Sir, the minutes were circulated for information but is there any precedence of minutes of other meetings being circulated to local officials for information ?

Shri Sarat Chandra Sinha, (Chief Minister) : Sir, in special circumstances we are to take quick action and to accelerate

the implementation of the programme. Therefore, to take advance action at the field level the unconfirmd proceedings were circulated. When it was found that the proceedings were not correctly recorded, the proceedings were withdrawn. In the second meeting we corrected the proceedings and the corrected minutes were sent to the officials later.

শ্ৰীকেহোৰাম হাজৰিকা : অধ্যক্ষ মহোদয়, এই প্ৰচিডিংচ বিলাক বিলি কৰাৰ পিচত বহুতো নথি ভুক্ত হোৱা ৰায়তৰ চাৰ্টিফিকেট বিলাক ঘুৰাই অনা হৈছে আৰু সেই বিষয়টো বদ কৰাৰ পিচত পুনৰ সেই চাৰ্টিফিকেট বিলাক ৰায়তক ফিৰাই দিয়াৰ ব্যৱস্থা চৰকাৰে ইতিমধ্যে কৰিছে নে বা কৰিব নে ?

Shri Sarat Chandra Sinha, (Chief Minister) : We do not have such information, Sir. If such things are brought to the notice, surely the Govt. will rectify it.

Shri Giasuddin Ahmed : Sir, the question of certificate to the ryots have been raised. May I know whether the certificates to ryots have been issued ?

Shri Sarat Chandra Sinha, (Chief Minister) : That is a new question Sir.

Shri Promode Gogoi : Sir, hon'ble member Shri Hazarika was quite correct ; for the circulation of the minutes many temporary pattas were withdrawn by the local officials.

Shri Sarat Chandra Sinha. (Chief Minister) : In that case I assure the House that that will be rectified.

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া : মহোদয়, চিলিং আইনৰ মতে যিবিলাক উদ্বৃত্ত মাটি সেইবিলাক সৰ্বসাধাৰণ ভূমিহীন মানুহক ন বিঘাকৈ দিয়া হৈছে। কিন্তু মঙ্গলদৈ মহকুমাৰ ৰজাৰ দিনিয়া যিবিলাক মাটিত যুগ যুগ ধৰি মানুহে বসবাস কৰি আছে সেই বিলাকৰ অৱস্থা কি হব ?

ডঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)ঃ বৰ্তমানে আমি নবিঘাকৈ মাটি দিছো। তাৰ ওপৰত যিবিলাকৰ মাটি আছে সেইবিলাক কি কৰা হব তাৰ কোনো সিদ্ধান্ত এতিয়াও লোৱা নাই।

বিঃ চৰকাৰী চাকৰিয়াল বৰ্খাস্ত বা অপসাৰণ

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছেঃ

★৮৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাত মুঠ কিমানজন চৰকাৰী বিষয়া আৰু কৰ্ম্মচাৰী চাকৰিৰ পৰা বৰ্খাস্ত আৰু অপসাৰণ কৰা হৈছে?

(খ) চৰকাৰী চাকৰিয়ালৰ বিৰুদ্ধে থকা বৰ্খাস্তৰ কিমান গোচৰ এতিয়াও মীমাংসা নোহোৱাকৈ আছে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৮৮। (ক)—বৰ্খাস্ত—গেজেটেড ২৫ জন নন-গেজেটেড ১৮৫ জন। অপসাৰণ গেজেটেড এজন, নন,গেজেটেড ১৮ জন।

(খ)—তদন্তৰ ৰিপোৰ্টৰ ভিত্তিত শাস্তিমূলক ব্যৱস্থা লোৱা হয়। বৰ্খাস্ত বা আন কেনে ধৰণৰ শাস্তি দিহা উচিত সেইটো দোষৰ গুৰুত্বৰ ওপৰত নিৰ্ভৰ কৰে। যেহেতু আদিতে গোচৰ লওঁতে বৰ্খাস্তৰ গোছৰ বুলি লোৱা নহয় তেনে ধৰণৰ গোছৰৰ সংখ্যা প্ৰশ্ন নুঠে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়াঃ অধ্যক্ষ মহোদয়, বৰ্ত্তমানলৈকে যিসকল বিষয়া চাকৰিৰ পৰা অপসাৰণ বৰখাস্ত কৰা হৈছে সেইবিলাক অকল জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ পিচত হৈছে নে আগতে ঘটা ঘটনা সম্পৰ্কে বা সংক্ৰান্তত কিছু অংশক অপসাৰণ বা বৰ্খাস্ত কৰা হৈছে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী)ঃ সাধাৰণতে জৰুৰীকালীন ঘোষনা কৰাৰ পিচৰ কথাকে কোৱা হৈছে। অৱশ্যে তাৰ ভিতৰৰ দুই এজন হয়তো আগৰ ঘটনা সংক্ৰান্তটো হব পাৰে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়াঃ এই বৰ্খাস্ত বা অপসাৰণ কৰিবলগীয়া বা সেই সংক্ৰান্তত সংশ্লিষ্ট বিষয়া সকলৰ অভিযোগ তদন্ত কৰাৰ কাৰণে মাত্ৰ এজনা বিষয়া নিয়োগ কৰা

হৈছে আৰু তাৰ ফলত বহু ঘটনাই নিস্পত্তি নোহোৱাকৈ তদন্তাধীন অৱস্থাত পৰি আছে। এই কথাটো সচঁানে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : নিস্পত্তি নোহোৱাকৈ পৰি থকা কথা নহয়। এই তদন্ত বিলাক সংশ্লিষ্ট বিভাগে তদন্ত কৰে আৰু সেই গোটেই প্ৰচিডিংচ চৰকাৰৰ চাব-কমিটিয়ে টন্ন টন্নকৈ চায় আৰু এটা সিদ্ধান্তত উপনীত হয়। সেই কাৰণে এজন বিষয়াৰ ওপৰত তদন্তটো নিৰ্ভৰ হৈ থকা হোৱা নাই। ইয়াত চৰকাৰৰ বিভিন্ন বিভাগ বিলাক জৰিত হৈ আছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মূখ্য মন্ত্ৰীয়ে যি ব্যৱস্থা কথা কলে সেইটো সচা। কিন্তু এনেকুৱা এটা কথা উঠিছে তদন্ত বিষয়া মাত্ৰ এজন হোৱা কাৰণে বহুতো ঘটনা নিস্পত্তি নোহোৱাকৈ পৰি আছে। এনেকি কিছুমান সংশ্লিষ্ট বিষয়া ঘটনাৰ নিস্পত্তি নোহোৱাকৈয়ে অৱসৰ পাইছে অথচ তদন্ত এতিয়াও শেষ হোৱা নাই। গতিকে সেইবিলাক যাতে সোনকালে নিস্পত্তি হয় তাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : সোনকালে যাতে নিস্পত্তি হয় সেই ব্যৱস্থা চৰকাৰে নিশ্চয় কৰিব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : এই ঘটনাবিলাক নিস্পত্তি কৰাৰ কাৰণে কেবিনেট পৰ্য্যায়ত এটা চাব-কমিটী গঠন কৰিছে। কিন্তু জৰুৰী কালীন অৱস্থা ঘোষণা কৰাৰ পিচত বহুতো কৰ্মচাৰীৰ বিশেষকৈ তলৰ কিছুমান চৰকাৰী বিষয়াক ব্যক্তিগত বা তেনে কোনো অন্যান্য আক্ৰোশ মূলক ইত্যাদি মনোভাৱ লৈ যথেষ্ট কাৰণ নোহোৱা স্বত্বেও তেনে বিষয়াৰ বিৰুদ্ধে শাস্তিমুলক ব্যৱস্থা লোৱা হৈছে এনে ধৰণৰ ঘটনাৰ চৰকাৰৰ দৃষ্টি গোচৰ কৰা হৈছেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : অভিযোগ বিলাক সত্য নহয় অথচ ব্যক্তিগত আক্ৰোশৰ কাৰণে অভিযোগ আনি কোনো বিষয়াক বৰ্খাস্ত কৰাৰ কথাটো মানি লোৱাটো মোৰ পক্ষে টান হয়। অৱশ্যে অভিযোগত সংক্ৰান্ত লোকসকলে তেনে এটা কথাৰ অৱতাৰণাটো স্বাভাৱিক কথা। এতিয়ালৈকে তেনে কথা চৰকাৰৰ দৃষ্টিলৈ অহা নাই।

শ্ৰীসোনেশ্বৰ বৰা : যি বিলাক বিষয়া বৰ্খাস্ত হৈছে বা অপসাৰণ হৈছে সেই সকলে দোষমুক্ত হোৱাৰ কাৰণে কিবা আপিল কৰাৰ ব্যৱস্থা আছেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : চৰকাৰৰ ফালৰ পৰা আপিল কৰাৰ ব্যৱস্থা নাই। কিন্তু নিজৰ ফালৰ পৰা আপিল কৰাৰ ব্যৱস্থা আছে।

শ্রীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : আক্ৰোশমূলক ভাবে বৰ্খাস্ত বা অপসাৰণ হোৱা নাই বুলি মুখ্য মন্ত্ৰী মহোদয়ে কৈছে। কিন্তু তাৰ ভিতৰতে যে উদ্দেশ্যে মূলক ভাবে বিপদত পেলাই তল খাপৰ মানুহক বৰ্খাস্ত কৰিছে এই কথা জানেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : এই ধৰণেৰে ধৰিবলৈ গলে এখোজো আগ-বাঢ়িব পৰা নাযাব। চৰকাৰে অভিযোগৰ ক্ষেত্ৰত যিবোৰ ব্যৱস্থা লৈছে সেই বোৰ নিখুত ভাবেই লৈছে। বিশেষকৈ চৰকাৰী বিষয়া সকলৰ অপসাৰণৰ ক্ষেত্ৰত যি বোৰ ব্যৱস্থা লৈছে সাধাৰণভাবে এই বোৰ ব্যৱস্থাক সকলোৱেই ভাল বুলিয়েই কৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ : তথাকথিত মৌলিক অধিকাৰৰ সুবিধা লৈ প্ৰত্যেক দুৰ্নীতিপৰায়ন বিষয়া সকলে চৰকাৰৰ এই চেষ্টা ব্যৰ্থ কৰিবলৈ চেষ্টা কৰিছে। চৰকাৰে ইয়াৰ প্ৰশাসনীক কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : প্ৰশাসন মূলক ব্যৱস্থাৰ কথা নাই। প্ৰশাসনীক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চৰকাৰে যি ব্যৱস্থা কৰিব লাগে সেই বিলাক কৰিছে।

শ্ৰীআটাউৰ ৰহমান : কিছুমান গেজেটেড বিষয়াক কোনো কৈফিয়ত নোলো-ৱাকৈয়ে বৰ্খাস্ত কৰা হৈছে। তেওঁলোকে ৰিভিজন পিটিচন দাখিল কৰিলে মিমাংসা কেনেকৈ কৰিব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত বিষয়া সকলৰ বিৰুদ্ধে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা গ্ৰহণ কৰা হৈ আছে। দৰখাস্ত দিলে চৰ-কাৰে সময়ত বিবেচনা কৰিব।

শ্ৰীপ্ৰেমধৰ বৰা : জৰুৰী কালিন অৱস্থা ঘোষনা কৰাৰ পিচত ২১০ জন বিষয়াক বৰ্খাস্ত কৰা হৈছে আৰু ১৯ জনক দিচমিচ কৰিছে বাকী যি বিলাক কেচ আছে সেই বিলাক জৰুৰী ভাবে শেষ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : চৰকাৰ তাৰ কাৰণে তৎপৰ হৈছে।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : যি বিলাক চাচপেনচন কৰা হৈছে সেই বিলাক বাইজৰ ফালৰ পৰা অভিযোগ পাই কৰিছেনে ? ৰাইজৰ এনেকুৱা লিখিত আবেদন থকা স্বত্ত্বেও কিছুমান কেচৰ আজিলৈকে ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : অভিযোগ বিলাক ৰাইজৰ ফালৰ পৰাই আহক

বা আন বিভাগৰ ফালৰ পৰাই আহক বা নিজৰ বিভাগৰ ফালৰ পৰাই আহক, যি ফালৰ পৰাই নাহক লাগিলে অভিযোগ চৰকাৰৰ ওচৰলৈ আহিলেই তাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া : মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে গোচৰ বিলাক নিস্পত্তি কৰিবলৈ চৰকাৰ তৎপৰ হৈছে। কিন্তু বিভাগীয় নিয়ম অনুসৰি যিটো বন্ধন আছে যেনে অপসাৰণ কৰিবলৈ হলে চাৰ্জচিট আদি দিব লাগিব এই ধৰণৰ নিয়ম আছে। কিন্তু গোচৰ বিলাক সোনকালে নিস্পত্তি কৰিবৰ কাৰণে সময় সাপেক্ষে এই বিলাক অনুসৰণ কৰিবনে ? এনে কৰিলেই সিদ্ধান্ত সোনকালে হব বুলি ভাবো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : বিভাগীয় যি বিলাক নিয়ম আছে সেই বিলাক নিয়মৰ মাজেৰে ব্যৱস্থা লবলৈ গলে দুৰ্নীতি পৰায়ন বিষয়া সকলৰ ওপৰত ব্যৱস্থা লোৱাত পলম হব। জৰুৰী কালীন অৱস্থা ঘোষণা হোৱাৰ আগতে যি বিলাক দুৰ্নীতি পৰায়ন বিষয়াৰ বিৰুদ্ধে অভিযোগ আহিছিল সেইবিলাকৰ ওপৰত ব্যৱস্থা লোৱাত পলম হৈছিল। আৰু তাৰ ভিতৰত এনেকুৱা হৈছিল যে কিছুমান অলাগতীয়া নথি পত্ৰ বিচাৰে। এজন বিষয়াৰ ক্ষেত্ৰত প্ৰায় ২ হাজাৰ নথি বিচাৰিছিল। এই দৰে দুই হাজাৰ নথি দিবলৈ হলে বহুত পলম হয়। তেনে কৰিলে থৰটকীয়া সিদ্ধান্ত নহয়। সেই কাৰণেই জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। তাৰ দ্বাৰা সকলো বিলাক নিয়ম পৰিহাৰ কৰি থৰটকীয়া ব্যৱস্থা লোৱা হৈছে।

### বি : গাওঁ পঞ্চায়ত

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*৮৯। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁ পঞ্চায়ত সমূহক চৰকাৰে পোনপটীয়াকৈ কিমান অনুদান দিছে ?

(খ) গাওঁ পঞ্চায়ত সমূহে পোৱা টকাৰে মাত্ৰ কৰ্মচাৰীৰ দৰমহা দিবলৈহে পাৰে এই কথা সঁচানে ?

(গ) যদি সঁচা হয়, গাওঁ পঞ্চায়ত সমূহৰ আৰ্থিক অৱস্থা টনকিয়াল কৰি উন্নয়ন মূলক কাম কৰোৱাৰ কিবা আঁচনি চৰকাৰে লৈছে নেকি ?

শ্ৰীচৈয়দ আহমেদ আলি ( পঞ্চায়ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮৯। (ক)—১৯৭৪-৭৫ ও ১৯৭৫-৭৬ চনৰ বাবে গাওঁ পঞ্চায়ত সমূহক মুঠ ৩,৩০,৭২,৯৬১.৬৫ পয়চা অনুদান দিয়ে। এই টকা সংশ্লিষ্ট মহকুমা পৰিষদৰ যোগেদি বিতৰণ কৰা হয়।

(খ)—সঁচা নহয়।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে 'খ' আৰু 'গ' প্ৰশ্নোত্তৰত কৈছে যে সঁচা নহয়। কিন্তু একোখন গাওঁ পঞ্চায়তৰ কৰ্মচাৰী সকলৰ দৰমহা দিবলৈকে ১৮ হাজাৰকৈ টকা লাগে। তেওঁলোকক আৰু যে একো বেচি টকা দিয়া নাই যাৰ ফলত কোনো কাম কৰিব পৰা নাই, সেই কথা চৰকাৰে স্বীকাৰ কৰিবনে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) : থুলমুল ভাৱে আমি এটা হিচাব কৰি দিছো। যি বিলাক গাওঁ সভাত জনসংখ্যা ২০ হাজাৰ টকা দিয়া হৈছে। এই টকা পায় ৰেভিনিউৰ পৰা। ইয়াৰ বাহিৰেও তেওঁলোকে স্থানীয় ভাৱে সংগ্ৰহ কৰিব পাৰে। আৰু চাবচিদিও আগবঢ়োৱা হয়। কিছুমান অফিচাৰৰ দৰমহা, টি এ আদিৰ কাৰণেও চাবচিদি দিয়া হয়। কৃষি, জলসিঞ্চন আদিৰ কাৰণে মহকুমা পৰিষদৰ পৰাও টকা পায়। তাৰ উপৰিও আইন মতেও কিছুমান ক্ষমতা দিয়া হৈছে। যেনে তেওঁলোকক হাউচ টেক্স কালেক্ট কৰিবলৈ দিয়া হৈছে। তেওঁলোকে যদি এক টকা উঠায় তেনেহলে আৰু এক টকাকৈ দিয়া হয়। তাৰোপৰি চাইকেল টেক্স আদিও সংগ্ৰহ কৰিও টকা সংগ্ৰহ কৰে। যি বিলাক গাওঁ পঞ্চায়তে এই বিলাক ব্যৱস্থা হাতত লৈছে তেওঁলোকৰ আৰ্থিক অৱস্থা ভাল। তেওঁলোকে দৰমহা দিয়াৰ উপৰিও উন্নয়ন মূলক কাম কৰিব পাৰিছে। কিন্তু যি বিলাক ব্যৱস্থা লোৱা নাই তেওঁলোকৰ আৰ্থিক অৱস্থা ভাল নহয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে যিটো হিচাব দিছে সেইটো ভাল বিচাৰ। আইন কৰোতেও এই বিলাক ব্যৱস্থা ধৰা হৈছিল। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা গৈছে যে প্ৰকৃত পক্ষে বছৰি যিমান টকা পায় সেই টকাৰে তেওঁলোকৰ এক মাহৰ খৰচেই নোযোৰে। উন্নয়ন মূলক কামৰ কাৰণে টকা বাহি নহয়। এই কথালৈ লক্ষ্য ৰাখি চৰকাৰে কৰ্মচাৰী সকলক টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

দ্বিতীয়তে, মন্ত্ৰী মহোদয়ে কৈছে যে মহকুমা পৰিষদৰ পৰা টকা পায়। কিন্তু মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে বহুত বিলাক মহকুমা পৰিষদে সময়মতে গাওঁ পঞ্চায়তবোৰক টকা নিদিয়াৰ কাৰণে কষ্ট ভোগ কৰিছে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ মই এইটো অনুসন্ধান কৰি চাম। কোন কোন মহকুমা পৰিষদে সময়মতে গাওঁ পঞ্চায়তক টকা দিয়া নাই। যি বিলাক আইনত ধৰি দিয়া হৈছে সেই বিলাক আদায় হব লাগে। কিন্তু কিছুমান গাওঁ পঞ্চায়ত আছে যি বিলাকৰ স্থানীয় সুবিধা যেনে কিছুমানৰ ডাঙৰ ডাঙৰ হাটও ঘাট আদি আছে, সেই বিলাক সুবিধা আছে কিন্তু কিছুমানৰ তেনে সুবিধা নাই। যি বিলাকৰ ডাঙৰ ডাঙৰ ঘাট হাট আছে সেই বিলাকৰ আয় ভাল। যি বিলাক কৰ্মচাৰীৰ দৰ্মহা দিয়াৰ কথা কৈছে কেৱল চেক্ৰেটাৰী, সভাপতিৰ দৰ্মহাহে দিয়া হয়। তাৰ বাহিৰে যি বিলাক কৰ্মচাৰী আছে সেই বিলাকৰ দৰ্মহা বিভিন্ন বিভাগ বিলাকে দিয়ে।

Mr. Speaker : Question hour is over.

Undisposed Starred Question dt. 18-2-76

বি ঃ ৰাষ্ট্ৰীয় শিক্ষা বাহিনী

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*৯০। মাননীয় শিক্ষাবিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে---

(ক) অসমত ৰাষ্ট্ৰীয় শিক্ষা বাহিনীৰ শিক্ষা প্ৰদানৰ কি ব্যৱস্থা ৰখা হৈছে ?

(খ)—অসমৰ কিমানখন মহাবিদ্যালয় আৰু বিদ্যালয়ত এই শিক্ষা প্ৰদান কৰা হয় ?

(গ)—এই শিক্ষাৰ তলত কিমানজন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি আছে আৰু শিক্ষাৰ কালছোৱাত কেডেটসকলক কি কি দিয়া হয় ?

(ঘ)—এই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সম্প্ৰসাৰণৰ কিবা আঁচনি চতুৰ্থ যোজনাত লোৱা হৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯০। (ক)—প্ৰয়োজনীয় প্ৰশিক্ষণ লোৱাৰ বাবে স্কুল কলেজৰ শিক্ষকসকলক ভাৰতৰ বিভিন্ন সৈনিক বাহিনী প্ৰশিক্ষণ কেন্দ্ৰলৈ পঠোৱা হৈছে। এনেকুৱা প্ৰশিক্ষণত কৃতকাৰ্য্য হোৱা শিক্ষক সকলক ৰাষ্ট্ৰীয় শিক্ষা বাহিনীৰ কমিচন দিয়া হয়। এই শিক্ষক সকলে নিজ নিজ অনুস্থানলৈ ঘূৰি আহি তেওঁলোকৰ প্ৰশিক্ষাৰ্থী সকলক প্ৰশিক্ষণ দিয়ে। ইয়াৰ লগতে সৈনিক বাহিনীৰ স্থায়ী প্ৰশিক্ষক আৰু বিষয়াও ৰাষ্ট্ৰীয় শিক্ষা গোটবোৰত নিযুক্ত কৰা হয় আৰু তেওঁলোকেও প্ৰশিক্ষাৰ্থী সকলক প্ৰশিক্ষণ দিয়ে।

(খ)—অসমৰ ৫৬ খন কলেজ আৰু ২২৭ খন স্কুলত ৰাষ্ট্ৰীয় শিক্ষা বাহিনীৰ প্ৰশিক্ষণ দিয়া হয়।

(গ)—ৰাষ্ট্ৰীয় শিক্ষা বাহিনীৰ তলত প্ৰশিক্ষণ লৈ থকা ল'ৰা-ছোৱালীৰ সংখ্যা তলত দিয়া ধৰণে পাব পাৰি—

| ল'ৰা | ছোৱালী |
|---|---|
| ৩৯,১৫২ | ৬,৬০৬ |

Campingৰ সময়ত কেডেটসকলক সম্পূৰ্ণ খোৱা খৰচ দিয়া হয় আৰু তেওঁলোকক অহা-যোৱা খৰচ আৰু দৈনিক হাত খৰচ দিয়া হয়। প্ৰশিক্ষণৰ সময়ত কেডেটজলপান দিয়া হয়। ইয়াৰ বাহিৰেও প্ৰশিক্ষণৰ সময়ত তেওঁলোকক চাফচিকুনকৈ থকাৰ খৰচ দিয়া হয়। এটা Sessionৰ সময়ত কেডেটসকলক পোছাকো দিয়া হয়।

(ঘ)—হয়, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সম্প্ৰসাৰণৰ বাবে তলত দিয়া আঁচনি সমূহ চতুৰ্থ যোজনাত হাতত লোৱা হৈছে।

(ক)—অতিৰিক্ত ৭ টা নিম্ন পৰ্য্যায়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী গঠন কৰা হৈছে।

(খ)—উজনি অসমত এটা নতুন গ্ৰুপ হেডকোৱাৰ্টাৰো এই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ উন্নতি কল্পে স্থাপন কৰা হৈছে।

বি: মঙ্গলদৈ শৈল চিকিৎসালয়

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে:

* ৯১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

মঙ্গলদৈৰ শৈল চিকিৎসালয়খনৰ উন্নতিকৰণৰ আঁচনিখন বৰ্ত্তমান কি অৱস্থাত আছে?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

৯১। বৰ্ত্তমান হাতত লোৱা আঁচনি মতে ১৯৭৫-৭৬ চনত মঙ্গলদৈ শৈল চিকিৎসালয়ত দুটা ১০ খনীয়া বিচনাৰ ঘৰ তৈয়াৰ কৰা হৈছে। ইয়াৰ ওপৰি এই চিকিৎসালয়ত এজন অধীক্ষক দিয়া হৈছে। পানী যোগানৰ ব্যৱস্থাও সন্তোষজনক ভাবে উন্নত কৰা হৈছে। আকৌ এই শৈল চিকিৎসালয়খন বেছি সুবিধাজনক আহল বহল ঠাইলৈ স্থানান্তৰিত কৰিবৰ কাৰণে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

Re : Payment of Contractor's Arrear Bills

Shri ABDUL MUQTADIR CHOUDHURY asked :

★92. Will the Minister, P. W. D. be pleased to state –

(a) The procedure followed at the time of payment of Contractor's arrear bills in 1975 relating to the period from 1972 to 1974 by the Executive Engineer, Karimganj P. W. D. (R & B) Divsion ?

(b) Whether there is any instruction from the Government to clear up all the pending bills up to 1974 ?

(c) If so, wheather the said instruction was followed in this case ?

(d) What is the total amount of arrear bills yet to be paid (up to 1674) ?

Shri Md. IDRIS (Minister P. W. D.) replied :

92. (a)–Executive Engineer furnished the sratement of old pending liabilities to Superintending Engineer concerned for scrutiny and to forward same to Chief Engineer after scrutiny for recommendation of fund After receipt of fund payments made as per date of receipt of bills priority basis. Preference was given by Executive Engineer for payment of small bills and bills relating to educated unemployed youth organisation.

(b)—Yes, With the approval of Superintending Engineer and subject to availability.

(c)–Yes.

(d)–Nil

বি: চৰকাৰী শাস্ত্ৰীয় সঙ্গীত কলেজ

শ্ৰীমতী প্ৰণীতা তালুকদাৰে সুধিছে :

★৯৩। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ চৰকাৰী শাস্ত্ৰীয় সঙ্গীত কলেজখন খোলাৰ বাবে চৰকাৰে ৫০ বিঘা মাটি লোৱা সঁচানে ?

(খ) এই কলেজখন খোলা সম্পৰ্কীয় কথাবোৰ কাৰ ওপৰত দায়িত্ব অৰ্পন কৰা হৈছে ?

(গ)—এই কলেজ খনৰ ঘৰ নিৰ্মাণ আদিৰ ক্ষেত্ৰত চৰকাৰে কিমান টকা মঞ্জুৰী দিছে জানিব পাৰোনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (সাংস্কৃতিক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৯৩। (ক)—হয় ।

(খ)—সাংস্কৃতিক বিভাগৰ ওপৰত দিয়া হৈছে ।

(গ)—পঞ্চম পৰিকল্পনাত এই আচনিত ১৪ লাখ টকা ধাৰ্য্য কৰা হৈছে যদিও প্ৰাৰম্ভিক কাম বিলাক এতিয়াও সম্পূৰ্ণ নোহোৱাৰ বাবে কোনো মঞ্জুৰী দিয়া হোৱা নাই ।

## CALLING ATTENTION

Shrimati Pranita Talukdar : Sir, I beg to call the attention of the Minister, Transport under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Dainik Asom, dated 11th January 1976 under the caption "পূৰ্ব্বাঞ্চলত কেতবোৰ পৰিবহন কোম্পানীৰ অভিনৱ কৌশল।"

*শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (পৰিবহন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ১৯৭৬ চনৰ ১১ জানুৱাৰী তাৰিখে প্ৰকাশ হোৱা "পুৰ্ব্বাঞ্চলত কেতবোৰ পৰিবহন কোম্পানীৰ অভিনৱ কৌশল" এই শিতানৰ বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সম্পৰ্কে নিম্নলিখিত কথাটো ব্যাখ্যা কৰি দিয়া হল ।

★Speech not corrected

বাতৰি কাকতত উল্লেখিত পুব্বাঞ্চলত চলা কেতবোৰ বেচৰকাৰী পৰিবহন কোম্পানীয়ে নানা কৌশলেৰে চৰকাৰক লাখ লাখ টকাৰ কৰ নিদিয়াকৈ নামজাৰি কৰি থকা কথাটো সচা নহয় । আমাৰ পঞ্জিয়নৰ মতে তেনে কোনো বৃহত ধৰণৰ অপকৰ্ম ঘটা দেখা পোৱা নাই । হয়তো তেনে ধৰণৰ দুই এটা ঘটনা ঘটিলেও সি আমাৰ দৃটি গোচৰলৈ অহা নাই । কোনো গাড়ীয়েই পঞ্জিয়ন পত্ৰ, যাত্ৰী যোগ্যতাৰ প্ৰমাণ পত্ৰ, বিমা প্ৰমাণ পত্ৰ আৰু অনুজ্ঞা পত্ৰ নহলে আলিবাটত চলিব নোৱাৰে । ইয়াৰ উপৰিও গাড়ীৰ দিব লগা কৰৰ প্ৰমাণ পত্ৰ আৰু চালকৰ লাইচেঞ্চ আদিও গাড়ীত ৰখাটো অপৰিহাৰ্য্য । এইবোৰ কাগজ পৰীক্ষা কৰিবৰ বাবে বিভাগীয় প্ৰবৰ্ত্তন বিষয়া সকল, পুলিচ বিভাগৰ বিষয়া সকল সদাই জাগ্ৰত । এনে ক্ষেত্ৰত বাতৰি কাকত প্ৰকাশিত উক্ত বাতৰিটো সম্পূৰ্ণ সচা বুলি ধৰি লব নোৱাৰি ।

অইন ৰাজ্যত পঞ্জিয়ন হোৱা গাড়ী সেই ৰাজ্যৰ নম্বৰ প্লেটেৰে অইন ৰাজ্যত চলোৱাত ভাৰতীয় মটৰ গাড়ী আইন মতে নিষিদ্ধ নহয় । এনে গাড়ী আন ৰাজ্যত পুনঃ পঞ্জিয়ন নকৰাকৈ ১ বছৰ সময়লৈকে আইন মতে চলিব পাৰে । গতিকে ওচৰ চুবুৰীয়া, নাগালেণ্ড, মেঘালয়, মিজোৰাম, অৰুনাচল, পশ্চিমবঙ্গ আদি ৰাজ্যৰ পৰা সঘনে আহি থকা মটৰ গাড়ীৰ নম্বৰ প্লেট এই ৰাজ্যত বৈধ । বাতৰিত উল্লেখ কৰা নম্বৰ প্লেটৰ কাহিনীটো সচা নহয় ।

গুৱাহাটী কেডাৰ ৰোডত গ্ৰেপ্তাৰ হোৱা নকল ডি, টি, অ বিষয়টো পুলিচে অনুসন্ধান কৰি বিচাৰৰ কাৰণে গুৱাহাটীৰ আদালতলৈ প্ৰেৰণ কৰিছে আৰু উক্ত বিচাৰ গুৱাহাটী আদালতত চলি আছে । গতিকে উক্ত বিষয়ত পৰিবহন বিভাগৰ কৰ লগা বা কৰিব লগা একো নাই ।

শ্ৰীঅতুল শইকীয়া : কেডাৰ ৰোডত ডি, টি, অ অফিচটো পোৱা হৈছে, এই কথাটো কাকতত ওলাইছে । এই কেচটো থকা স্বত্তেও মন্ত্ৰী মহোদয়ে কেনেকৈ কলে যে কাকতত উল্লেখিত ঘটনা বিলাক সচা নহয় ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : সম্পূৰ্ণ সচা নহয় বুলি কোৱা নাই । যিমান তদন্ত কৰিব লাগে কৰি চাইছো । কেচটো পুলিচৰ তত্তাবধানত আছে ।

**Mr. Speaker** : Today is the last day for debates on the Governor's Address. Total time is 235 minutes, The division of time 165 minutes for Congress and 70 minutes for Opposition. I have a list of 11 members from Congress and 4 members in the Opposition 10 minutes for the Chief Minister to reply and 5 minutes given as a right to reply to the mover of the motion. In yesterday debates it is found spoken whose names were in the list were & the hours had to be adjoused 45 minutes earler absent Now, the persons whose uames were enlisted and were absent yesterday would not get priority to speak on the debate today.

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণত জৰুৰী কালীন অৱস্থা ঘোষনা কৰাৰ পিচত কুৰি দফীয়া আচনি কাৰ্য্যকৰী কৰাৰ কাৰণে ৰাজ্যিক চৰকাৰে যিবিলাক ব্যৱস্থা লৈছিল তাৰ কথা উল্লেখ কৰিছে । আমাৰ দেশত জৰুৰী কালিন অৱস্থা ঘোষনা কৰাৰ প্ৰয়োজনীতা সম্পৰ্কে মই উল্লেখ কৰিবলৈ নাযাও । কিন্তু এই কথা কব লাগিব যে ভাৰতবৰ্ষত যি ৰাজনৈতিক পৰিস্থিতিৰ সৃষ্টি হৈছিল আৰু বিশেষকৈ ভাৰতবৰ্ষত দেশীয় আৰু বিদেশী প্ৰতিক্ৰিয়াশীল শক্তি বিলাকে আমাৰ দেশখনৰ ৰাজনৈতিক স্থায়ীত্ত নাইকিয়া কৰিবৰ কাৰণে যি চেষ্টা কৰিছিল তাৰ প্ৰতিৰোধ কৰিবৰ কাৰণে জৰুৰীকালিন অৱস্থাৰ বাহিৰে অন্য কোনো পথ নাছিল । সেয়ে জৰুৰী অৱস্থা ঘোষনা কৰাৰ লগে লগে প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে আমাৰ দেশ খনৰ বিশেষকৈ যি বিলাক সকলোতকৈ নিস্পেষিত, নিপ্ৰিড়ীত লোক, আমাৰ দেশৰ যি সকল শ্ৰমিক, কৃষক, দুখীয়া লোক তেওলোকৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে যি কুৰী দফীয়া আচনি ঘোষনা কৰিছিল । সেই আচনি জৰুৰী কালীন অৱস্থাৰ লগত আমাৰ দেশৰ সৰ্বসাধাৰণ মানুহক অৰ্থনৈতিক ক্ষেত্ৰত আজি সকাহ দিয়াৰ কাৰণে ই এখন অতি লাগতিয়াল আচনি । এই কথা বিবেচনা কৰি চাব লাগিব যে কুৰি দফীয়া আচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত বাধা আছে । যি বিলাক শক্তিয়ে জৰুৰী কালীন অৱস্থা ঘোষনা কৰাৰ আগতে আমাৰ দেশখনৰ প্ৰচলিত প্ৰগতিশীল নীতি বিলাক বাঞ্চাল কৰাৰ কাৰণে চেষ্টা কৰিছিল সেই শক্তি বিলাকে আজি কুৰি দফীয় আচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে আৰু তেওঁলোকে বাধা দিয়াৰ কাৰণে চেষ্টা কৰিব । সেই কাৰণে কুৰি দফীয়া আচনি কাৰ্যকৰী কৰাৰ কাৰণে আমাৰ দেশ খনত ব্যাপক জনমত গঠন কৰাৰ প্ৰয়োজন হৈ পৰিছে ।

সেইকাৰণে অধ্যক্ষ ডাঙৰীয়া এই আঁচনি কাৰ্য্যকৰী কৰিবলৈ যাওঁতে যোৱা সময় চোৱাত ৰাজ্যিক চৰকাৰৰ পক্ষৰ পৰা যিখিনি ব্যৱস্থা লোৱা হৈছে সেইখিনি নিতান্তই প্ৰসংশনীয় । কাৰণ, এই কথা আমি কব লাগিব যে ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশত যেনেকৈ কুৰি দফীয়া আঁচনি কাৰ্যকৰী কৰাৰ কাৰণে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰা হৈছে অসম চৰকাৰেও সেই আঁচনি কাৰ্য্যকৰীৰ কাৰণে যথেষ্টখিনি ব্যৱস্থা হাতত লৈছে । ৰাজ্যপালৰ ভাষণত ভূমিসংস্কাৰৰ ক্ষেত্ৰত এটা অগ্ৰগতিৰ কথা উল্লেখ কৰিছে যে সেই সময়ছোৱাৰ ভিতৰত চিলিঙৰ উদবৃত্ত মাটি ৪ লক্ষ ৮৭ হেজাৰ বিঘা মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে আৰু তাৰ ভিতৰত ২ লক্ষ ২২ হেজাৰ বিঘা মাটি বিতৰণ কৰা হৈছে। এই সময়ছোৱাৰ ভিতৰতেই ৮ হেজাৰ পৰিয়ালৰ যিবিলাকৰ ঘৰৰ ভেটি নাই তেওঁলোককো ভেটি দি বৰ কাৰণে মাটি দিয়া হৈছে। জৰুৰী কালীন অৱস্থা ঘোষণা কৰাৰ পিচত আমাৰ ৰাজ্যখনৰ ভূমি সংস্কাৰৰ ক্ষেত্ৰত নিতান্তই ই এটা প্ৰশসনীয় অগ্ৰগতি।

অধ্যক্ষ ডাঙৰীয়া, লগে লগে এই কথাও আমি চাব লাগিব যে এই সময় ছোৱাৰ ভিতৰত যিখিনি চিলিঙৰ উদ্‌বৃত্ত মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে সি যথেষ্ট নহয়। যিমানখিনি উদ্‌বৃত্ত মাটি আমাৰ ৰাজ্যখনত আছিল, সেই গোটেই উদ্‌বৃত্ত মাটি চৰকাৰে অধিগ্ৰহণ কৰাৰ সক্ষম হৈছে নে নাই? বা যি ৪ লক্ষ ৮৭ হেজাৰ বিঘা মাটি অধিগ্ৰহণ কৰি তাৰ ভিতৰত শতকৰা ৫০ ভাগ মাটি ইতিমধ্যে বন্টন কৰিব পাৰিছে। সেই কাৰণে এই ক্ষেত্ৰতো এই কথা নিবেদন কৰিব বিচাৰিছো যে যি গতিত ব্যৱস্থা লোৱা হৈছে সেই ব্যৱস্থা নিতান্তই প্ৰশংসনীয়। কিন্তু লগতে এটা কথা আমি মনত ৰাখিব লাগিব যে আঁচনি কাৰ্য্যকৰী কৰাৰ কাৰণে আৰু বেছি খৰতকীয়া ব্যৱস্থা লোৱা প্ৰয়োজন হৈ পৰিছে। কাৰণ, অধ্যক্ষ ডাঙৰীয়া, আমি এই কথা পাহৰি যাব নোৱাৰো যে আমাৰ দেশত জৰুৰী কালীন অৱস্থা ঘোষণা কৰাৰ সময়ত জনসাধাৰণৰ মাজত যিখিনি প্ৰেৰণা আৰু যিখিনি আশাৰ সঞ্চাৰ হৈছিল ই চিৰকাল থাকিব বুলি ভাবি থকাটো উচিত নহয়। ১৯৭১ চনত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে যেতিয়া দৰিদ্ৰতা দূৰীকৰণৰ আৱাজ দিছিল সেইখিনি সময়ত মানুহে চৰকাৰক আৰু প্ৰধানমন্ত্ৰী গান্ধীক সমৰ্থন দিছিল। কিন্তু সেই আঁচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণে ১৯৭১-৭২ চনত যিবিলাক লোকে চৰকাৰক বিপুল সমৰ্থন দিছিল সেই লোক সকলে পুনৰ সেই আঁচনি কাৰ্য্যকৰী নকৰাৰ কাৰণে চৰকাৰৰ ওচৰত অসন্তুষ্ট হৈছিল। কিন্তু এই কথাও আজি আমি মনত ৰাখিব লাগিব যে জৰুৰী কালীন আঁচনিৰ প্ৰতি, কুৰি দফীয়া আঁচনিৰ প্ৰতি জনসাধাৰণৰ যি সমৰ্থন বিশেষকৈ দৰিদ্ৰ জনসাধাৰণৰ চৰকাৰৰ নীতিত প্ৰেৰণাৰ সৃষ্টি হৈছিল তাক আমি আৰু আগুৱাই লৈ যাব পাৰিম যদি এই আঁচনি কাৰ্য্যকৰী কৰাৰ কাৰণে আৰু খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিব পাৰো। কেৱল কুৰি দফীয়া আঁচনি আমি গ্ৰহণ কৰি থকাটোৱেই নহয়, এই আঁচনিৰ যি মুল উদ্দেশ্য সেই উদ্দেশ্য সন্মুখত ৰাখি আমি কাম কৰি যাব লাগিব। চৰকাৰক এই কথাও মই নিবেদন কৰিব খুজো যে আজি কেইদিন মানৰ আগতে মুখ্যমন্ত্ৰীয়ে এই সদনত এটা ঘোষণা দিছিল যে যিবিলাক লোকে চৰকাৰী মাটি বা বনাঞ্চলৰ মাটি বেদখল কৰিছে তেওঁলোকক উচ্ছেদ কৰা হব। যিবিলাক লোকে চৰকাৰী মাটি বেদখল কৰিছে তেওঁলোকক উঠাই দিয়াটো অতি স্বাভাৱিক কথা, কিন্তু এইটো কথা আমি বিবেচনা কৰি চাব লাগিব যে যিবিলাক গৰীৱ লোকে আৰু মাটিহীন লোকে এতিয়ালৈকে চৰকাৰৰ পৰা মাটি পোৱা নাই, আৰু চৰকাৰী মাটি বেদখল কৰি আছে সেই সকল লোকৰ কথা চৰকাৰে সহানুভূতিৰে বিবেচনা কৰি চোৱা দৰকাৰ। সেই লোক সকলে যত বেদখল কৰিছে তাতেই মাটি পট্টন দিয়াতো হয়তো সম্ভৱপৰ নহব পাৰে কিন্তু তেওঁলোকৰ প্ৰতি চৰকাৰৰ এটা নৈতিক দায়িত্ব আছে। লগতে এই কথাও আমি জানো যে চৰকাৰৰ কুৰি দফীয়া আঁচনিৰ উদ্দেশ্য হৈছে যি সকল লোকৰ মাটি

নাই আৰু জীৱিকাৰ কোনো উপায় নাই তেওঁলোকক মাটি পট্টন দিয়াতো এই কুৰি দফীয়া আঁচনিৰ ভিতৰত আছিল। সেইকাৰণে মই চৰকাৰক এই কথা নিবেদন কৰিব বিচাৰো যে সেই লোক সকলক উচ্ছেদ কৰিব লগা হলেও এই কথা বিবেচনা কৰি চাব লাগিব যাতে তাৰ ভিতৰত যি সকল মাটি পোৱাৰ যোগ্য সেই সকলক বিকল্প ব্যৱস্থা কৰাৰ আগতেই তেওঁলোকৰ ঘৰ-দুৱাৰ ভঙাৰ ব্যৱস্থা নকৰে যেন। আইনৰ কাৰণে বহুত মানুহক উচ্ছেদ কৰিব লগা হলেও তেওঁলোকৰ বন্দৱস্তীৰ ব্যৱস্থা কৰাটো চৰকাৰৰ নিতান্ত প্ৰয়োজন।

অধ্যক্ষ ডাঙৰীয়া, গাওঁ অঞ্চলৰ, নগৰ অঞ্চলৰ গৃহহীন আৰু ভূমিহীন বলাকক সংস্থাপন কৰাৰ মূল উদ্দেশ্যও এই কুৰি দফীয়া আঁচনিৰ অন্তৰ্গত আছিল। ইতিমধ্যে ৰাজ্যিক চৰকাৰে ৮ হেজাৰৰ লোকক ঘৰৰ ভেটি দিয়াৰ কাৰণে সক্ষম হৈছে, এইটো নিতান্তই প্ৰশংসনীয়। লগে লগে এই কথাও মই নিবেদন কৰিছো যে এই ক্ষেত্ৰত যিমান পৰিমাণে অগ্ৰগতি হব লাগিছিল সিমান অগ্ৰগতি কৰিব পৰা নাই। ৰাজ্যখনত কিমান ভেটিহীন লোকৰ সংখ্যা আছে তাৰ হিচাপ মই নাজানো ৰাজহ বিভাগৰ কাৰণে সেইটো সম্ভৱ হব, কিন্তু বোধ কৰোঁ এতিয়াও শতকৰা ২৫ জন লোকক ভেটি দিয়াৰ কাৰণে চৰকাৰ সক্ষম হোৱা নাই। এই কথা মই কোৱা নাই যে ৬ মাহ নাইবা ৮ মাহৰ ভিতৰতে ৰাজ্যখনৰ ভেটিহীন মানুহ আছে সকলোকে ভেটি দিব পাৰিম। কিন্তু এই কথা মই নিবেদন কৰিব বিচাৰো যে আমাৰ ভেটিহীন লোক সকলক সংস্থাপন কৰাৰ কাৰণে সময় স্থিৰ কৰিব লাগে। ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে যে" যিমানখিনি উৎপাদিত মাটি অধি গ্ৰহণ কৰা হল আগষ্ট মাহৰ ভিতৰত বিতৰণ কৰি শেষ কৰিব পৰা যাব। আৰু ঠিক তেনেকৈয়ে আমাৰ ৰাজ্যখনত যিবিলাক ভূমিহীন লোক আছে, গাওঁ অঞ্চলৰেই হওক বা নগৰ অঞ্চলৰেই হওক সেই সকলক ভেটি দি সংস্থাপন কৰাৰ কাৰণে এক নিৰ্দিষ্ট লক্ষ চৰকাৰে ঠিক কৰা দৰকাৰ।

অধ্যক্ষ ডাঙৰীয়া, অলপতে এখন বাতৰি কাকতত এটা বাতৰি দেখা পালো বিশেষকৈ নগৰ অঞ্চলৰ যিবিলাক মানুহৰ ঘৰৰ ভেটি নাই বা নিজস্ব ঘৰ-দুৱাৰ নাই, সেই সকলৰ অৱস্থা চৰকাৰে সহানুভূতিৰে বিবেচনা কৰা দৰকাৰ। সেইকাৰণে কুৰি দফীয়া অৰ্থনৈতিক আঁচনি কাৰ্য্যকৰী কৰাৰ কাৰণে নগৰ অঞ্চলৰ যি অতিৰিক্ত মাটি চৰকাৰে নিজৰ হাতলৈ আনি মাটিহীন লোকক সংস্থাপন কৰাৰ কাৰণে স্থিৰ কৰা হৈছে। এই কথা চাৰ্ভে কৰিছিল নেচনেল কাউন্সিল ফৰ ইকনমিক ৰিচাৰ্চ তেওঁলোকে কৈছে যে আমাৰ গোটেই ভাৰতবৰ্ষৰ চাৰ্ভে মতে

The National Council for Applied Economic Research has

estimated that 85% of the country's urban population has a family income of less than Rs. 350/ a month; 8% come within the income category of Rs. 350/- and Rs. 600; 6% in the economic category of Rs. 600 and Rs. 1500/-, and only 1% above that ......

গতিকে এই চাৰ্ভেমতে এটা কথা দেখা যায় যে আমাৰ দেশখনৰ নগৰ অঞ্চলত যিবিলাক মানুহে বাস কৰে সেই বিলাকৰ প্ৰায় ৯০ ভাগৰ উপাৰ্জন হৈছে ৩ শ টকাৰ কম। গতিকে, এই লোকসকলক নগৰাঞ্চল তেওঁলোকক ঘৰৰ ভেটি দি সংস্থাপন কৰাৰ কাৰণে যি আঁচনি ঘোষণা কৰা হৈছিল সেই আঁচনি কাৰ্য্যকৰী কৰাৰ কাৰণে আমাৰ ৰাজ্যখনত এটা খৰতকীয়া ব্যৱস্থা লব বুলি মই চৰকাৰক অনুৰোধ জনাইছো।

গতিকে এই লোকসকলক নগৰাঞ্চলত খালি ভেটিত সংস্থাপন দিবৰ কাৰণে যি আচনি ঘোষণা কৰিছিল সেই আচনি কাৰ্যাকৰী কৰিবৰ কাৰণে ৰাজ্যখনত এটা খৰতকীয়া ব্যৱস্থা লব বুলি মই চৰকাৰৰ ওচৰত আশা কৰিছো। অধ্যক্ষ মহোদয়, জৰুৰী কালীন অৱস্থা ঘোষণা কৰি দিয়াৰ আগতে যি বিলাকে ইয়াৰ বিৰোধীতা কৰিছিল এতিয়াও সেই বিলাক লোকেই বাধাৰ সৃষ্টী কৰিব। আমাৰ মাননীয় সদস্য সকলে এটা সংশোধনী উৎথাপন কৰিছে আৰু সেই সংশোধনীত অংশ গ্ৰহণ কৰিবলৈ গৈ: কালি কেইবাজনো মাননীয় সদস্যই মৌলিক অধিকাৰ বিলাকৰ কথা কৈছে। মৌলিক অধিকাৰ ৰক্ষা কৰিব লাগিব সচা। কিন্তু এই থিনিতে এটা প্ৰশ্ন আছে যে, আমাৰ দেশৰ দৰিদ্ৰ লোকসকলৰ যাৰ অৰ্থনৈতিক অৱস্থা একেবাৰেই বেয়া সেই সকল লোকৰো মৌলিক অধিকাৰ ৰক্ষা কৰাটো কৰ্ত্তব্য নহয়নে? তাকে কৰিবলৈ যাওতে আমি এইটো কথা বিশ্বাস নকৰো যে, আমি পুজিবাদীৰ মৌলিক অধিকাৰ ৰক্ষা কৰিম, জমিদাৰ বিলাকৰ মৌলিক অধিকাৰ ৰক্ষা কৰিম আৰু তাৰ লগে লগে শ্ৰমিক গৰীব সকলৰো মৌলিক অধিকাৰ ৰক্ষা কৰিম এই সকলো বিলাক সমানে চলিব কেতিয়াও নোৱাৰে। সেইকাৰণেই এই কথাটো বহুতেই কয় যে আমাৰ দেশখনৰ উন্নতি হলেই হল। তাত আদৰ্শৰ কোনো কথা নাই। জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ আগতে প্ৰতিক্ৰিয়াশীল শক্তি বিলাকে একে শ্লোগান দিছিল। তেওঁলোকে কৈছিল যে, প্ৰগতিশীল নীতি গ্ৰহণ কৰিলে কি হব? আদৰ্শৰ কোনো কথা নাই। দেশখন উন্নতি হলেই হল। কিন্তু এখন দেশ ৰাজনৈতিক উদ্দেশ্য বাদ দি কেতিয়াও থাকিব নোৱাৰে। আজি ২০ দফীয়া আচঁনি কাৰ্যকৰী কৰিবলৈ যাওঁতেও এটা নিৰ্দিষ্ট লক্ষ আছে। বহুতো লোকে কব খোজে যে দক্ষিণ বাম বুলি কোনো কথা নাই। তেওঁলোকে ২০ দফীয়া আচনি মানে বহুতে গছপুলি ৰোৱা, ফেমেলি প্লেনিং কৰা বুলি কব খোজে। যদি ২০ দফীয়া আচনি মানে তাকে কব

খোজে তেতিয়াহলে, সেই সকলোকে এই আচনি বাঞ্চান কৰিবলৈ চেষ্টা কৰাৰ বাহিৰে আন আৰু কি হব ? লগতে আমি এই কথাটোও লক্ষ ৰাখিব লাগিব যে, যি সকল লোকৰ কাৰণে আজি জৰুৰীকালীন অৱস্থা ঘোষণা কৰিব লগা হল সেই সকল লোক কি আজি মনে মনেই আছেনেকি ? আৰ, এচ, এচ আনন্দমাৰ্গ ক বে-আইনী বুলি ঘোষণা কৰা হল যদিও এই বিলাকৰ মূল কৰ্ম্মী বিলাকক পুলিচে এতিয়াও গ্ৰেপ্তাৰ কৰিব পৰা নাই । এই কথাটো সত্য নহয়নে ? আমাৰ ৰাজ্যত এই লোক সকল এতিয়াও সক্ৰীও হৈ আছে আৰু সেই কাৰণেই আৰ, এচ, এচৰ কৰ্ম্মীয়ে 'চাইক্লোষ্টাইল কৰি' লিফলেট আদি প্ৰকাশ কৰে । যাৰ বিৰুদ্ধেই এই জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছিল সেই অৱস্থাতো আজি কিয় সেই সকলক চৰকাৰে গ্ৰেপ্তাৰ কৰিব পৰা নাই ? এমাহৰ আগতেও ডেপুটি-কমিশ্বনাৰৰ কৰ্টৰ আগত বিক্ষোভ প্ৰদৰ্শন কৰিছিল । এই বিলাক ক্ষেত্ৰত কিন্তু আমাৰ চৰকাৰৰ পুলিচ বিভাগটোৱে তত্‌পৰতা দেখুৱাব পৰা নাই । কিন্তু যেতিয়া ৰায়ত আৰু মালিকৰ মাজত কেছ লাগে তেতিয়া পুলিচে মালিকৰ সাপক্ষ্যে বিশেষ তত্‌পৰতা দেখুৱায় । মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদেও গোৱালপাৰাত তেনেকুৱা এটা মাহত ৰায়তৰ মাটিৰ পৰা উচ্ছেদ কৰি মহাজনক মাটি দিয়াৰ ক্ষেত্ৰত পুলিচে দেখুউৱা তত্‌পৰতাৰ কথা উল্লেখ কৰিছে । গতিকে প্ৰতিক্ৰিয়াশীল মাটিৰ বিৰুদ্ধে তত্‌কালীন ব্যৱস্থাৰে কাম কৰিবলৈ চৰকাৰৰ ওচৰত নিবেদন কৰিছোঁ ।

মাননীয় অধ্যক্ষ : আপুনি শেষ কৰক ।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : মই আৰু অলপ কৈয়েই সামৰণী মাৰিম । ২০ দফীয়া আচঁনি কাৰ্য্যকৰী কৰিবলৈ থাওঁতে আমোলাতান্ত্ৰিকতাৰ ওপৰত নিৰ্ভৰ কৰিলে নহব । এই ২০ দফীয়া আচনি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত দেশৰ বিভিন্ন স্তৰত জনসাধাৰণৰ সহায় সহযোগ লোৱাৰ কাৰণে কিছুমান জনপ্ৰিয় কমিটি গঠন কৰিব লাগিব । অৱশ্যে ইতিমধ্যেই চৰকাৰে তেনেকুৱা কিছুমান জনপ্ৰিয় কমিটি ঠায়ে ঠায়ে গঠন কৰিছেই । এই কমিটি বিলাক গঠন কৰোতে এই কথাটো মনত ৰাখিব লাগিব যে, যি সকল লোকে এই ২০ দফীয়া অৰ্থ নৈতিক আচনি কাৰ্য্যকৰী হোৱাটো কামনা কৰে তেনে সকল লোকক হে এই বিলাক জনপ্ৰিয় কমিটিত অন্তৰ্ভূক্ত কৰিব লাগে । কিয়নো আমি ইতিমধ্যেই দেখা পাইছো যে, ভুমি-সংস্কাৰৰ যি কমিটি গঠন কৰি দিয়া হৈছে তাত ৰায়ত সকলৰ বিৰুদ্ধে গোচৰ তৰা লোককো লোৱা হৈছে । সেইকাৰণেই মই কৈছো যে, যি সকল লোকে প্ৰধান মন্ত্ৰীৰ এই ২০ দফীয়া আচনি সমৰ্থন কৰিছে তেনে লোককেই বা দলক জনপ্ৰিয় কমিটি বিলাকত সোমাৱাই লোৱাৰ কাৰণে নিবেদন কৰি মই মোৰ মন্তব্য শেষ কৰিলোঁ ।

* শ্ৰীলক্ষীকান্ত শইকীয়া : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱৰ সমৰ্থনত কেইটামান কথা কব খুজিছো । অৱশ্যে সেই প্ৰস্তাৱৰ সংশোধনী দাঙি ধৰি কেইজনমান মাননীয় সদস্যই কিছুমান অভিযোগ কৰিছে যে ৰাজ্যপালৰ ভাষণত যি বিলাক সমস্যাৰ কথা উল্লেখ হব লাগিছিল সেই আটাইবিলাকৰ ছবি ডাঙি ধৰিব পৰা নাই । উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল ভাষণত যদিও ৰাজ্যিক চৰকাৰৰ কাম কাজৰ এটা বছৰেকীয়া খতিয়ান কিন্তু কোনো সমস্যা বা কামৰ আচনিৰ তালিকা নহব । ই মাত্ৰ ডাঙৰ ডাঙৰ সমস্যা আৰু তাৰ সমাধানৰ আৰু অন্যান্য উন্নয়নমূলক কামৰ এটা সাম্যক আভাষ দিয়াৰ কথাহে ৰাজ্যপালৰ ভাষণৰ উদ্দেশ্য । আমি আশা কৰিছো আৰু আমি দেখিবলৈ পাইছো যে তেনেকুৱা ফালৰ পৰা যি ছবি ধৰিছে তাত ৰাজ্যপালৰ ভাষণ সঁচাকৈ কৃতকাৰ্য্য হৈছে সেই কাৰণে ৰাজ্যপাল মহোদয় আমাৰ ধন্যবাদৰ পাত্ৰ ।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত তেখেতে ঠিকেই উল্লেখ কৰিছে যে যোৱা বছৰটো এটা প্ৰত্যাহ্বানৰ বছৰ আছিল । যোৱা বছৰটো কি কাৰণত প্ৰত্যাহ্বানৰ বছৰ আছিল সেই বিলাক কথা এই সদনত এতিমধ্যে আলোচনা কৰা হৈছে মই আকৌ আলোচনা কৰি দীঘলীয়া কৰিব নোখোজো কিন্তু যোৱা বছৰটোত এনে কিছুমান প্ৰতিক্ৰিয়াশীল শক্তিয়ে একত্ৰিত হৈ ১৯৬৯ চনৰ কংগ্ৰেছ বিভাজনৰ পিচৰে পৰাই কাম কৰি আহিছিল আৰু ৰাজ্যত লোৱা প্ৰগতিমূলক আঁচনি সমূহৰ কাৰ্য্যকাৰীকৰণত বাধা দি আহিছিল কিন্তু তাৰ পিচত এই বিভাজিত কংগ্ৰেছ দলেই ইন্দিৰা গান্ধীৰ নেতৃত্বত ~~ৰাইজক প্ৰতিনিধিত্ব কৰিবলৈ ১৯৭১ চনত ৰাইজৰ~~ ৰায় বিচাৰি নিৰ্ব্বাচনৰ সন্মুখীন হৈছিল আৰু তেতিয়াও ৰাইজৰ ফালৰ পৰা কংগ্ৰেছকেই দেশৰ শাসনভাৰ চলাবলৈ ৰাইজে ৰায় দিয়া কথা আমি সকলোৱে জানো । আৰু তেতিয়াৰে পৰা আমাৰ সন্মানিত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে গৰীবি হতাও ঘোষনা কৰিছিল আৰু সেই উদ্দেশ্যত ফলৱতী হবলৈ সেই অনুৰূপে কাৰ্য্যকৰী আঁচনি হাতত লৈছিল আৰু কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে সেই আচনি অনুসৰি কাম কাজ চলাই যাবৰৈ আপ্ৰাণ চেষ্টা চলাই আহিছিল । কিন্তু সেই প্ৰগতিমূলক আচনি বিলাক জনসাধাৰণৰ উন্নতিৰ কাৰণে লোৱা আঁচনিসমূহ বাঞ্চাল কৰিবৰ কাৰণে প্ৰতিক্ৰিয়াশীল শক্তি সমূহে একত্ৰিত শক্তিয়ে নিজ স্বাৰ্থৰ কাৰণে দেশৰ সমূহীয়া স্বাৰ্থত আঘাট হানি দেশত এক অৰাজকতাৰ সৃষ্টি কৰিবলৈ উঠিপৰি লাগিছিল । সেই ধৰণৰ কথা হল দুৰ্ব্বল সকলৰ ওপৰত সবলীৰ অত্যাচাৰ চলাৰ দৰে নিত্য নিয়মিত কথা । কিন্তু আমাৰ সন্মানীত ইন্দিৰা গান্ধীয়ে সেই প্ৰত্যাহ্বানৰ পৰা ৰক্ষা পাবলৈ গনতন্ত্ৰ যাতে প্ৰতিক্ৰিয়াশীল

*Speech not corrected

শক্তিৰ একত্ৰিত আক্ৰমণত অপমৃত্যু নহয় তাৰ কাৰণে আৰু জনসাধাৰণ যাতে আগবঢ়াই নিয়াৰ কাৰণে হাতত লোৱা আঁচনিসমূহ কৃতকাৰ্য্য কৰিব পৰা হয় তাৰ কাৰণে দেশত ১৯৭১ চনৰ নিৰ্ব্বাচনৰ সময়ত জনসাধৰণৰ ওপৰত যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতিৰ মূল্য দি জনসাধাৰণৰ কল্যাণৰ কাৰণে লোৱা আঁচনিসমূহ ৰূপায়িত কৰিবলৈ সৌ সিদিনা হৈ থকা নানান ধৰণৰ আন্দোলন, হৰতাল আদি বন্ধ কৰি বিভেদগামী শক্তি সমূহৰ গোট ভাঙি দেশৰ কল্যাণৰ অৰ্থে লোৱা উন্নত আচনিসমূহ বাস্তৱত ৰূপায়িত কৰিবলৈ যোৱা ২৬ জুনৰ দিনাখন জৰুৰীকালীন অৱস্থা ঘোষণা কৰিলে আৰু একতিত্ৰ শক্তিসমূহৰ যি প্ৰচেষ্টা আৰু যি প্ৰত্যাহ্বান সেই প্ৰচেষ্টা ব্যৰ্থ কৰি দিলে আৰু প্ৰত্যাহ্বান মানি লৈ সুস্থিৰ ভাৱে কাম কাজ চলোৱাৰ ব্যৱস্থা কৰিলে আৰু তাৰ লগে লগে প্ৰগতিমূলক আচনি গ্ৰহণ কৰাৰ লগতে সৰ্ব্বতোপ্ৰকাৰ উন্নতি কাৰণে কুৰিদফীয়া অৰ্থনৈতিক আঁচনি ঘোষণা কৰি কাৰ্য্যক্ষেত্ৰত তাৰ ৰূপায়নৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্যিক চৰকাৰ সমূহক খৰতকীয়া ব্যৱস্থা লোৱাৰ নিৰ্দ্দেশ দিলে।

অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে লগতে এইটো কথাও উল্লেখ কৰিছে যে এই বছৰটো এটা সাফল্যৰ বছৰ আৰু এই দশকটোৱেই এটা সাফল্য দশক। এইটো কথা এই কাৰণে উল্লেখ কৰিছে যে এই কথাটো প্ৰতিয়মান হৈছে যে যিবোৰ কথা জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত লোৱা হৈছে সেই বিলাক প্ৰায় ভাগেই সাফল্যৰ পথত। বিভেদকামী শক্তিসমুহে একত্ৰিত ষড়যন্ত্ৰক ওফোৰাই সেই সাফল্যৰ আচনি বিলাক চলাই যাব পৰা হৈছে। আজি গাওঁলৈ গলেই সেই কথা গম পোৱা যায়। প্ৰত্যেক গাওঁতে আজি সেই একেই কথা যে এই জৰুৰীকালীন অৱস্থা আৰু কিছুদিন আগতে ঘোষণা কৰিব লাগিছিল। আজি নিৰক্ষৰ জনসাধাৰণেও এটা শান্তিৰ আৰু আশাৰ হুমুনিয়াহ পেলাব পাৰিছে। সেই ফালৰ পৰা ৰাজ্যপালৰ ভাষণত সাফল্যৰ বছৰ বুলি কৰা উল্লেখ ঠিক হৈছে। আমাৰ ৰাজ্যখনত হাতত লোৱা কল্যানমূলক আচনি বিলাক বাঞ্চাল কৰিবৰ কাৰণে ৰাজ্যখনত হৰতাল, ধৰ্ম্মঘট আদি হৈ আছিল সেই বিলাক অৱশ্যে ইয়াৰ কাৰণে সেই শক্তি সমূহে যে অশান্তি পাইছে সেইটো সচা। তাৰ কাৰণে আমাৰ ফালৰ পৰা আৰু বেছি সজাগ আৰু সচেতন হৈ থাকিব লাগিব যাতে ভৱিষ্যতে আৰু এই শক্তি বিলাকে মূৰ দাঙি আকৌ এনে কোনো অৱস্থাৰ সৃষ্টি কৰিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, ইয়াৰোপৰি আমাৰ ৰাজ্যৰ লগত সীমান্তবৰ্ত্তী ৰাজ্যখনৰ যি সীমা বিবাদ আছিল সেই সীমাবিবাদো বৰ্ত্তমান শেষ হৈ আহিছে। আৰু ইয়াৰ কাৰণে মূখ্যমন্ত্ৰী মহোদয়ক মই অভিনন্দন জনাইছো আৰু আশা ৰাখিছো বাকী থকা সীমান্তবৰ্ত্তি ৰাজ্যৰ লগতো সীমা বিবাদ অতি শীঘ্ৰেই সমাধান হব। ইয়াৰোপৰি আমাৰ প্ৰশাসনীয় ক্ষেত্ৰতো বৰ্ত্তমানৰ জৰুৰী অৱস্থাই বহুত খিনি প্ৰভাৱ পেলাইছে। এই উল্লেখযোগ্য

পৰিবৰ্ত্তনৰ কাৰণে ৰাজ্যৰ প্ৰশাসনীয় কাম কাজ অতি নিয়াৰিকৈ চলি আছে। ইও নিশ্চয় গৌৰৱৰ বিষয়। লগতে এইটো চাবলাগিব যাতে এতিয়া জৰুৰী অৱস্থা ঘোষণা কৰাৰ ঠিক পিচতেই যেনে ধৰণৰ অনুশাসন আৰু পৰিবেশন সৃষ্টি হৈছিল এতিয়া যেন ঠিক তেনেকুৱা ভাৱে চলা নাই আৰু যেন অকণমান শিথিল হৈ ক্ৰমাত আগৰ অৱস্থা লব নোৱাৰে, তাৰ কাৰণে তৎপৰ হৈ কাৰ্য্যালয় আদিৰ কাম কাজ সঘনে পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰি থাকিব লাগে। তেতিয়াহে বৰ্ত্তমানৰ পৰিস্থিতি আৰু পৰিবেশ বৰ্ত্তি থাকিব বুলি মোৰ বিশ্বাস। জৰুৰীকালীন অৱস্থাৰ ফলত যি আনন্দৰ পৰিবেশ সৃষ্টি হৈছে সি যেন আকৌ আগৰ দৰে নিৰানন্দৰ অৱস্থাৰ ৰূপ লব নোৱাৰে তাৰ কাৰণে আমি সকলোৱে সজাগ আৰু সচেতন হৈ থাকিব লাগিব আৰু আমাৰ যি উদ্দেশ্য সেই উদ্দেশ্য ফলৱতী কৰিবলৈ আগবাঢ়ি যাব লাগিব।

উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান জৰুৰীকালীন অৱস্থাৰ পৰিপেক্ষিতত প্ৰতিক্ৰিয়াশীল শক্তিৰ একত্ৰিত প্ৰচেষ্টাক ব্যৰ্থ কৰি দিয়াৰ লগতে আমাৰ সন্মানিত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে যি কুৰিদফীয়া অৰ্থ নৈতিক আচনি ঘোষণা কৰিছে তাৰ ওপৰত বিৰোধী পক্ষৰ পৰা কেইবাজনা মাননীয় সদস্যই বিভিন্ন ধৰণৰ অভিযোগ আনিছে। মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই কৈছে যে পৰিয়াল পৰিকল্পনাৰ আচনি কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰাই মূল লক্ষ্য লৈছে। কিন্তু আচলতে সেইটো নহয়। এই আচনিসমূহৰ দ্বাৰা ৰাইজৰ তথা দেশৰ মঙ্গলজনক কাম বিলাক কেনেকৈ আগুৱাই লৈ যাব পাৰি সেইটোহে চেষ্টা কৰা হৈছে। এই সদনতে সন্মানিত সদস্য মাননীয় ভট্টাচাৰ্য্য ডাঙৰীয়াই বক্তৃতা প্ৰসঙ্গত কৈছে যে বৰ্ত্তমান প্ৰধান মন্ত্ৰীয়ে ঘোষনা কৰা এই কুৰি দফীয়া আচনি বহু বছৰ আগতে প্ৰস্তুত কৰা কমিউনিষ্ট পাৰ্টিৰ মেনিফেষ্টত আছে। গতিকে ইয়াৰে পৰা বুজা যায় যে বৰ্ত্তমান প্ৰধান মন্ত্ৰীয়ে একো এটা নতুন কথা অৱতাৰণা কৰা নাই। দেশত সচাকৈ সমাজবাদ প্ৰতিস্থা কৰিবলৈ আৰু সেইমতে কাৰ্য্যসূচী ৰূপায়িত কৰিবলৈহে এই কুৰিদফীয়া আচনি ঘোষণা কৰিছে। সেই কাৰণে মই আশা কৰো এই আচনি ৰূপায়িত কৰিবলৈ আমি সকলোৱে সজাগ আৰু সচেতন হৈ থকা উচিত হব। অৱশ্যে অসম ৰাজ্যৰ ক্ষেত্ৰত অন্ততঃ পক্ষে চাৰিটা কথাত আমি যে সফলকামী হৈছে সেইটো মনকৰিবলগীয়া। ৰাজহুৱা বিতৰণৰ ব্যৱস্থা প্ৰথম অসমতেই লোৱা হৈছিল আৰু তেতিয়া সকলো ফালৰ পৰা বিৰোধ কৰা হৈছিল কিন্তু এতিয়া দেখা গৈছে এই ব্যৱস্থাত অসমতেই সফললাভ কৰা হৈছে। এইটো এটা বিশেষ উল্লেখযোগ্য দিশ। ইয়াৰ উপৰিও ভূমিহীন লোকসকলৰ মাজত ভূমি বিতৰণ।

মাননীয় অধ্যক্ষ : অপুনি শেষ কৰক।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মই শেষ কৰি আহিছো। ভূমি বিতৰণ আৰু ছাত্ৰ

ছাত্ৰীৰ মাজত পাঠ্য পুথিৰ যোগান আৰু ছাত্ৰাবাসত খাদ্য সম্ভাৰ যোগান ধৰাৰ ব্যৱস্থা কৰিছে। এই কথা বিলাকো কুৰিদফীয়া আচনিৰ অন্তৰ্গত। আকৌ দুখীয়া জনসাধাৰণৰ ঋণমুক্তি ব্যৱস্থা চৰকাৰে কৰিছে।

শ্ৰীকবীৰ ৰায়প্ৰধানী : মাননীয় সদস্যই কৈছে যে বহুতো ছাত্ৰাবাসত খাদ্য সম্ভাৰৰ যোগান ব্যৱস্থা চৰকাৰে কৰিছে। মই জানিব পাৰোনে কোনে কোন হোষ্টেল এই ব্যৱস্থা কৰিছে ?

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মাননীয় সদস্যই নিজে সেইটো বিবেচনা কৰি লব। আজি জৰুৰী কালীন অৱস্থাত যিবিলাক কাৰ্য্যসূচী চৰকাৰে লৈছে তাৰ ভিতৰত অসম ৰাজ্যৰ যিবিলাক সমস্যাৰ সমাধান হবলৈ বাকী আছে সেইবিলাকৰ খৰটকীয়া সমাধান যাতে হয় তাৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পিচত অস্থায়ী ৰাজধানী স্থায়ীকৰণৰ সম্পৰ্কে যি সিদ্ধান্ত লবলগা হৈ আছে সেই সিদ্ধান্ত যাতে এই জৰুৰী কালীন অৱস্থাৰ কাল চোৱাতে চৰকাৰে লয় তাৰ কাৰণে মই দৃষ্টিআকৰ্ষণ কৰিলো।

মাননীয় উপাধ্যক্ষ : আপোনাৰ সময় শেষ হ'ল।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : উপাধ্যক্ষ মহোদয় মই শেষ কৰিছো। ব্ৰহ্মপুত্ৰ নদীৰ নিয়ন্ত্ৰণৰ যি আচনি লোৱা হৈছিল—সেই আচনি কেন্দ্ৰীয় চৰকাৰে কাৰ্য্যকৰী কৰিব পৰা নাই। সেই কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যেন আমাৰ চৰকাৰে এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত পুনৰ যোগা যোগ কৰিব। ইয়াৰ লগত মই এই কথাও চৰকাৰলৈ অনুৰোধ জনাও যেন জিলা সম্পৰ্কত যিবিলাক দাবী বিশেষকৈ মঙ্গলদৈৰ যিবিলাক দাবী ৰাইজে কৰিছে সেই দাবী সমূহ যাতে এই জৰুৰীকালীন অৱস্থাতে খৰটকীয়া ভাবে পুৰণ কৰিব বুলি আশা কৰিলো। ইয়াকে কৈ মই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Nurul Islam : Mr Deputy Speaker, Sir, in supporting the motion moved by my friend Shri Pandit and opposing the amen – dment moved by some of my friends from the opposition. I extend my heartiest thanks to the Governor for delivering a most/befitting speech on the floor of this august House. Sir, in this House some

of my hon'ble freinds from the Opposition side have given an anti thesis on the emergency and some of my hon'ble friends from the Treasury bench have given thesis on the emergency. So the duty left to me is to give a synthesis on the emergency.

Mr. Deputy Speaker, Sir, most respected & hon'ble member Shri Gaurisankar Bhattacharyya has rightly observed that the security and freedom are two most co-related and inter-dependent things. Sir, we all know under what compelling circumstances the emergency was declared in the country. Freedom does not mean to do anything and everything one likes even endangering the rights and freedom of others. Similarly Sir, freedom of expression and freedom of movement also should be exercised in such a way that it should not infringe the Constitutionally guaranteed rights of others. But Sir, what happened prior to declaration of emergency in the country ? Sir, there are certain disprutive political parties of our country in collusion with some fascist elements, both from inside and outside the country being infuriated, rather frustrated on the colossal victory achieved in the last Lok Sabha election in 1971 and in the Assembly poll in 1972, started violent agitation, movement and anti-Government campaign against the present regime and ultimately they have launched a strong & violent movement all over the country against this present democratic set up As a result of this democratically elected Government of Gujrat has been forcibly pulled down and the Government of Bihar was completely paralysed. Not only that, there was even calls to Army and Police to defy the authority of the country and there by to let loose anarchy in the country. There were instigations to the professors, teachers, students, workers of factories to go on indefinite strike even at the cost of the economic prospertiy of the country. Sir, under these circumstances the national Government was compelled to declare emergency to save the country from complete devastation. Sir, this is not all. These disruptive forces even took laws of the country into their own hands and killed

the valuable life of L.N. Misra, the then Minister, Railway. Now Sir, I like to ask my hon'ble friends whether these were done in pursuance of the constitutionally guaranteed right of the citizens; whether these were in fact done for the progress and economic prosperity of the country; whether this was done to save the democracy and whether this was done keeping an eye on the security and well-being of the country and the citizens of the country. If not, if the answer is in the negative, should I not say Sir, the emergency was rightly declared and it was justified? And should I not congratulate our beloved leader Shrimati Indira Gandhi for timely declaring the emergency in the country to save the nation from devastation? Sir, had there been no emergency in time I am sure, India would have met the same fate as did Bangladesh. Sir, our Government is endeavouring to-day, it is trying its level best, to build a happy health & prosperous nation. Sir, individual freedom, individual liberty should be dashed to the ground when the question of the security and economic prosperity of the country is involved. Not only this, along with emergency comes the action oriented 20 points programme declared by the Prime Minister. Mr. Bhattacharyya has observed that there is nothing new in this 20- points programme; he learned it long back from the Communist menifesto of the year 1848 as far as I remember. I bow down to his wisdom. He simply learned it. But what our Govt. did? It has gone a step further, that it has started implementing the 20-point programme in the life of the Nation. I leave the matter to you to decide, Sir, who is more progressive and who is a hypocrite. In implementing the 20 point programme, our Govt. has taken many progressive legislations and undertaken many schemes. In respect of procurement and distribution of essential goods the Govt. has achieved success at least to eliminate the middle class businessmen who have been sucking the blood of the poor so long. Sir, to help the down trodden people of our country, or the State which

consists of 91% of our total population, lotis of Govt. institutions like Commercial Banks, or nationalised banks, Agriculture Refinance Corporation, National Co-operative Development Corporation have come forward to extend their real help. Sir, I like to submit one thing, that these institutions have got their own practice and procedure in extending their help to the common people. Sir, moreover our Govt. has constituted Gaon Sabha level society to extend help to the agriculturists. But Sir, these common people are not well conversant with the everyday changing and most modern procedures to be adopted or to be followed in getting the readymade help from these institutions. So Sir, in this respect, I would like to make few suggestions to the Govt. with the hope & belief that the Govt. will surely look into it. Sir, regarding the implementation of 20 point programme, I would like to say that the partisan treatment to some classes of people & to certain areas in implementing the programme should be avoided and I would request the Govt. to speed up the implentation of the programme with waitage to all places and all class of people irrespctive of caste caste etc. I request the Govt. to speed up the work and to make certain provision against those who will try to sabotage the implementation of this 20 point programme, I would request the Govt. to immediately reshuffle and reform the administration. Then Sir, I would like to suggest that to apprise the Gaon Sabha level society & our rural people, with the practice & procedures of these institutions a district level team should be constituted with the Deputy Commissioner or Sub-divisional Officer, Dist Agricultural Officer Asstt. Register of Co-operative Societies or Dy. Register of Co-operative Societies, the Industries Officer, Block Development Officer and the local Sub Deputy Collector & an Executive Officer of the Banks which are operating in the Dist. who can give Executive Direction to Branch Manager of the Banks. They should apprise the rural people regarding the

rules and procedure to be adopted in getting the help from these financial institutions at least monthly once. Sir, lastly I would like to suggest that the implementation of the Housing scheme has practically become stand still though a figure has been shown that 60,000 people were provided with housing benefit. This should be speed up and benefit should be given to all categories of people. The implementation of these programmes should not be confined to any particular class of people or place because the poverty is not confined to any particular class of people or place but it parvades the whole society & the country if it is not done then ultimately I am afraid it may spoil the very purpose of the programme. With these few words, I would like to conclude the speech and before concluding the speech I thank you Sir.

শ্ৰীৰমেশ মোহন কুলী : উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰি কেইটামান কথা আলোচনা কৰিবলৈ আগবাঢ়িছো।

উপাধ্যক্ষ : আপোনাৰ সময় ১৭ মিনিট, তাতকৈ যাতে বেছি নহয়।

শ্ৰীৰমেশ মোহন কুলী : ৰাজ্যপালৰ ভ্যষণথনৰ সকলো কথাই পঢ়িলো আৰু সকলোবিলাক কথা সন্নিবিষ্ট কৰা বুলি কৈছে কিন্তু মোৰ সন্দেহ হয়। ৰাজ্যপালৰ ভাষণৰ থূলমূল কথা হল জৰুৰী কালীন অৱস্থাৰ ঘোষণা কৰাৰ কেইমাহৰ ভিতৰতে সকলোতে সফলতা লাভ কৰা বুলি কৈছে। অৰ্থাত জৰুৰীকালীন অৱস্থাৰ পৰিপ্ৰেক্ষিতত যি কুৰীদফীয়া আচনি গ্ৰহণ কৰা হৈছে সেই কাৰণ সমূহৰ ভিতৰত বিশেষকৈ পিচপৰা সম্প্ৰদায়ৰ অৰ্থনীতিত যিটো দিশ, দৰিদ্ৰ জনতাৰ অৰ্থ নৈতিক পৰিবৰ্ত্তন আদিয়ে আমি জানো অন্য যি ৰাজনৈতিক কাৰণ নাথাকক। এই আচনি লোৱাৰ পিচত আমি কিমানখিনি আগবাঢ়িছো সেইটো বিশ্লেষণ কৰিবলগীয়া। জৰুৰীকালীন অৱস্থাৰ যোগেদি কোৱা হৈছে যে যিবিলাক প্ৰতিক্ৰিয়াশীল শক্তিয়ে গা কৰি উঠিছে তাৰ অন্বেষণৰ কৰা আৰু অৰ্থ নৈতিক ৰূপায়নৰ কাৰণে য়িখিনি কাম হাতত লোৱা হৈছে তাৰ ভিতৰত ভাৰতবৰ্ষত মিশ্ৰিত অৰ্থনীতি। দেশৰ মিশ্ৰিত অৰ্থনীতিৰ যোগেদি দৰিদ্ৰ জনসাধাৰণক এনেকৈ এমুঠি ধনী শ্ৰেনীৰ মানুহৰ পৰা মুক্ত কৰিব পাৰি এই কথাবিলাক চাবলাগিব। গতিকে এই কথা বিল্লাকলৈ চাই ঘোষণাকৰামতে কিছুমান কথাত এতিয়াও সন্দেহ পূৰ্ণ। জৰুৰীকালীন অৱস্থা আজি কেইমাহমান হল

ঘোষণা কৰা, এইখিনিৰ ভিতৰতে আজি আমাৰ ৰাজ্যত মুখ্যমন্ত্ৰীয়ে কিছুমান কথা উছৰিয়াইছে যে দৰিদ্ৰ জনতা নিষ্পেষণৰ পৰা মুক্ত কৰিবৰ কাৰণে কিছুমান আচনি গ্ৰহণ কৰা হৈছে তাৰ ভিতৰত মাটিহীনক মাটি দিয়া। পিচপৰা সম্প্ৰদায়ৰ লোক সকলৰ কাৰণে কাগজেপত্ৰে বহুত হৈছে যদিও কাৰ্য্যক্ষেত্ৰত একো হোৱা নাই। আজি যিবিলাক দুখীয়া গড়াখহনীয়া বানবিধ্বস্তলোক জনজাতী বা অজনজাতী বা অনুসূচীত জাতি আজিও হেজাৰ বেজাৰ লোক ৰাষ্টাইঘাটে পৰি আছে, সেইবিলাকক বনাঞ্চলৰ পৰা উচ্ছেদ কৰা হৈছে কিন্তু অইন ঠাইত আজিও সুবিধা দিব পৰা নাই। এই ক্ষেত্ৰত মই উল্লেখ কৰিব বিচাৰিছো যে গহপুৰ, জোনাই আদি অঞ্চলৰ যিবিলাক বনাঞ্চলৰ লোক তেওঁলোকক উচ্ছেদ কৰা হৈছে কিন্তু তেওঁলোকক ৰক্ষনা বেক্ষনৰ কোনো ব্যৱস্থা নাই। মুখ্যমন্ত্ৰী মহোদয়ে নিজে কৈছিল যে তেওঁলোকৰ বিকল্প ব্যৱস্থা লোৱা হব কিন্তু তাৰ কোনো ব্যৱস্থা কৰা হোৱা নাই।

মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক এই বিষয়ে আগতেই কৈছিলো আৰু বনবিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ ওচৰলৈ লিখিছিলো যে সেই অঞ্চলত বাস কৰা লোক সকলে তাত আজি পৰ্যন্ত কোনো পুৰ্ণসংস্থাপন ব্যৱস্থা নেপালে; কোনো মেডিকেল ট্ৰিতমেণ্ট ইত্যাদি পোৱা নাই তাত তেওঁলোকৰ পানীত হাহ নচৰা অৱস্থা হৈছে। গতিকে সেই অঞ্চলত বসবাস কৰি অহা মানুহবিলাকৰ দুখ দুৰ্দ্দশা যাতে আৰু বঞ্চিত নহয় তাৰ বাবে মই পুণৰবাৰ মাননীয় মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষন কৰিলো যাতে সেই মানুহবিলাকৰ কাৰণে অতি সোনকালে এটা সংৰক্ষণ ও পুৰ্ণবসতিৰ ব্যৱস্থা কৰে। আজি এই অৱস্থাৰ পৰিপেক্ষিতত মই এটা প্ৰশ্ন কৰিব বিচাৰিছোঁ। সেইটো হল এই যে বনাঞ্চল বিলাকৰ সংৰক্ষণৰ কাৰণে চৰকাৰে যদি দিচিচন লৈছে তেনে ক্ষেত্ৰত সেই একে সময়ত ট্ৰাইবেল বেণ্ট ব্লকসমূহৰ সংৰক্ষণৰ ব্যৱস্থা কৰা নহয় কিয়? সেই বিষয়ে 'ক্লয়াৰ পলিচি' লোৱা নহয় কিয়? কিয়নো আজি দেখা যায় সেই ট্ৰাইবেল বেণ্ট ব্লক সমূহত যিবিলাক মানুহে বাস কৰিবলৈ আৰম্ভ কৰিছে তেওঁলোকৰ বেচি ভাগেই অসমৰ বাহিৰৰ মানুহ, তেওঁলোকে তালৈ বাহিৰৰ পৰা আহি নানা প্ৰকাৰে চল-চক্ৰান্ত কৰি হাজাৰ হাজাৰ বিঘা মাটি ৰেজিষ্টাৰ কৰাই লৈ পট্টনৰ সুবিধা লৈছে অথচ তাতে আজি যুগ যুগ ধৰি বাস কৰি অহা বাসিন্দা সকল আনঠাইলৈ আতৰি যাবলৈ বাধ্য হৈছে বহুবছৰ ধৰি বসবাস কৰাৰ পিছত যিবিলাক লোক বনাঞ্চলত সংৰক্ষনৰ নামত উচ্ছেদ হৈছে সেই সকল লোক প্ৰায়বোৰেই জনজাতীয় অনুসূচীত জাতিৰ গৰাখহনীয়া বান বিধ্বস্ত মাটিহীন লোক। সেই উচ্ছেদিত লোকসকলক ট্ৰাইবেল বেণ্ট ব্লক সমূহত অসমৰ বাহিৰৰ পৰা অহা—অনাটইবেল অসংৰক্ষিত লোকসকলক উচ্ছেদ কৰি তেওঁলোকৰ মাটিবিলাকত বহুওৱা ব্যৱস্থা কৰিব লাগে। গতিকে এনেধৰণৰ ব্যৱস্থাৰে

চৰকাৰে কি প্ৰকাৰে কুৰী দফীয়া আচনি কাৰ্য্যত ৰূপায়িত কৰিবলৈ বিচাৰিছে মই বুজি পোৱা নাই।

দ্বিতিয়তে এই এবছৰৰ ভিতৰতে অমুক মহকুমাত ইমান মাটি অমুক জিলাত ইমান মাটি আমাৰ মাটিহীন মানুহ বিলাকক বিতৰণ কৰা হৈছে বুলি ঘোষনা কৰা হৈছে আৰু সেই সন্দৰ্ভত তালিকাও প্ৰস্তুত কৰা হৈছে কিন্তু আজি যোৱা ১৯৩৬।৩৭ চনৰে পৰা আৰু তাতোকৈ আগৰে পৰা বাস কৰি অহা লোক সকলক বিশেষকৈ লক্ষীমপুৰ, ধেমাজী, জোনাই আৰু শদীয়া অঞ্চলত বসবাস কৰি অহা লোক সকলক পট্টন দিয়াৰ ব্যৱস্থা কৰা নহল। উদাহৰণ স্বৰূপে ধেমাজীত ১ লাখ ৫৪ হাজাৰ ২২৭ বিঘাৰ ভিতৰত বেদখল কৰি থকা ১৮ হাজাৰ ১৫৫ জন আৰু জোনাইত ৮০ হাজাৰৰ ভিতৰত বেদখল কৰি থকা পৰিয়ালৰ সংখ্যা হল ৩ হাজাৰ ৬৪৮ জন। এই ৰেকৰ্ডটো মই লেণ্ড ইউচ কমিটিৰ ৰেকৰ্ডৰ পৰা কৈছো। অথচ এই মানুহখিনিৰ পট্টনৰ কাৰণে আজি পৰ্যন্ত কোনো ব্যৱস্থা কৰা নহল, তেওঁলোক আজি পৰ্যন্ত মাটিহীন হৈ থাকিল কিয়নো সেই মাটিৰ- তেওঁলোকে চৰকাৰৰ পৰাই হওক বা বেংকৰ পৰাই হওক কোনো ধৰণৰ লোণ ইত্যাদি পোৱাৰ ব্যৱস্থা নাই আৰু আদালতৰ পৰাও কোনো ধৰণৰ সহায় এই মাটিৰ পৰা পোৱা নাযায় ফলত এই মানুহ বিলাকৰ জীৱন নিৰ্ব্বাহ দুৰ্বহ হৈ পৰিছে।

গতিকে আজি এনে অৱস্থাত সেই মানুহবিলাকক এনেবিলাক সুবিধাৰ পৰা বঞ্চিত কৰি তেওঁলোকৰ জীৱন নিৰ্ব্বাহৰ প্ৰতি অৱহেলা কৰি কুৰী দফীয়া আঁচনি ৰূপায়ন কৰিবলৈ বিচাৰিছে নেকি ? মই মুখ্যমন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে এই গুৱাহাটী মহানগৰীতেই অন্ততঃ এবছৰৰ ভিতৰতে ২০০ টা অনুসূচিত জাতি আৰু ২০০ টা অনুসূচিত জনজাতিৰ পৰিয়ালক মাটি বিতৰণ কৰাৰ কথা আছিল কিন্তু আজি ১৯৭৩ চন পাৰ হৈ গল তাৰ কোনো সুংসূত্ৰ পোৱা নগল, কাক কাক মাটি দিয়া হব বা, দিলে সেই বিষয়ে কোনো উল্লেখ নাই। গতিকে এনে দৰে কুৰী দফীয়া আঁচনি কাৰ্য্যত ৰূপায়িত কৰিব পাৰিব নে ? তাৰ পিচত মই আৰু বেচি দীঘলীয়া নকৰো বিশেষকৈ মুখ্য মন্ত্ৰী মহোদয়ে বাৰ বাৰ কৈছে আৰু ৰাজ্যপালৰ ভাষনতো কৈছে যে প্ৰশাসনীয় যন্ত্ৰতো নিকা কৰাৰ কাৰণে সকলো ব্যৱস্থা লোৱা হৈছে আৰু এই প্ৰসঙ্গতে বহুতো অফিচাৰক চাকৰীৰ পৰা চাচপেন কৰা হৈছে কাৰোবাক অপসৰণ কৰা হৈছে। কিন্তু মই আজি ৪ বছৰে এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আহিছো আৰু চৰকাৰলৈ চিঠি লিখি আহিছো আৰু ৰাইজৰ লগত প্ৰতিবেদন দিছো কিন্তু আজি পৰ্যন্ত তাৰ কোনো ব্যৱস্থা লোৱা নহল। মুখ্যমন্ত্ৰী মহোদয়ে জানে যে ডিব্ৰুগড় অঞ্চলত যিটো নেশ্যনেল হাইওৱে আছে তাত খোৱাং দৰংৰ পৰা ভটিয়াই ২৫।৭

ফাল'ং ২৬২-৩ ফাল'ংৰ সীমাৰ ভিতৰত পৰা ৰাস্তাটো লাখ লাখ টকা খৰচ কৰি নিৰ্মাণ কৰা হ'ল কিন্তু এই ৰাষ্ট্ৰীয় পথত বিশেষকৈ উল্লেখিত ৰাস্তাটো নিৰ্মান হোৱা বছৰৰ পৰাই যানবাহনৰ একেবাৰে অনুপযোগী হৈ আছে আৰু কেইবা বাৰো মেৰামতিৰ কাম হাতত লৈছে যদিও ই যানবাহনৰ উপযুক্ত হৈ উঠা নাই এই ডোখৰ ৰাস্তাত গাড়ী বা যানবাহনৰ চলাচল বন্ধ হৈ আছে। ফলত পুৰণা ৰাষ্ট্ৰীয় পথেদি অহাযোৱা কৰিব লগীয়া হৈছে। কিন্তু তাতো থকা দলংখন মেৰামতি নকৰাৰ কাৰণে সেই দলংৰ ওপৰেদি গাড়ী যাওতে তাত যদি আন এখন গাড়ী থাকে পুনৰ ঘূৰি আহিব লগীয়া হয়, গতিকেই অৱিজিনেল পুৰণা ৰাস্তাৰে বহু সময়ত যাবলগীয়া হয়। শুনিবলৈ পোৱা মতে সেই ৰাস্তাটোৰ নিৰ্মানৰ ক্ষেত্ৰত নানা ধাৰণৰ দুৰ্নীতি দেখা যায়, গতিকে সেই দূৰ্নীতি দূৰ কৰিবলৈ অতিৰিক্ত মুখ্য অভিযন্তাক তদন্ত কৰিবলৈ দিয়া হৈছিল কিন্তু ১৯৭১ চনৰে পৰা সেই তদন্ত আজিও পাৰি আছে। এই জৰুৰী বিষয়টোৰ প্ৰতি মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু এটা কথা হল বৰ্ত্তমান ধেমাজী দুৰ্নীতিৰ কেন্দ্ৰস্থল হৈ পৰিছে— ধেমাজী বান নিয়ন্ত্ৰণ বিভাগয়ে, 'জিয়াধল' বাননিয়ন্ত্ৰণৰ কাৰণে জীয়াধল নলা খণ্ডাৰ কাৰণে ৩৮ লাখ টকাৰ অপচয় হয়, কিন্তু আজি পৰ্য্যন্ত সেই দুৰ্নীতিৰ কোনো তদন্ত নহল আৰু তাৰ কোনো ধৰণে 'চেক্' কৰা নহল, আজি যিহেতু প্ৰশাসনীয় যন্ত্ৰটো কটকটীয়া কৰিবলৈ চিন্তা কৰা হৈছে আৰু সেইমতে বহুতকে শাস্তী বিহা হৈছে কিন্তু এই বিষয়টোৰ লগত জৰীত থকা লোক সকল কিয় বাদ পৰিল, এইটো কিবা স্পিচিয়েল কেচ নেকি? গতিকেই মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক এই বিষয়টোৰ প্ৰতি বিশেষ দৃষ্টি দিবলৈ অনুৰোধ কৰিলো যাতে এই বিষয়টোৰ বিলম্বে এটা বিচাৰ কৰে।

সেই কাৰণেই এই কথা বিলাকৰ এটা তত্বাৱধান লবৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক নিবেদন কৰিছো। তাৰ পিছত এই ২০ দফীয়া আঁচনিৰ পৰিপ্ৰেক্ষিতত নিয়োগৰ ক্ষেত্ৰত কওঁ যে, ১৯৭৫ চনতে সোৱা চৰকাৰী সিদ্ধান্ত মতেই যি বিলাক জনজাতীয়, অনুস্থচিত জাতীয় লোকৰ নিয়োগৰ ক্ষেত্ৰত যি বিলাক 'বেকলগ' আছিল সেই বিলাক পূৰণ কৰিব বুলি যি আশ্বাস দিয়া হৈছিল সেই ক্ষেত্ৰত আজি ১৯৭৬ চনতো সেইটো হৈ উঠাগৈ নাই। বহুতো বিভাগক সুধিলে এই ক্ষেত্ৰত কোনো চাৰ্কোলাৰেই নাই পোৱা বুলি কয়। গতিকে কেন্দ্ৰীয় চৰকাৰেও এই ক্ষেত্ৰত যি পলিচিৰ কথা ঘোষণা কৰিছে সেইটো অনতি পলমেই পূৰণ কৰাৰ কাৰণে, এই সদনত আজি মই দাবী জনাইছো। তাৰোপৰি আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যদিও সদায়েই কৈ আছে যে, আমাৰ প্ৰশাসণীয় যন্ত্ৰটো নিকা হৈছে কিন্তু বাস্তৱ ক্ষেত্ৰত আমি দেখা পাইছো বহুতো বিলাক অফিচতেই যি কোনো কথাৰে কোনো

বাস্তৱ সমাধান পোৱা নাই। নিয়োগৰ ক্ষেত্ৰত চৰকাৰে অসম লোকসেৱা আয়োগৰ চেয়াৰমেন জন এজন জনজাতীয় নিয়োগ কৰি যি সত্ প্ৰচেষ্টা দেখুৱাইছে সেইদৰে বাকী বিলাক ক্ষেত্ৰতো তেখেতে এইদৰেই কাম কৰিব বুলি আশা কৰি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

★ শ্ৰীআব্দুল কাছেম : মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ বন্ধু মাননীয় সদস্য শ্ৰীপণ্ডিত ডাঙৰীয়াই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ সমৰ্থনত কেইআষাৰমান কথা কবলৈ উঠিছোঁ।

মাননীয় উপাধ্যক্ষ : আপোনি ১০ মিনিটৰ ভিতৰত শেষ কৰিব লাগিব।

* শ্ৰীআব্দুল কাছেম : জৰুৰী কালীন অৱস্থা ঘোষণা কৰাৰ লগে লগে আমাৰ দেশত যি অৰাজকতা ভাৱৰ সৃষ্টি হৈছিল সেইটোৰ সাম কাটিল। এইটো বিশেষ মন কৰিব লগীয়া কথা যে, আমাৰ চৰকাৰে গ্ৰহণ কৰা প্ৰগতিশীল আচনি বিলাকক বাঞ্চাল কৰিবৰ কাৰণে প্ৰতিক্ৰিয়াশীল শক্তি বিলাকে সদায়েই চেষ্টা কৰি আহিছে। কিবা এটা গোজৰ শুনিলেই হল দোকান-পোহাৰ, অফিচ, আদালত সকলো বিলাক বন্ধ কৰি দিছিল। প্ৰকৃত কাৰণ বিচাৰিলে কোনেও সঠিক কাৰণ দিব নোৱাৰে। অথচ কোনোবাই কিবা এটা ৰাস্তাদি কৈ যাওঁতেই তাৰ কাৰণেই সকলো বন্ধ কৰি দিলে। এনেকৈ যি বিলাক নীতি নিয়মৰ ভিতৰেদি কিছুমান মানুহে কাম কৰিছিল সেই বিলাকেই বাধাৰ সৃষ্টি কৰি আহিছিল। নিৰ্ব্বাচনৰ যোগেদি যি বিলাকে ৰাইজৰ প্ৰতিনিধি নিৰ্ব্বাচিত হৈ আহিছিল সেইসকলৰ কাম কাজ বিলাকত বাধা দিয়াৰ কাৰণেই ওচৰ চুবুৰীয়া প্ৰদেশ দুই এখনতো চৰকাৰ ভঙা-পতা আদি হৈছিল। গণ-তান্ত্ৰিক ভাৱে প্ৰগতিশীল আচনি বিলাক চৰকাৰে কাৰ্য্যকৰী কৰিবলৈ যাওঁতে প্ৰতি-ক্ৰিয়াশীল লোকসকলে বাধা দিয়াৰ কাৰণেই এইটো হবলৈ পাইছে। জৰুৰী কালীন অৱস্থা ঘোষণা কৰাৰ পিছত চৰকাৰৰ বিভিন্ন বিভাগৰ বিষয়া সকলে সময় পতে অফিচত কাম কৰিবলৈ আৰু সময়ৰ সত্ ব্যৱহাৰ কৰাৰ কাৰণে প্ৰশিক্ষণ প্ৰাপ্ত হৈছে। ৰাজ্যপালৰ ভাষণত যি আইন-শৃংখলাৰ কথা উল্লেখ কৰিছে সেই আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ সমৰ্থ হৈছে। দূৰ্নীতি দূৰীভূত কৰিবৰ কাৰণেও যি প্ৰচেষ্টা চলাইছে তাতো আমাৰ চৰকাৰ সফল হৈছে বহু পৰিমাণে। যোৱাবাৰ যি প্ৰতি-শ্ৰুতিৰ কাৰণে ৰাইজে আমাক নিৰ্ব্বাচিত কৰি দিছে সেই প্ৰতিশ্ৰুতিক বাস্তৱক ৰূপ দিয়াৰ কাৰণেই আজি প্ৰধান মন্ত্ৰীৰ ২০ দফীয়া আচনিৰ যোগেদি ঘোষণা কৰা হৈছে। ইয়াৰ মূল কথাটো হৈছে থকা জনৰপৰা নি সৰ্ব্বস্বান্ত জনক দি সমভাৱ প্ৰদৰ্শন কৰা।

*Speech not corrected

ধনী শ্ৰেণীৰ লোকসকলৰ পৰা যি সকলৰ দ্বাৰা আমাৰ সমাজৰ নিপিড়ীত নিষ্পেষিত লোকসকল সদায়েই শোষিত হৈ আছে সেই সকলৰ পৰা মাটি বিলাক কাটি কৰি আনি ভূমীহীন মানুহক মাটি দি ৰক্ষা কৰিছে। প্ৰশাসনীয় ক্ষেত্ৰত চৰকাৰে কটকটীয়া ব্যৱস্থা লোৱাৰ কাৰণে প্ৰায় বিলাকতে কৃতকাৰ্য্যতা লাভ কৰিছে। ভূমীহীন মানুহৰ লৰা-ছোৱালী বিলাকৰ শিক্ষাৰ ব্যৱস্থাৰ কাৰণে বৃত্তি আৰু কিতাপ পত্ৰ আদিৰ ব্যৱস্থাও আমাৰ চৰকাৰে কৰি দিছে। ৰাজ্যপালৰ ভাষণত এই বিলাক সৎ প্ৰচেষ্টাৰ উল্লেখ নথকা নহয়। অভাৱৰ সুযোগ লৈ যি বিলাক খেতিয়কৰ মহাজন বিলাকে শোষণ কৰি আছিল সেই বিলাকো আজি ৰক্ষা পৰিছে। প্ৰত্যেক গাওঁ পঞ্চায়ত বিলাকতে গঠিত কৰা সমবায় বিলাকৰ দ্বাৰা আমাৰ ভূমীহীন খেতিয়ক বিলাকক অগ্ৰগতি লাভ কৰাৰ সুবিধা দিছে। তাৰ পিছত উদ্যোগৰ ক্ষেত্ৰত নগাওঁ জিলাৰ ঢিঙত এটা হাৰ্ড বোৰ্ড ফেক্টৰী আৰু জাগীৰোডত এটা পেপাৰ কল কৰাৰ কথা আছিল কিন্তু সি আজিও বাস্তৱ ৰূপ লব পৰা নাই। যিটো হাৰ্ড বোৰ্ডৰ ফেক্টৰীৰ কাম আৰম্ভ কৰিছিল তাৰ কামো এতিয়া বন্ধ কৰি দিছে। গতিকে এই বিষয়ে চকু দিবলৈ মই আমাৰ চৰকাৰক অনুৰোধ কৰিছো।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত পিচপৰা সকলো সম্প্ৰদায়ৰ কথা উল্লেখ কৰা হৈছে। আমাৰ অসমত যি সকল সংখ্যালঘু সম্প্ৰদায়ৰ লোক আছে সেই সকলে অতি দৰিদ্ৰ অৱস্থাত সন্মুখীন হৈ আছে। ছমাহ খাবলৈ পালে ছমাহ খাবলৈ নেপায়। গতিকে মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে অনুসূচীত জাতি আৰু অন্যান্য পিচ পৰা লোকসকলৰ লগতে এই সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলেও যাতে সমানে সকলো সুবিধা পায় তাৰ বাবে চকু ৰাখিব লাগে। যদি এখন হাতৰ পাঁচোটা আঙুলিয়ে সমানে কাম নকৰে তেতিয়াহলে হাতখনে জোৰ নাপায়। গতিকে এখন দেশৰ সকলো দিশতে উন্নতি কৰিবলৈ হলে সকলো লোকক সমান ভাৱে আগবঢ়াই নিব লাগিব। মহোদয়, আজি আমাৰ দেশত বহুতো মানুহে কৃষি বনুৱা হিচাবে জীৱিকা নিৰ্বাহ কৰি আছে এওঁলোকৰ কোনো নিজা মাটি নাই। গতিকে এওঁলোকৰ চিৰস্থায়ী ভাৱে মাটি দি থকাৰ ব্যৱস্থা কৰিব নে? ইয়াৰ উপৰিও চৰ অঞ্চলত থকা সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ বিলাকে আজি পৰ্য্যন্ত শিক্ষা, চিকিৎসাৰ কোনো সুবিধা পোৱা নাই। এনে উদাহৰণ গোৱালপাৰা, নগাও, দৰং অঞ্চলত বহুতো আছে। গতিকে এই লোকসকলৰ উন্নতিৰ কাৰণে চৰকাৰে চকু দিব বুলি অনুৰোধ কৰি মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এনেকুৱা পিচপৰা অঞ্চলো আমাৰ ৰাজ্যত আছে য'ত চাৰি পাঁচখন গাওঁৰ মাজত এখন প্ৰাইমাৰী স্কুল নাই, চিকিৎসালয় নাই। গতিকে এই অঞ্চল বিলাকৰ কণ কণ লৰা-ছোৱালী বিলাকক শিক্ষাৰ পোহৰ দি আগুৱাই আনিবলৈ হলে প্ৰত্যেক গাওঁতে একোখন প্ৰাইমাৰী স্কুল পাতি

দিব লাগে। আৰু অন্যান্য পিচ পৰা জাতি, অনুসূচিত জাতি, জনজাতি, এই সকলো লৈ লক্ষ্য ৰাখি সংখ্যালঘু সম্প্ৰদায়ৰ লোক সকলোকো এই সকলো সুবিধা যাতে আগবঢ়াই আনিব পাৰে সেইটো অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণী মাৰিলোঁ।

* শ্ৰীইদ্ৰিচ আলি ফকিৰ: মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ৰি ধন্যবাদ সূচক প্ৰস্তাৱ অনা হৈছে তাৰ কাৰণে মই মাননীয় সদস্য শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিতক ধন্যবাদ দিছো আৰু এই সন্দৰ্ভত দুই চাৰি আষাৰ কথা কবলৈ বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, দেশৰ জৰুৰী কালীন অৱস্থাৰ পিচত বিশেষকৈ আমাৰ ৰাজ্যখনে সকলো দিশতে অগ্ৰগতি লাভ কৰিছে তাত কোনো সন্দেহ নাই। বিশেষকৈ কৃষিৰ ক্ষেত্ৰত এইবাৰ উৎপাদন সাফল্য মণ্ডিত হৈছে। এই বাবে মই কৃষি মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। কিন্তু এইটো আমি মনত ৰাখিব লাগিব যে অকল কৃষি দপ্তৰৰ মন্ত্ৰী মহোদয়ৰ সহায়তহে কৃষি ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে এনে নহয়। ইয়াৰ লগতে প্ৰকৃতিৰ অৱদানো অপৰিহাৰ্য্য। গতিকে অহা বছৰো এইদৰে কৃষি ভাল হব সেইটো আমি কব নোৱাৰো। গতিকে জলসিঞ্চনৰ ক্ষেত্ৰত আমাৰ কৃষি মন্ত্ৰী মহোদয়ে যথেষ্ট গুৰুত্ব সহকাৰে আগবাঢ়িব লাগে। কাৰণ খেতিৰ কাৰণে পানী অপৰিহাৰ্য্য। এতিয়ালৈ আমাৰ যি জলসিঞ্চনৰ আঁচনি লোৱা হৈছে সেই আঁচনি বাস্তৱত ৰূপায়ত কৰিবলৈ কৃষি মন্ত্ৰী ডাঙৰীয়াই অনতি বিলম্বে আঁচনি হাতত লব লাগে। জলসিঞ্চন পদ্ধতি শক্তিশালী হলেহে আমাৰ ৰাজ্যই কৃষিৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিব। এইটো সুনিশ্চিত।

মহোদয়, আজি দেখা হৈছে যে সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলে অন্যান্য জাতি, অনুসূচীত সম্প্ৰদায় আৰু অনুসূচীত জনজাতি এই সকলৰ লগত সমানে আগবাঢ়ি যাব পৰা নাই। অৱশ্যে গৃহমন্ত্ৰী ডাঙৰীয়াই অসম বেটেলিয়ানত কেবাজনো সংখ্যালঘু সম্প্ৰদায়ৰ লোক নিযুক্তি দিয়া কথা কোৱাত মই সন্তোষ প্ৰকাশ কৰিছো। গতিকে মই মহোদয়ৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কওঁ যে এই সম্প্ৰদায়ৰ লোক সকলৰ আন আন শ্ৰেণীৰ লোক সকলৰ লগত সমানে আগবঢ়াই নিব পাৰিলেহে আমাৰ ৰাজ্যও উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিব। ইয়াৰ উপৰিও আমি দেখিবলৈ পাইছো কিছুমান সংখ্যালঘু সম্প্ৰদায়ৰ লোকে ১৯৩২ আৰু ১৯৪৪ চনত প্ৰিমিয়াম দি নিজৰ নামত লৈছিল। আজি সংশ্লিষ্ট মণ্ডল, কাননগুৱ হাতত পৰি চৰকাৰৰ হাতলৈ গৈছে। গতিকে এই সকলো বিলাক কথা ভালদৰে তদন্ত কৰি এই মাটিহীন লোক সকলক মাটি পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে। মহোদয়, আজি আমাৰ ৰাজ্যখন বহুতো কাৰণত পিচ পৰি আছে। ৰাষ্টা-ঘাট, চিকিৎসা এই সকলো বিলাক উন্নত নহলে

*Speech not corrected

ৰাইজৰ উন্নতি হব নোৱাৰে। প্ৰধানমন্ত্ৰী ইন্দিৰাগান্ধীৰ কুৰিদফীয়া আঁচনিয়ে এই ক্ষেত্ৰত বিশেষ সহায়ক হব বুলি আমি আস্বষ্ট হৈছো। আমাৰ মুখ্যমন্ত্ৰীয়েও এইটো এটা শক্তিশালী পদক্ষেপ বুলি গ্ৰহণ কৰি কাৰ্য্যত আগবাঢ়ি যাব লাগে।

শেষত মই মূখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে আমাৰ ৰাজ্যৰ অত্যন্ত ভিতৰুৱা অঞ্চল বিলাকতো শিক্ষা, চিকিৎসা, কৃষি আদি সকলো ৰকমৰ সা-সুবিধা দি যাতে আমাৰ ৰাজ্যখনক আন ৰাজ্যৰ লগত খাপ খুৱাই আগবঢ়াই আনিব পাৰে তাৰ বাবে অনুৰোধ কৰিলো আৰু লগতে মাননীয় সদস্য গুনেন্দ্ৰ পণ্ডিত ডাঙৰীয়াই অনা ধন্যবাদ সূচক প্ৰস্তাৱটোক সমৰ্থন কৰি আৰু কৰ্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

( মধ্যাহ্ন ভোজনৰ কাৰণে ২.৩০ বজালৈ সভা স্থগিত।)

( The house re-assembled at 2-30 p.m. with the Hon'ble Speaker in the Chair. )

শ্ৰীকোষেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো সংশোধনী প্ৰস্তাৱ আগবঢ়াইছে এই সংশোধনী প্ৰস্তাবটো সমৰ্থন কৰি মই কবলৈ আগবাঢ়িছো। ভাষণখনত কোৱা হৈছে যে এই কেই বছৰৰ ভিতৰত আমাৰ দেশত উৎপাদন বাঢ়িছে, প্ৰশাসনীয় ব্যৱস্থা উন্নত হৈছে। গোটেই ভাষণখন পঢ়ি চাই যি সকল মানুহ ইয়াৰ নহয় তেখেত সকলে হয়তো ভাবিব পাৰে যে অসমখন প্ৰগতিশীল আৰু উন্নয়নমুখী দেশ হিচাবে আগবাঢ়িছে। কিন্তু প্ৰকৃততে এইটোত প্ৰত্যক্ষ মানিব নোৱাৰি। যিখিনি কথা ৰাজ্যপালৰ ভাষণৰ দ্বাৰা প্ৰকাশ কৰিছে অসমৰ সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সিমানখিনি আগবাঢ়ি যোৱা নাই। বিশেষকৈ উৎপাদন বঢ়া বুলি যিটো গৌৰৱ কৰিছে সেইটো চৰকাৰৰ প্ৰচেষ্টাত হৈছে বুলি নাভাবো। এইটো প্ৰকৃতিৰ অৱদান বুলি আমি ভাবিছো। এই বছৰ কৃষিজাত বস্তুৰ উৎপাদন হোৱাৰ কাৰণ হল প্ৰকৃতিয়ে আমাৰ খেতিয়কক সহায় কৰিছে। তাৰ কাৰণে খেতিয়ক সকলে উৎপাদন কৰিব পাৰিছে আৰু তাৰ কাৰণেই আমাৰ দেশত উৎপাদন বাঢ়িছে। চৰকাৰে জলসিঞ্চনৰ নামত কোটি কোটি টকা খৰচ কৰিছে যদিও যোৱা ২৮ বছৰ ধৰি আমাৰ সৰহ সংখ্যক খেতিয়ক জলসিঞ্চনৰ দ্বাৰা উপকৃত হোৱা নাই। এইটো সঁচা কথা। তাৰোপৰি জলসিঞ্চনৰ নামত এই বছৰ জৰুৰী কালিন অৱস্থাৰ অজুহাত লৈ খেতিয়ক সকলৰ ওপৰত জোৰ জুলুম কৰি কৰ হেঁচা বঢ়াই দিছে। আৰু জৰুৰী কালিন অৱস্থাৰ অজুহাত লৈ এই কৰ খেতিয়ক সকলৰ পৰা আদায় কৰিবলৈ সক্ষম হৈছে। এনেকুৱা উদাহৰণ আছে যে কোনো ঠাইৰ ওচৰেদি

নলা আদি গৈছে বাৰিষা খৰালি জলসিঞ্চনৰ দ্বাৰা পানী দিব নোৱাৰে তেনেকুৱা ঠাইতো জলসিঞ্চনৰ নামত জোৰ জুলুম কৰি কৰ আদায় কৰিছে। মই উদাহৰণ স্বৰূপে কব বিচাৰিছো যে পাভৈ গাৱৰ ৰাইজে এটা জানৰ পানী বোৱাই খেতি কৰে। জলসিঞ্চনৰ নামত জলসিঞ্চন বিভাগে জংঘলৰ মাজত এটা বান্ধ দিছে তাৰ বাহিৰে একো কৰা নাই। বৰষুণ হলেহে তাত পানী হয়। তাত জলসিঞ্চন বিভাগৰ কোনো খাল আদি নথকা স্বত্বেও ৫০/৬০ ঘৰ কাৰ্বি মানুহৰ পৰা জোৰ জুলুম কৰি কৰ আদায় কৰিছে।

উৎপাদনৰ নামতো ৰাইজৰ ওপৰত জোৰ জুলুম কৰা দেখা গৈছে। আৰু এটা কথা কোৱা হৈছে যে বয় বস্তুৰ দাম উৰ্দ্ধগামীৰ পৰা নিম্নগামী হোৱা বুলি কৈছে। কিন্তু আমি দেখাত কোনো বস্তুৰে মূল্য কমি যোৱা নাই। বৰঞ্চ বাঢ়িহে গৈছে। আৰু এই মূল্য বৃদ্ধিৰ কাৰণে মই চৰকাৰক দায়ী কৰিব খুজিছো। এই কাৰণেই মই দায়ী কৰিব বিচাৰিছো যে যি দিনাৰ পৰাই পেট্ৰলৰ দাম বাঢ়ি গ'ল সেই দিনাৰ পৰাই বয় বস্তুৰ মূল্য বাঢ়ি গ'ল। যি সকলে দাম বঢ়াইছে সেই সকলক যি নামেৰেই নামাকৰণ নকৰক লাগিলে তেওঁলোকক লাভ খোৰ বা প্ৰতিক্ৰিয়াশীল বুলিয়েই কওঁক, এই ধনীক শ্ৰেণীৰ মানুহৰ যি বিলাকৰ ব্যৱসায় বাণিজ্য আছে তেওঁলোকক ৰাতিৰ ভিতৰতে কোটি কোটি টকা ঘটাৰ সুবিধা দিছে। আৰু তাৰ পৰিপেক্ষিতত্তে বয় বস্তুৰ দাম বাঢ়ি গৈছে। আমি জৰুৰী কালিন আইন প্ৰবৰ্ত্তন হোৱাৰ পিচত কোনো বস্তুৰ দামেই কমা দেখা নাই। দুটা বস্তুৰ দাম কমিছে বুলি আমি আনে কোৱা শুনিছো। তাৰ এটা হৈছে চিমেন্ট আৰু আনটো হৈছে মিঠাতেল। চিমেন্টৰ দাম কমোৱাৰ অৰ্থ হৈছে আনে আমি কোৱা শুনিছো যে মানুহৰ মুখ প্লাচটাৰ কৰিবৰ কাৰণে আৰু মিঠাতেলৰ দাম কমোৱা হৈছে 'তেল' দিবৰ কাৰণে বাকী অত্যাবশ্যকীয় কোনো বস্তুৰেই দাম কমোৱা আমি দেখা নাই। আৰু যি বিলাক বস্তু সুলভ মূল্যৰ দোকানৰ পৰা পাব লাগে সেই বিলাকো পোৱা সহজ নহয়। আমি চাব লাগিব জনসাধাৰণক দিবলগীয়া বস্তু বিলাক আৰু জনসাধাৰণে পাব লগীয়া বস্তু বিলাক পাব পাৰে তাৰ ওপৰত নজৰ দিব লাগিব।

প্ৰশাসনৰ ব্যৱস্থা উন্নত হৈছে বুলি কৈছে। আমি প্ৰশাসনৰ দুটা কথা লক্ষ্য কৰিছো। জনসাধাৰণৰ তাৰ পৰা লাভ হোৱা নাই বৰঞ্চ জনসাধাৰক প্ৰশাসনীয় ব্যৱস্থা উন্নত হৈছে বুলি কৈ জুলুমহে কৰা হৈছে। চৰকাৰৰ কোনো কোনো বিভাগৰ প্ৰশাসন ব্যৱস্থা উন্নত হৈছে সেই কথা স্বীকাৰ কৰিব লাগিব। কিন্তু যি বিলাক বিভাগেই উন্নত হৈছে বুলি কৈছে সেই বিলাকে প্ৰশাসনীয় ব্যৱস্থা উন্নত হোৱাৰ নামত জনসাধাৰণক জুলুম কৰিছে। বিশেষকৈ পুলিচ বিভাগে। এই পুলিচ বিভাগে

জুৰ জুলুম কৰি টকা পইচা আদায় কৰিছে। ধনী সাধাৰণ মানুহ বিলাকক থানালৈ ধৰি লৈ গৈ তাত কয়গৈ যে আপোনাক মিছাত গ্ৰেপ্তাৰ কৰা হৈছে। এই বুলি কৈ টকা আদায় কৰি আহিছে। সিদিনা বিশ্বনাথ চাৰিআলিত এজন ল'ৰাক থানালৈ ধৰি লৈ গল আন এজন ল'ৰাক চাইকেলত কেৰি কৰি নিয়াৰ কাৰণে। থানাত গৈ ৫০ টকা দাবী কৰে। কিন্তু ল'ৰাজনৰ হাতত ৫০ টকা নথকাত ১৫ টকা থকাত সেই ১৫ টকাকে দি গুচি আহিল। এনে ধৰণেৰেই জুলুম কৰি আহিছে। বাকী প্ৰশাসনৰ যে কিবা উন্নতি হৈছে আমাৰ বিশ্বাস নহয়।

কোৱা হৈছে জৰুৰী অৱস্থা ঘোষণাৰ পিচত সময় মতে অফিচৰ কাম-কাজ চলিছে, সময়মতে স্কুল কলেজ বিলাক চলি আছে। কিন্তু স্বাধীনতাৰ ২৯ বছৰৰ পিচতো যদি অফিচৰ কাম-কাজ আইন কৰি চলাব লগীয়া হয়, স্কুল কলেজ আইন কৰি চলাবলগীয়া হয় তেনেহলে এখন স্বাধীন দেশৰ নাগৰিকৰ কাৰণে ইয়াতকৈ আৰু একো লাজৰ কথা থাকিব নোৱাৰে।

আমাৰ দেশ স্বাধীন হোৱাৰ ২৯ বছৰৰ পিচত জৰুৰী আইনৰ যোগে জন-সাধাৰণক বা চৰকাৰী কৰ্মচাৰী সকলক বাধ্য কৰিব লগা হোৱাটো পৰিতাপৰ কথা নহয় জানো ? আমাৰ বহুতে হয়তো ভালহে পাইছে যে দেশত কিছু শৃঙ্খলা হৈছে; কিন্তু বিদেশী মানুহে আমাক নিশ্চয় হাঁহিছে যে জৰুৰী আইন কৰিহে ভাৰতৰ মানুহক ১০ বজাত অফিচলৈ অহা কৰিব পাৰিছে। আনকি শিক্ষানুস্থানৰ জৰিয়তে আমি এই শিক্ষা দিব নোৱাৰিলো যে এইখন আমাৰ দেশ, ইয়াৰ চৰকাৰ আমাৰ আৰু ইয়াৰ সম্পদৰাজি আমাৰ। আমি সদায় জনসাধাৰণ আৰু চৰকাৰ দুটা বেলেগ বস্তু বুলিয়েই স্বীকাৰ কৰি আহিছো। ইমান দিনেও আমি জনতাক শিকাব নোৱা-ৰিলো যে চৰকাৰ বাইজৰে আৰু এই চৰকাৰ ৰাইজেই পাতিছে আৰু ইচ্ছা কৰি-লেই ৰাইজে ইয়াক ভাঙিব পাৰে। ভৱিষ্যতে উঠি অহা ডেকা-গাভৰু সকলক যদি এই কথা শিকাব নোৱাৰি তেনেহলে আমি আগবঢ়াৰ পৰিবৰ্তে পিচুৱাইহে যাম। সেই কাৰণে মুখ্য মন্ত্ৰীক পৰামৰ্শ দিব খোজো যে পলমকৈ হলেও আমাৰ উঠি অহা লৰা-ছোৱালী বিলাকক নৈতিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

স্বাস্থ্য ৰক্ষাৰ কাৰণে হস্পিটেল ঘৰ আৰু ডিচপেঞ্চৰী ঘৰ হৈছে। অকল ঘৰ সাজিলেই জন স্বাস্থ্য উন্নত হৈছে বুলি কব নোৱাৰি। মই জনাত ৰাইজক উপযুক্ত ঔষধ আৰু চিকিৎসা দিব পৰা নাই। আমাৰ ৩ খন মেডিকেল কলেজ হৈছে যদিও তাত পেট কটা আৰু সাধাৰণ ঔষধ দিয়াৰ বাহিৰে আৰু বিশেষ একো কৰিব পৰা নাই। হাৰ্ট আৰু লাঙচ অপাৰেচন ব্যৱস্থা যিমান উন্নত হব লাগিছিল সিমান হোৱা নাই। মই স্বাস্থ্য মন্ত্ৰী নাই বাবে মুখ্য মন্ত্ৰীকে অনুৰোধ

কৰো যাতে উন্নত কৰাৰ দিহা কৰে। আমাৰ ইয়াত নিউৰো চাৰ্জাৰী অৰ্থাৎ মগজুৰ অপাৰেচন বৰ দৰকাৰী হৈছে। অলপতে দিনে বহুত টকা ভৰি কলিকতাৰ পৰা এজন নিউৰো চাৰ্জেনক অনাইছিল। আনহাতে আমাৰ ডাঃ ৰচিদ আলী চৌধুৰী নামৰ এজন ডাক্তৰে বিদেশত এই শিক্ষা অৰ্জন কৰি আহি ইয়াত কাম নেপাই আকৌ বিদেশলৈ গুচি যাব লগা হল। মই চৰকাৰক অনুৰোধ কৰিছো যাতে তেখেতক কামত লগোৱাৰ দিহা কৰে। দ্বিতীয়তে আমাৰ চৰকাৰে স্বাস্থ্য ৰক্ষাৰ সলনি পৰিয়াল পৰিকল্পনাতহে বেচি গুৰুত্ব দিছে আনকি সকলো ডাক্তৰকে এই পৰিয়াল পৰিকল্পনাৰ কামত অংশ লবলৈ বাধ্য কৰিছে নহলে শাস্তি দিব বুলি ভয় খুৱাইছে। আমাৰ ডাঃ দাস এই বিভাগৰ দায়িত্বত থকা স্বত্বেও এনেকুৱা হোৱাটো দুখৰ কথা। সিদিনা ভূপালৰ এজন এম-পিয়ে কৈছে যে যি কংগ্ৰেছী লোকৰ দুটাতকৈ বেচি লৰা-ছোৱালী তেওঁ পাৰ্টিৰ কামতকৈ পৰিয়ালৰ কামতহে বেচি জোৰ দিব লাগে। মই চৰকাৰক অনুৰোধ কৰো যে এই বিভাগৰ ঘাই কাম জন স্বাস্থ্য ৰক্ষাত বেচি গুৰুত্ব দিয়ে যেন।

শিক্ষাৰ ক্ষেত্ৰত কওঁ যে এইবাৰ প্ৰাইমেৰী স্কুলবিলাক চৰকাৰী কৰাৰ বাবে যোৱা ৮-৯ মাহে বহুত শিক্ষক নিয়োগ কৰিব পৰা নাই। ফলত শিক্ষাত ব্যাঘাট জন্মিছে। যত ৪ জন শিক্ষক তাত হয়তো ৩ জনেই ৰিটায়াৰ কৰিছে আৰু তাৰ ঠাইত নতুন শিক্ষক নিয়োগ কৰা নাই। ফলত নতুন পাঠ্যক্ৰম প্ৰচলন কৰাত ব্যাঘাট জন্মিছে। এই খেলিমেলিবোৰ দূৰ কৰিবলৈ চৰকাৰক অনুৰোধ কৰি মই বক্তব্য সামৰণি মাৰিছো।

শ্ৰীঅৰবিন্দ লাহৰী: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাজেট অধিবেশনত দিয়া ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য পণ্ডিত ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছে তাক মই সমৰ্থন জনাইছো। এই ভাষণত আমাৰ দেশখনে কিমান খিনি প্ৰগতি লাভ কৰিছে সেইটো আমাৰ মাজত ভালকৈ প্ৰতিফলিত হৈছে। দেশৰ অগ্ৰগতিৰ কথাও আমাক অৱগত কৰিছে। আমাৰ দেশ যে বহু ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে সেই বিষয়ে মই ভালকৈ উপলব্ধি কৰো. এই ভাষণ ভালকৈ বিশ্লেষণ কৰি চালে দেখা যাব যে ভূমিসংস্কাৰ সম্পৰ্কে আমি যদি ভালকৈ বিশ্লেষণ কৰি চাওঁ তেন্তে আমি বাৰুকৈয়ে উপলব্ধি কৰিম। কিন্তু আমাৰ কেইজনমান মাননীয় সদস্য ভূমিসংস্কাৰৰ বিষয়ে চৰকাৰক সমালোচনা কৰি কৈছে যে চিলিং আইনৰ জৰিয়তে অহা মাটি আমাৰ ৰাইজে পোৱা নাই। কিন্তু আমি ভালকৈ পৰ্য্যবেক্ষণ কৰিলে দেখিম যে ইতিমধ্যে কিমান মাটি ভূমিহীনৰ মাজত বিতৰণ কৰা হৈছে। কোৱা হৈছে যে ৬০ হাজাৰ পৰিয়ালক মাটি দিয়া হৈছে কিন্তু মই জনাত আচলতে প্ৰায় ৭০ হাজাৰ পৰিয়ালকে মাটি বণ্টন কৰা হৈছে। অকল মাটি দিয়াই নহয় তেওঁ-

লোকৰ গৃহনির্মাণৰ সুবিধা জনক মাটি দিয়াৰ উপৰিও তাত ঘৰ নির্মাণ কৰাৰ কাৰণেও প্ৰতি পৰিয়ালক ডেৰ শ দুশ টকাও দিয়া হৈছে। এনেধৰণৰ কাম মোৰ সমষ্টিকে ধৰি প্ৰায় সকলো সমষ্টি কম-বেছি পৰিমাণে হৈছে। কিন্তু এইটো মনত ৰাখিব লাগিব যে এইটো আমাৰ প্ৰথম পদক্ষেপ। ইয়াৰ পিচত আমি অধিক কাম কৰিবলৈ প্ৰচেষ্টা চলায়। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে আমাৰ যিখিনি অতিৰিক্ত মাটি সুযাই আছে তাক অধিগ্ৰহন কৰাৰ ক্ষেত্ৰত আমাৰ কিছুমান বিষয়-বৰিয়াই কিছু বেমেজালিৰ সৃষ্টি কৰি আছে। সেইটো কথা ঠিক। এই মাটি বিতৰণ কৰাৰ কাৰণে আমাৰ ৰাজ্যিক ৰাজহ মন্ত্ৰী ডাঙৰীয়াই আমাৰ উত্তৰ অঞ্চলত পৰিভ্ৰমণ কৰিছে আৰু বিতৰণ কাৰ্য্য ক্ষিপ্ৰ গতিত কাম হৈছে। তেখেতে নিজেই লগত মণ্ডল কানানগু আদি লৈ গৈ সকলো কাম নিজেই পৰিদৰ্শন কৰি আহিছে। এনে ধৰণৰ কিছুমান ঘটনা দেখা যায় যে কিছুমান এচ-ডিচিয়ে দুৰভিসন্ধি কৰি কিছু মাটি লুকাই থৈছিল, কিন্তু সেই মাটিও আমি উদ্ধাৰ কৰিছো। আৰু যিখিনি কাম বাকী আছে তাকো সময় মতে সম্পন্ন কৰিবলৈ আমাৰ ভূমিসংস্কাৰ কমিটীয়ে সময়োপযোগী ব্যৱস্থা হাতত লব।

মহোদয়, বৰ্তমান আমাৰ ৰাজ্যত ৩৪টা ট্ৰাইবেল বেল্ট আছে। মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যাতে এই বেল্টৰ ভিতৰত থকা ১ কোটি ৯ লাখ ৭৩ হাজাৰ বিঘা মাটি, তাৰ সুবন্দবস্তৰ কাৰণে এটা উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰি দিয়ে। তেতিয়া মই ভাবো যে ট্ৰাইবেল সকলৰ ভূমি বন্টনৰ যি ব্যৱস্থা সেইটো ভাল হব। আমাৰ কেইজনমান সদস্যই উল্লেখ কৰিছে যে গহপুৰ অঞ্চলত কিছু সংখ্যক ট্ৰাইবেল লোকে অনাই-বনাই ঘুৰি ফুৰিছে আৰু তাৰ কিছুমাটি বেদখল কৰিছে। মই কওঁ যে অনু-প্ৰৱেশকাৰী ট্ৰাইবেল লোক যি সকল আছে তেওঁলোক উত্তৰ কামৰূপ আৰু গোৱালপাৰাৰ পৰা সেইখিনি পাইছে। তেওঁলোক তালৈ কিয় গ'ল বা কিয় যাবলগা হ'ল সেই বিষযেও কথা আছে। তেওঁলোকৰ নিজৰ দোষৰ কাৰণে বা আগতীয়া ঋণ পৰিশোধৰ কাৰণে নিজৰ মাটি এৰি দি তাত মাটি বেদখল কৰিছে গৈ। মুখ্যমন্ত্ৰীয়ে দিয়া আশ্বাস অনুসৰি তেওঁলোকক তাৰ পৰা দখল চ্যুত কৰাৰ লগতে তেওঁলোকৰ সংস্থাপনৰ ব্যৱস্থাও কৰিব বুলি কোৱাত মই সুখ পাইছো। আমাৰ কিছুমান জনজাতীয় লোকে নিজৰ মাটিৰ পৰা নিজে নিজে কিয় উচ্ছেদ হব লগা হ'ল তাৰ কিছু নথি-পত্ৰও আমাৰ হাতলৈ আহিছে। উদাহৰণ মই কবলৈ হলে মই এখন দৰ্খাস্তত পঢ়ি যি পালো তাকেই কওঁ। ১০০ টকা ধাৰলৈ ললে তিনি মোন ধান দিব লাগে। এতিয়া এক মোন ধানৰ দাম ২০ টকা হলে ১০০ টকাত সুতহয় ৬০ টকা। গতিকে ১১ বছৰত সেই টকাৰ সুত হয় ৬৬০ টকা এতেকে ১১ শ টকাৰ সুত মূলে ৭,৭০০ টকা পৰিশোধ কৰিব লগীয়া হ'ল। গতিকে পৰিশোধ কৰিব

নোৱাৰি মাটিখিনি দি নিজেউচ্ছেদ হব লগীয়া হ'ল। তেওঁলোকৰ এই চুক্তি খনো আমাৰ হাতত পৰিছে। এনে ধৰণৰ লোক সকলৰ ৰক্ষণা-বেক্ষণৰ কাৰণে এই সদনত আমি কছুমান আইন প্রনয়ণ কৰিছো যাতে এনে ধৰণৰ লোক সকলক উচ্ছেদ হবলগীয়া নহয়, হবলগীয়া ঋণগ্রস্ত নহয়। অৱশ্যে সকলোৱে কথা একে নহয়, স্বাভাৱিকতে বহু মানুহৰ নিজৰো দোষ আছে। আৰু ফলত নিজৰ সম্পত্তিৰ পৰা নিজে বিতাৰিত হৈছে।

ভূমি সংস্কাৰ নীতি সম্পৰ্কত বিৰোধী দলৰ সদস্য সকলে যি সমালোচনা দাঙি ধৰিছে সেইটো ভালকৈ পৰ্য্যালোচনা কৰিলে দেখা যায় যে চৰকাৰক বিশেষকৈ দোষ দিব নোৱাৰি। আমাৰ বাইজৰো দোষ আছে। ৰাজ্যপালৰ ভাষণত ট্ৰাইবেল বৰ্ড আৰু ট্ৰাইবেল ডেভেলপমেণ্ট কৰপৰেচন গঠন কৰাৰ কথা উল্লেখ কৰিছে। পূৰ্ণ পৰ্য্যায়ত কাম আৰম্ভ কৰিবলৈ যথেষ্ট সময়ৰ আৱশ্যক হব। কাৰণ নীতি নিয়ম কিছুমানৰ কথা আছে। মহকুমা পৰ্য্যায়ত ট্ৰাইবেল জনসাধাৰণ মানুহক চাব পৰাকৈ ট্ৰাইবেল ডেভেলপমেণ্ট বৰ্ড আৰু ট্ৰাইবেল ডেভেলপমেণ্ট কৰপৰেচন গঠন কৰাৰ কথা চলি আছে। ট্ৰাইবেল জনসাধাৰণ এই বৰ্ড বিলাকৰ দ্বাৰা উপকৃত হব আৰু অনুদান আদি পোৱাত সুবিধা হব।

কুৰিদফীয়া আঁচনিৰ তাতপৰ্য্য এইয়ে যে, আমি লোক সকলক স্বাৱলম্বী কৰিবৰ কাৰণে কৰ্ত্তব্য নিষ্ঠাৰ ভাব তেওঁলোকৰ মাজত জগাই তুলিব লাগিব। এই বিলাক কাৰ্য্যত ৰূপ দিলে ৰাজ্য পালৰ ভাষণ খন আৰু সুন্দৰ আৰু সমৃদ্ধিশালী হব। এই খিনিকে কৈ মই ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰিলো।

শ্রীজালালউদ্দিন আহমেদ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণৰ ওপৰত শ্রীপণ্ডিত ডাঙৰীয়াই যি ধন্যবাদ সূচক প্রস্তাৱ ডাঙি ধৰিছে তাক সমৰ্থন কৰি দুষাৰমান কব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত বাৰ্ষিক পৰিকল্পনাৰ বাবে ৭২ কোটি ৬৬ লাখ টকা ধৰাৰ কথা উল্লেখ কৰিছে। মই ১৯৬৭ চনৰ পৰা বিধান সভাৰ সদস্য হৈ আছো। কোনোবা বাৰ ৪২ কোটি টকা কোনোবা বাৰে ৪৬ কোটি টকা আদি কৰি টকা ধৰে। ১৯৭৫ চনৰ ২৬ জুন তাৰিখে দেশত জৰুৰী অৱস্থা ঘোষণা কৰাৰ কাৰণে এই বাৰৰ টকাৰ সংখ্যা বাঢ়িছে। জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত দুৰ্নীতি বহু পৰিমাণে কমি গৈছে। গুৱাহাটী চিলং ৰাস্তাত আমি আগতে বহুত ব্লেক মাৰ্কেটিয়াৰ হৰ্ডাৰ আদিৰ গাড়ী ঘূৰি ফুৰা দেখা পাইছিলো। জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত সেই ফাষ্ট ক্লাচ গাড়ী বিলাক এক মাইলৰ ভিতৰত দেখা যায়। তেওঁলোকৰ ১০ হাজাৰ টকা লাভ হওতে গাড়ী অহা যোৱাৰ বাবে ৫ শ টকা খৰচ কৰাতো কোনো ডাঙৰ কথা নহয়। জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত ১৯৭৪ চনত যেনে খাদ্য নাটনি হৈছিল সেইবিলাক এতিয়া বহু পৰিমাণে কমি গৈছে। দুখীয়া

মানুহ বিলাকৰ গাত ফটা কাপোৰ আছিল।, এতিয়া সেই বিলাক নাইকীয়া হৈ গৈছে। ইয়াৰ কাৰণ তেওঁলোকৰ টকা বিলাক কল বেপাৰী হৰ্ডাৰ আদিয়ে খাইছিল। বাঘৰৰ সমষ্টিত শতকৰা ৬০ ভাগ মানুহৰ কাপোৰ নাছিল। এতিয়া শতকৰা ১০ ভাগ মানুহৰ কাপোৰ নাই। বাঘৰৰ সমষ্টিত চাউলৰ কিলো প্ৰতি আগত ৩ টকা আছিল এতিয়া চাউলৰ কিলো প্ৰতি ১·২০ পইচা হৈছে। বাঘবৰৰ পৰা কেউপিনে চাউল গৈ আছে। ভৱিষ্যতে কি হয় কব নোৱাৰো।

ভাল ৰাস্তা মানে ভাল প্ৰশাসন আৰু বেয়া ৰাস্তা মানে বেয়া প্ৰশাসন। মোৰ সমষ্টি লৈ কোনো মন্ত্ৰী নাযায়। কাৰণ ভাল ৰাস্তা নাই। তাত নাও নচলে গাড়ীও নচলে। বৰপেটা মহকুমাত বহুৰী বজাৰৰ পৰা আৰম্ভ কৰি বাঘবৰ বাহাৰলৈ এটা ডাইক ১৯৫৩ চনত বন্ধা হৈছিল। সেইটো আজিলৈকে ভঙা নাই। গৰাখহনীয়াই সেইটো খহুৱা নাই। তাৰ ফ্ৰি বটত তিনিখন গাড়ী চলাচল কৰিব পাৰে। সেই ৰাস্তাটো সম্পূৰ্ণ কৰিলে চাৰিটা সমষ্টি উপকৃত হব। বৰপেটাৰ পৰা গোৱালপাৰালৈ যোগাযোগত সুবিধা হব। গোৱালপাৰা মহকুমাধিপতিৰ কাৰ্য্যালয়ৰ পৰা ৪-৫ মাইল দূৰ হব।

অধ্যক্ষ মহোদয়, তাৰ পিচত পুলিচ বিভাগৰ কথাকে কওঁ। আমাৰ পুলিচ বিভাগৰ এটা বদনাম আছে ভেটি খোৱা বুলি। কিন্তু আচলতে আন আন বিভাগৰ কৰ্ম্মচাৰী সকলেও যদিও ভেটি খায় তথাপি তেওঁলোকে ব্যক্তিগত লোকৰ পৰা ভেটি নাখায় কাৰণে সিমান চকুত নপৰে কিন্তু এক পইচা খালেও পুলিচ বিভাগে ব্যক্তিগত লোকৰ পৰা ভেটি খায় কাৰণে সকলোৰে চকুত পৰে। সেই কাৰণে এটা চেণ্টিমেণ্ট গ্ৰো কৰে। অৱশ্যে এতিয়া ১৯৭২ চনৰ পৰা পুলিচ বিভাগৰ শাসন ব্যৱস্থা কিছু ভাল হৈছে। কিন্তু চি, আই, ডি বুলি যিটো বিভাগ আছে সেইটোৱে কোনো তদন্ত আদিও নকৰে আৰু ৰিপোৰ্ট চাবমিট নকৰে। পুলিচ বিভাগে হলে তদন্ত কৰি কোৰ্টত ৰিপোৰ্ট চাবমিট কৰে আৰু দুই পক্ষৰ উকীলৰ যুক্তিৰ পিচত দোষীয়ে শাস্তি পায় আৰু নিৰ্দ্দোষীয়ে খালাচ পায় কিন্তু চি, আই, ডি বিভাগে কোনো ৰিপোৰ্ট চাবমিট নকৰে। সেই কাৰণেই মই চি, আই, ডি বিভাগক কনডেমন্ বিভাগ বুলি কৈছো কিয়নো ই মানুহৰ জীৱনক কনডেমন্ কৰে।

অধ্যক্ষ মহোদয় আমাৰ যি বিলাক প্ৰগতিশীল আচনি লোৱা হৈছে তাৰ কাৰণে মই চৰকাৰক অভিনন্দন জনাইছো। কিন্তু এই আইন যি বিলাক আমি ইয়াত পবিত্ৰ সদনৰ মজিয়াত তৈয়াৰ কৰো, ইয়াত যিমান বিলাক বক্তৃতা আদি দিও এই গোটেই বিলাক দুখীয়া জন সাধাৰণৰ ভালৰ কাৰণে কিন্তু ইয়াত প্ৰণীত হোৱা আইন বিলাকৰ চৰ্ত্ত বিলাক দুখীয়া আৰু নিৰক্ষৰ-জনসাধৰণে বুজিব নোৱাৰে ফলত এই আইন বিলা-

কৰ যোগেদি যি বিলাক সা-স্থবিধা জনসাধাৰণৰ কাৰণে দিয়াৰ ব্যৱস্থা কৰা হৈছে সেই বিলাক সা-স্থবিধাও তেওঁ বিলাকে ভোগ কৰাৰ স্থবিধা নাপায়। মাত্র অফিচাৰ সকলেহে এই আইন বিলাকৰ চৰ্ত্ত বিলাক বুজি পায় আৰু তেওঁলোকে নিজৰ জ্ঞাতি কুটুম্ব বিলাকক সেই আইনৰ চৰ্ত্ত বিলাক বুজাই দিয়ে আৰু সেই স্থবিধা বিলাক এক শ্ৰেণীৰ লোকেই ভোগ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ কাৰণে একোটাহাত কমিটি কৰি ডি চি এচ ডি অ, এচ ডি চি, আৰু আমাৰ কেইজনমান এম, এল, এক, লৈ এই কমিটি কৰি ঠায়ে ঠায়ে মিটিং পাতি এইআইন বিলাকৰ চৰ্ত্ত বিলাক জন-সাধাৰণৰ মাজত বুজাই দিয়াৰ চেষ্টা কৰিব লাগে তেতিয়া হলেহে আচলতে জন-সাধাৰণে এই আইন বিলাকৰ দ্বাৰা উপকৃত হব পাৰিব।

মাননীয় অধ্যক্ষ : আপুনি শেষ কৰক।

শ্ৰীজালালুদ্দিন আহমেদ : আচলতে কিছুমান ধনী শ্ৰেণীয়েই এই স্থবিধা বিলাক ভোগ কৰি আছে আমি কিন্তু এই সদনৰ মজিয়াত যি বিলাক আইন প্ৰণয়ন কৰিছো সেই বিলাকৰ বেছি ভাগেই দুখীয়া সকলৰ স্থবিধাৰ্থে কৰা হৈছে। ববালী মাছৰ পেট কাটিলে যেনেকৈ বহুতো সৰু সৰু মাছ ওলায় তেনেকৈ, আমাৰ পেট ওলোৱা মানুহ ধনী বিলাকৰ ভিতৰত বহুত দুখীয়া মানুহ সোমাই আছে।

( ভইচ : বাগবৰৰ কথা কওক )

এতিয়া নানান আঁচনি লৈ বিভিন্ন ধৰণৰ কাম কাজ হাতত লৈছে যদিও আচ-লতে জনসাধাৰণে ইয়াৰ কোনো স্থফল লাভ কৰিব পৰা নাই সেই কাৰণে এই আইন বিলাকৰ চৰ্ত্ত বিলাক ৰাইজৰ বোধগম্য কৰি দিয়াৰ কাৰণে একোটাহাত কমিটি কৰি দিব লাগে তেতিয়াহলেহে ৰাইজ উপকৃত হব। আমাৰ ডেকা ৰাজহ-মন্ত্ৰীয়ে দিনে ৰাতিয়ে কাম কৰি আছে আৰু তেখেতৰ টোপনি নোহোৱা হৈ গৈছে। আশা কৰিছো তেখেতে অক্লান্ত ভাৱে কাম কৰি যাব। তেখেতৰ কামৰ কাৰণে ধন্যবাদ জনাইছো আৰু কামনা কৰিছো আৰু আগবাঢ়ি যাওক। ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Speaker:—Now Ramcharan Sarma, your time is 17 minutes.

শ্ৰী ৰাম চন্দ্ৰ শৰ্ম্মা:— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত যিটো সং-শোধনী প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো সমৰ্থন কৰিবলৈ মই কব খুজিছো যে ৰাজ্যপালৰ আগৰ ভাষণ আৰু এতিয়াৰ ভাষণ দুয়োটাই চালো আচলতে একো পাৰ্থক্য নাই। আগৰ ভাষণত দিয়া আছিল বহুত কাম ইমান দিনে কিয় কৰিব পৰা নাই তাৰ মূল কাৰণ

হল বানপানী। প্ৰত্যেক পৃষ্ঠাতে বানপানীৰ ওপৰত জাপি দিয়া হৈছিল আৰু এতিয়া যেনিবা বানপানী ঠাইত প্ৰত্যেক পৃষ্ঠাতে জৰুৰীকালীন অৱস্থাৰ কথা উল্লেখ কৰিছে। পাৰ্থক্য ইমানেই মাত্ৰ। যি হওক কৃষিদফীয়া আচনিয়েই হওক বা তিনিকুৰী দফীয়া আচনিয়েই হওক বা আঠেকুৰি দফীয়া আচনিয়েই হওক তাক কৃতকাৰ্য্য কৰাটোহে আচল কথা। আজিৰ কুৰিদফীয়া আচনি একো নতুন কথা নহয়। অজি ২৯ বছৰ আগৰে পৰা ৰাজ্যপালৰ ভাষণত আমি কি দেখি আহিছো। কাম একো বাকী নাই। চাৰিও-ফাললৈ চালে কেৱল জয়জয় ময়ময় অৱস্থা কিন্তু আচলতে যদি চোৱা হয় কি দেখা যায় গাওঁলৈ গলেই দেখা যায় কৰ্মক্ষেত্ৰত সেইটো নহয়। যি গাওঁকে চোৱা যায় পিচপৰা, একেই সমস্যা, ঔষধ নাই, অমুক নাই, তমুক নাই ইত্যাদি। মিনিমাম নিডচ্ প্ৰগ্ৰেম মতে ১৯৭২ চনতে কিছুমান মস্ত মস্ত কিতাপ ছপা কৰি দিয়া হল, মহকুমা পৰিষদ আৰু কিছুমান কমিটি কৰি দিয়া হল। মহকুমা পৰিষদ, চৰকাৰ আৰু এম-এল-এ সকলে কাম কৰিব কিন্তু আমি কি দেখিছো? মোৰ নিজৰ সমষ্টি আৰু আন আন সমষ্টিলৈ চালে বুজিব পাৰিব যে দুই বছৰৰ কাৰণে বাস্তাঘাটৰ কাৰণে দুই লাখ টকাকৈ দিয়া হৈছিল কিন্তু তাৰ এটা ৰাস্তাও সম্পূৰ্ণ হোৱা নাই। ৰাজ্যপালৰ ভাষণ আৰু গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ ভাষণত কিন্তু বহুত ৰাস্তা হোৱা বুলি কৈছে কিন্তু এক লাখকৈ টকা দি আজি চাৰি বছৰৰ ভিতৰত কি হৈছে। আচলতে মিনিমাম নিডচ্ প্ৰগ্ৰেমতো কেনো কাম হোৱা নাই। ধান সংগ্ৰহৰ ক্ষেত্ৰত কি হৈছে। আমি উৎপাদন ভাল হোৱা বুলি কৈছো আৰু সংগ্ৰহ অভিযানো সফল হোৱা বুলিয়েই কৈছো। আনকি কোনো-কোনো ঠাইত লক্ষ্য একসীড কৰিছে বুলিও কোৱা হৈছে কিন্তু সংগ্ৰহীত ধান ৰাখিবলৈ ঠাই নাই। চৰকাৰী গুদামৰ বাহিৰেও স্কুলঘৰ, ভৰালঘৰ আনকি পঞ্চায়তৰ কাৰ্যলয়তো ধান ৰাখিব লগীয়া হৈছে। নবেম্বৰ মাহতেই এচ-ডি-চি আৰু চাপ্লাই ইন্সপেক্টৰক গাড়ী ঘোৰা দি সংগ্ৰহ অভিযান চলাবলৈ দিয়া হৈছে। বাতৰি কাকততো বোধহয় পঢ়িবলৈ পাইছে যে ধান ৰাখিবলৈ ঠাই নোহোৱা কাৰণে সমবায় সমিতিৰ কাৰ্যলয়তো বাহিৰতে ধান ৰাখিবলগীয়া হৈছে আৰু বৰষুণত তিতি থাকি নবেম্বৰ মাহৰ ধান গজি গৈছে আৰু তাৰ ওপৰতে ডিচেম্বৰ মাহৰ ধান থোৱা হৈছে। তাতে দহ-পোন্ধৰ হেজাৰ কুইন্টল ধান নষ্ট হোৱাৰ ঠাইত ৪০/৫০ হেজাৰ কুইন্টল হব। তলৰ ধান বিলাক জলাৰ কাৰণে পিছৰ মাহত যিথিনি ধান তাৰ ওপৰত থোৱা হৈছিল সেইথিনি ধানো জলি গৈছে। এইদৰে ১০ হাজাৰ কুইন্টল ধান জলি গলে ৪০ হাজাৰ কুইন্টল জলিছে বুলি কবলৈ সুবিধা হব। চৰকাৰে সংগ্ৰহ কৰা ধানৰ কাৰণে গোদামৰ অভাৱ আৰু তাৰ ফলত যতে ততে ধান থোৱাৰ কাৰণে অৱশেষত চৰকাৰৰ বহুতো লোকচান হব। গতিকে মই এইটো কথা চৰকাৰক জনাব খুজিছো যে আগতে সংগ্ৰহ কৰা জলি যোৱা এই ধানথিনি আতৰ নকৰিলে সকলোথিনি ধানেই নষ্ট হব।

অধ্যক্ষ মহোদয় ইয়াৰ পিচত মই আন এটা কথা কব খুজিছো সেইটো হল সমবায় বিলাকৰ কাৰণে নতুন সম্পাদক নিযুক্তি কৰা হৈছে। এই চাম সম্পাদকৰ প্ৰশিক্ষন বা অভিজ্ঞতা নথকাৰ কাৰণে সমবায় সমূহ গা কৰিব নোৱাৰোটো একো আচৰিত নহয় আৰু তাৰ ফলত বহুতো খেতিয়কে ধানৰ দাম পোৱা নাই। এনে ব্যৱস্থাত যি ধান সংগ্ৰহ কৰা হৈছে সেই বিলাকো যদি জলি যায় তেতিয়াহলে সেই সংগ্ৰহৰ উদ্দেশ্য বিফল হব। গতিকে মই এই বিষয়ত চৰকাৰৰ তৎপৰতাৰে চকু দিবলৈ অনুৰোধ কৰিলো।

ৰাজ্যপালৰ ভাষণত কৈছে যে আৰু সেইটো চৰকাৰৰ পৰাও কৈছে যে চৰকাৰৰ আঁচনিত সকলোৰেই সহযোগীতা কৰিব লাগে। কিন্তু মই বৰ দুখেৰে কবলগীয়া হৈছে যে আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়েই ইয়াৰ অসহযোগীতা কৰিছে। অসহযোগীতা এই কাৰণেই কৈছো যে কেইদিন মানৰ আগতে আমি বাতৰি কাকতত পাইছো যে মুখ্য মন্ত্ৰীয়ে গাৱে-ভুৱে গৈ স্কুল নামঘৰ আদিত থাকি পিচদিনা দুই চাৰি ঘৰ মানুহলৈ গৈ কথা-বতৰা পাতি তাতেই কিছু সুবিধা কৰি দিবলৈ কৰ্মচাৰী সকলক নিৰ্দ্দেশ দিছে বুলি কৈছে। কিন্তু তেখেতে যিবিলাক আওহতীয়া ঠাই যত উন্নয়নমুলক আঁচনি লোৱা দৰকাৰ বিশেষকৈ যত অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ মানুহ আছে সেই বিলাকত এই আচনিয়ে ঢুকি পোৱা নাই। এনেকুৱাও দেখা গৈছে যে যত অলপ মাত্ৰ এই সম্প্ৰদায় বিলাকৰ মানুহ আছে আৰু যলৈ মুখ্য মন্ত্ৰী ডাওৰীয়াই গৈছিল সেই বিলাক ঠাইত উন্নয়ন মূলক কামৰ আঁচনি লোৱা হৈছে। এইটো বৰ পৰিতাপৰ কথা যে আচলতে যিবিলাক অনুসূচীত জাতি বা অনুসূচীত জনজাতি ঘন-বসতি অঞ্চল সেই বিলাক এতিয়াও আচহুৱা হৈ আছে। যদি এই অঞ্চল বিলাকত জৰিপ কৰি তাত আঁচনি ললেহেঁতেন তেতিয়াহলে এই অতিকে পিচপৰা মানুহ বিলাক আৰ্থিক অৱস্থা আৰু সামাজিক ব্যৱস্থা উন্নত হলহেঁতেন। গতিকে মই কব খুজিছো যে যিবিলাক ঠাইত সেই আঁচনি লোৱা হৈছে সেই আঁচনি বিলাকৰ পৰা প্ৰকৃততে মানুহে সুবিধা নাপায়। ইয়াৰ উপৰিও যিবিলাক ঠাইলৈ মুখ্য মন্ত্ৰী গৈছে সেই বিলাক ঠাইলৈ স্থানীয় এম এল এ সকলকো লৈ যাব লাগে। স্থানীয় এম এল এ সকলক লৈ যোৱাটো ৰাইজে কামনা কৰে।

তাৰ পিচত প্ৰধান মন্ত্ৰীৰ কুৰি দফীয়া আঁচনিৰ নামত ভূমি বিতৰণৰ কথা ৰাজ্যপালৰ ভাষণত আৰু মোৰ পুৰ্ববৰ্ত্তি বক্তা সকলৰ ভাষণত শুনিলো। আৰু ইয়াৰ দাৰাই সৰ্বসাধাৰণ ৰাইজৰ আৰ্থিক অৱস্থা উন্নতিৰ ফালে আগবাঢ়িছে বুলি কৈছে। কিন্তু কোন কোন ঠাইত এই আঁচনি বিলাক লোৱা হৈছে আৰু কাৰ্য্যকৰী কৰা হৈছে সেই কথা আমি নাজানো। খেতিয়ক সকলে খেতি কৰিছে। বানপানী নোহোৱাৰ কাৰণে খেতি ভাল হৈছে। সেই কাৰণেই উৎপাদন বৃদ্ধি হৈছে। কিন্তু চৰকাৰে হাতত লোৱা জলসিঞ্চন আঁচনিৰ জৰিয়তে সিমান উৎপাদন বৃদ্ধি কৰিব পাৰিছে সেইটো জনোৱা নাই।

তাৰ পিচত মই এইটো কথা চৰকাৰৰ দৃষ্টিলৈ আনিব খুজিছো যে ৰাজ্যখনৰ যিবিলাক গ্ৰামসেবকৰ কুৱাটাৰ সজা হৈছিল সেই বিলাক ভাঙি চিঙি পচি গৈছে। যদি সেই বিলাক অদৰ্কাৰী আছিল তেনেহলে সেই বিলাকত ইমান টকা অপব্যয় কৰিব নালাগিছিল। এই ঘৰ বিলাকৰ বেৰ নাই টিনপাট আদি যি আছিল সেই বিলাকতো মামৰে ধৰিলে। ইয়াৰ লগতে আৰু এটা কথা মই কব বিচাৰিছো যে সেইটো হৈছে কৃষি পাম যিবিলাক চৰকাৰে খুলিছিল সেই বিলাকৰ অপচয় মাত্ৰ।

উচ্ছেদৰ সম্পৰ্কত মই কব বিচাৰিছো যে প্ৰকৃততে বেদখলীক উচ্ছেদ কৰিব লাগে। ইয়াৰ বিৰোধিতা আমি বিৰোধী দলৰ হলেও নকৰো। কিন্তু যিবিলাকক উচ্ছেদ কৰা হৈছে সেই বিলাক প্ৰকৃততে মাটিহীন মানুহ। আৰু যিবিলাক মানুহে মাটি লৈ বহি আছে সেই বিলাক হল ধনীক শ্ৰেণী আৰু মহাজন সকল। এই সম্পৰ্কত মহকুমা ভিত্তিত যিবিলাক তালিকা গাওঁ সভা বা মহকুমা পৰিষদে কৰিছে সিয়ো শুদ্ধ নহয়। গতিকে মাটি বিতৰণ আৰু মাটি পোৱাৰ উপযুক্ততা দুয়ো ক্ষেত্ৰতেই বেমেজালিৰ সৃষ্টি হৈছে। কৃষি নিগমবোৰত যি টকা বিলাক বিতৰণ কৰিছে তাতো বেমেজালি হৈছে বাহিৰৰ পৰা মানুহ মাতি আনি টকা দিওতে তেওঁলোকক ১০০ টকাৰ ৪০ টকা দি ৬০ টকা খাই থৈছে। আৰু সেইদৰে চিলিঙৰ যাবলগীয়া হোৱা মাটিৰ গৰাকীক তেওঁলোকৰ মাটি বিলাক নিজৰ ভিতৰতে ভাগ কৰি নতুনকৈ মাটি লোৱাৰ ব্যৱস্থা কৰিছে। এই অভিযোগ আমি চৰকাৰৰ ওচৰত কৰিছিলো কিন্তু তাৰ কোনো ব্যৱস্থা হোৱা নাই। এই বিলাকৰ অনুসন্ধান কৰা উচিত।

অনুসন্ধান কৰিলে সকলো ধৰা পৰিব। বেদখলকাৰী সকলৰ পৰা বন বিভাগৰ সৰু সৰু বিষয়া ডি এফ ওব ওপৰত কব নোৱাৰো আধা আধা লয় আৰু তেওঁলোকক প্ৰশ্ৰয় দিয়ে। তাৰ ভিতৰত দুই এজন নেতাও আছে। তেওঁলোকে বছৰে বছৰে এই কাম কৰি আছে। এই বেদখলকাৰী সকলৰ ১০০ বিঘা পৰ্য্যন্ত বনৰ বাহিৰত মাটি আছে, তেওঁলোকৰ মাটি হয়তো চিলিংত যাব তথাপি ফৰেষ্টৰ মাটি দখল কৰে। এই বিষয়ে মই বনমন্ত্ৰী আৰু ডি এফ ওক জনাইছো। ভূমিহীন সকলক উচ্ছেদ কৰা হয় কিন্তু তেওঁলোকক অইন ঠাইত মাটি দিয়া নহয়। চৰকাৰৰ নীতিমতে এই বেদখলী ভূমিহীনলোক সকলক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে। মোৰ বন্ধু শ্ৰীকুলী ডাঙৰীয়াই গহপুৰৰ কথা কৈছে তাত যাব নোৱাৰি, য'তে তাতে মানুহ পৰি আছে কিছু দলংৰ তলত কিছু ৰাষ্টাৰ কাষত আৰু যিসকল বদমাচ লোক তেওঁলোকে ধুনীয়াকৈ চৰকাৰী মাটি বেদখল কৰি থাকে। এই মানুহবিলাকৰ একেবাৰে দুৰৱস্থা কিন্তু মাটিহীনৰ লিষ্টত এওঁলোকৰ নাম নাই।

মাননীয় অধ্যক্ষ ঃ আপুনি শেষ কৰক।

শ্ৰীৰাম চন্দ্ৰ শৰ্মা ঃ ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যাৰ কথা একেবাৰে উল্লেখ কৰা নাই। নিবনুৱাৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। আগতে উদ্যোগ বিভাগ বা মহকুমাৰ পৰা আমি কিছু টকাৰ ব্যৱস্থা কৰিছিলো আৰু সেই টকাৰে নিবনুৱা সকলে মেচিন আদি কিনে কিন্তু আজিকালি আকৌ বিজুলি নিদিয়া হৈছে গতিকে নিবনুৱা সকলে বিজুলি-বাতিৰ কাৰণে সৰু সৰু উদ্যোগবিলাক বন্ধ কৰিবলগীয়া হৈছে। গতিকে দেখা যায় নিবনুৱা সকলৰ কাৰণে চিন্তা কৰা হোৱা নাই।

জৰুৰী কালীন অৱস্থাত বাকী থকা কামবিলাক তৎকালেই শেষ কৰা বাবে কুবিদফীয়া আঁচনিত আছে। কিন্তু আজি বহু বছৰ আগতে অৰ্থাৎ ১৯৬০ চনতে ৰাষ্টাৰ কাৰণে মাটি ৰিকুইজিচন কৰা হ'ল ( মোৰ সমষ্টিতে বেছি ) কিন্তু মানুহৰ অহা যোৱা কৰোতে হাড়ছাল চিঙি গ'ল কিন্তু আজিলৈ এটা পইছাও পোৱা নাই। কিন্তু চৰকাৰে আদায় কৰিবৰ সময়ত বাঘে ধৰা দি ধৰে। আনকি ৫০০ টকাৰ গৰুহালো ২০০ টকাতে বিক্ৰী কৰি চৰকাৰক দিবলগীয়া হৈছে। মই কিন্তু ঋন আদায় কৰাত ভালেই পাইছো কাৰণ ঋন

আদায় নকৰিলে ঋন লৈ কাম নকৰিব আৰু পইছাও ঘূৰাই নিদিব কিন্তু যেই কোনো সময়ত বাইজক জুলুম কৰা উচিত নহয়। গতিকে এই ৰাষ্টাৰ কাৰণে লোৱা মাটিৰ টকাখিনি যাতে সোনকালে পায় তাৰ কাৰণে চৰকাৰক অনুৰোধ কৰি আৰু সংশোধনী প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্রীসন্তোষ কুমার রায় ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভায় মাননীয় রাজ্যপাল মহাশয় যে ভাষণ রেখেছেন এবং তার উপর মাননীয় সদস্য শ্রীগুনেন্দ্র পণ্ডিত মহাশয় যে ধন্যবাদ সূচক প্রস্তাব উত্থাপন করেছেন ....

মাননীয় অধ্যক্ষ ঃ আপনার সময় ১০ মিঃ।

শ্রীসন্তোষ কুমার রায় ঃ আমি সেই প্রস্তাবকে সমর্থন জানাই। মহোদয়, ১৯৭১ ইং তে নূতন লোকসভা গঠন হওয়াৰ পর জনসাধারণের সামনে কংগ্রেস সরকার প্রমাণ করেছিল যে যেসব Progressive Measure Implement করার প্রতিশ্রুতি নিয়ে ক্ষমতায় আসীন হয়েছিল তা বাস্তবায়িত করতে কংগ্রেস দল সক্ষম, তাই, আমরা পরবর্ত্তীকালে ১৯৭২ ইংতে দেখতে পেলাম সমগ্র ভারতের প্রায় প্রত্যেকটি রাজ্যগুলিতে জনসাধারণ কংগ্রেস দলকে বিপুল ভোটে ক্ষমতা দখল করার সুযোগ দিল। কিন্তু এই সরকার গঠন হওয়ার পর কিছু কিছু বিরোধী দলের সদস্য কংগ্রেস দলের এইসব Progressive Measure implementation দেখে নিজেদের দলের দুরবস্থা বুঝতে পারল এবং ভয়ে সমগ্র দেশে তারা এক রাজনৈতিক অনিশ্চয়তার ভাব সৃষ্টি করার চেষ্টা করলো এবং আমরা দেখলাম সংবিধান সম্মত গুজরাট বিধানসভা ভঙ্গ করার জন্য এক অন্যায় আন্দোলনের সৃষ্টি করলো এবং ফলে গুজরাট বিধানসভা ভঙ্গ করতে হলো। ফলে ক্রমে এই অজুহাতে বিহার বিধানসভা ভংগ করার জন্যও আন্দোলন শুরু করতে আরম্ভ করলো এবং ফলে প্রধানমন্ত্রী শ্রীমতী ইন্দিরা গান্ধীর নেতৃত্বে কংগ্রেসদল যেসব Progressive কার্য্যক্রম হাতে নিয়েছিলেন সেসব বাস্তবায়িত করার পথে বিরাট বাধা সৃষ্টি হতে লাগ্‌লো, তাছাড়া বিহারে তখন সর্বোদয় নেতা শ্রীজয়প্রকাশ নারায়নের নেতৃত্বে যে আন্দোলন শুরু হলো সেই আন্দোলনে সমগ্র দেশবাসীকে আহ্বান করা হলো সরকারকে অচল করার জন্য।

তাছাড়া সেই আন্দোলমে সমস্ত সামরিক বাহিনীকে পর্যন্ত আন্দোলনের আহ্বান জানানো হলো। এবং ফলে দেশে এক ভয়াবহ অনিশ্চয়তার সৃষ্টি হলো। এইসব সেচ্ছাচারী দলের হাত থেকে সমগ্র দেশ এবং দেশবাসীকে রক্ষা করার জন্য প্রধানমন্ত্রী শ্রীমতী গান্ধীর নেতৃত্বে তখন ২৬শে জুন তারিখে সরকার জরুরী অবস্থা ঘোষণা করলো এবং ফলে সঙ্গে সঙ্গে সমগ্র দেশে শান্তি ও শৃঙ্খলা ফিরে আস্‌লো, জনসাধারণ হাঁপ ছেড়ে বাঁচলো। প্রধান মন্ত্রী এই জরুরী অবস্থার পরিপ্রেক্ষিতে উন্নয়ন মূলক কাজের জন্য ২০ দফা অর্থ নৈতিক কার্য্যসূচী রূপায়নের জন্য আহ্বান জানালেন। বাস্তবিকই এই ২০ দফা কর্মসূচী দেশের শতকরা ৭০% ভাগ যে গরীব শ্রেণী তাদের উন্নতির জন্য অপরিহার্য্য এবং এইসব Progressive Measure ছাড়া এদের উন্নতি সাধন অসম্ভব।

মহোদয়, রাজ্যপালের ভাষণে এই ২০ দফা কার্য্যসূচী রূপায়নের কথা বিশেষ ভাবে উল্লেখ করা হয়েছে। আমাদের সরকার বর্ত্তমান অবস্থায় চেষ্টা করছেন কিভাবে কম সময়ের মধ্যে এই ২০ দফা কার্য্যসূচী রূপায়িত করা যায়।

তারপর আস্‌লো উৎপাদনের কথা। অনেকে বলেন এতে সরকারের কৃতিত্ব নাই। কিন্তু আমরা লক্ষ্য করেছি কি ভাবে সরকার সমস্ত গ্রামে গ্রামে দরিদ্র কৃষকদেরে নানারকম সাহার্য্য দিয়ে অধিক উৎপাদনে সাফল্য অর্জন করাতে সক্ষম করেছেন এবং তারফলে সমগ্র দেশে আজ দ্রব্যমূল্য অনেকখানি কমে এসেছে। এটাঠিক যে উৎপাদন বৃদ্ধি হলে দাম কমে যায়। সরকারের চেষ্টায় জরুরী অবস্থায় মধ্যে শষ্য অধিক উৎপাদন হয়েছে, শিল্প প্রতিষ্ঠানেও অধিক জিনিষ উৎপাদন হয়েছে—এবং অনেক জিনিষের মূল্য কমেছে।

মহোদয়, রাজ্যপাল মহাশয়, Rural Development Scheme এর কথা তাঁর ভাষণে উল্লেখ করেছেন। এই Scheme রূপায়নের জন্য আসাম সরকার কতকগুলি Block নিয়ে যে গ্রামীন উন্নত্তির চেষ্টা করছেন তা খুবই আশাপ্রদ। আমাদের হাইলাকান্দি মহকুমায় Lala Block এ যে সমস্ত কাজ শুরু হয়েছে, যে সব Assessment হয়েছে তাতে মনে হচ্ছে গ্রামের দরিদ্র শ্রেণীয় বিশেষ উপকার হবে।

মহোদয়, এখন আমি Forest Deptt. এরকথা বলব। বর্ত্তমানে বাংলা দেশে যেসব 'লগ' পাঠাবার ব্যবস্থা চল্‌ছে তার একটা পরিবর্ত্তন করা প্রয়োজন বলে ভাবি। কারণ এই 'লগ' না পাঠিয়ে যদি আমরা এখানে Mill এ Process করে 'চেরাকাঠ' পাঠাই তাহলে Sales Tax, Foreign Exchange ইত্যাদির আদায় ছাড়াও স্থানীয় বেকার সমস্যারও কিছু সমাধান হবে বলে আমি বিশ্বাস করি।

মহোদয়া পুলিশ বিভাগ সম্বন্ধে অনেক বিরুপ মন্তব্য সর্বদাই শুনি। এই বিভাগটি অতি শক্তিশালী বিভাগ এবং তাদের মাধ্যমেই সমগ্র দেশে শান্তি ও শৃঙ্খলা বজায় রাখা সম্ভব হয়েছে। বিশেষভাবে এই রাজনৈতিক সঙ্কট মুহূর্তে পুলিশ যে দক্ষতার সঙ্গে দেশে শান্তি ও শৃঙ্খলা ফিরিয়ে আনতে সক্ষম হয়েছে তা প্রশংসনীয়। তবে এতবড় একটা অনুষ্ঠানে ১।২ জন দুর্নীতি পরায়ন কর্মচাবী থাকা অস্বভাবিক নয়। কিন্তু সরকার ইতিমধ্যে এইসব কর্মচারীর বিরুদ্ধে প্রয়োজনীয় ব্যবস্থা নিয়েছেন। কিছুদিন আগে কতিপয় দেশ-দ্রোহী দ্বারা যে সব Bulletin Cyclostyle হয়ে বেরিয়ে এসে জনসাধারণকে বিভ্রান্ত করার চেষ্টা করেছিল, পুলিশ তাদেরে অত্যন্ত দক্ষতার সঙ্গে ধরতে সক্ষম হয়েছিল এই ব্যাপেরে পুলিশের দক্ষতা সত্যই প্রশংসনীয়।

মহোদয়, Industryর ব্যাপারে দেখি রাজ্যপালের ভাষণে কেবল Jogigopa র কাগজের কথাব উল্লেখ আছে। কিন্তু জাগীরোড, কাছাড় প্রভৃতির কাগজের কলের কোন উল্লেখ নাই। এতে আমাদের মনে স্বাভাবিকভাবে কষ্টের উদ্রেক হয়েছে।

মাননীয় অধ্যক্ষ ঃ আপনার সময় শেষ হয়ে গিয়েছে।

শ্রীসন্তোষ কুমার রায় ঃ মহোদয়, রাজ্যপালের ভাষণে Inland Water Transport এর কথা বলা হয়নি। বরাক নদীর উপর দিয়ে যে Water Transport এর কথাছিল তার উল্লেখ থাকলে আমরা সুখীহতাম।

মহোদয়, শিক্ষা বিভাগ সম্বন্ধে বিশেষ কিছু বল্‌তে চাইনা, আসামে এই বিভাগ সম্বন্ধে অনেক কাজ হয়েছে, ভারতের শতকরা ২৯ ভাগ শিক্ষিত আশাকরি বর্তমানে মুখ্যমন্ত্রী মহাশয়ের তত্বাবধানে এই বিভাগ উন্নতির ক্ষেত্রে

একটী ইতিহাস সৃষ্টি করতে সমর্থ হবে। বর্তমানে শিক্ষক নিয়োগের ক্ষেত্রে যে নতুন ব্যবস্থা অবলম্বন করা হয়েছে তা জনগনের মন থেকে হতাশা দূর করবে।

মহোদয়, স্বাস্থ্য বিভাগ সম্বন্ধে শুধু একটী কথা বল্‌ব যে আমাদের হাইলাকান্দিতে যে ১০০ Bed এর যে একটা Dispensary করার কথা ছিল রাজ্যপালের ভাষণে তার উল্লেখ থাকলে আমরা খুসী থাকতাম।

মহোদয়, এই বক্তব্য রাখার জন্য আমাকে যে সময় দেয়া হয়েছে তারজন্য ধন্যবাদ জানাই এবং রাজ্যপালের ভাষণকে সমর্থন করে বর্তমান সরকারের নীতির উপর আস্থা রেখে আমার বক্তব্য শেষ করলাম।

* শ্ৰীবীৰেণ ৰাম ফুকন ঃ মাননীয় অধ্যক্ষর, ডাঙৰীয়া, আমাৰ মাননীয় সদস্য শ্ৰীগুনেন্দ্ৰ পণ্ডিত ডাঙৰীয়াই যিটো ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে সেইটোৰ প্ৰতি মই মোৰ ওলগ জনাইছো।

ৰাজ্যপালৰ ভাষণত তেখেতে আমাৰ ৰাজ্যখনত বিগত বছৰটোত বা অহা বছৰটোত কিছু প্ৰগতিমূলক কাম কৰিছে বা কৰিব সেইটো আমাৰ আগত দাঙি ধৰিছে। আমাৰ চৰকাৰে ভালকৈ জানে যে যেতিয়ালৈকে অৰ্থনৈতিক দিশত আমাৰ মানুহখিনিক আগুৱাই নিব্‌ নোৱাৰে তেতিয়ালৈকে আমাৰ ৰাজ্যখন অগ্ৰগতিৰ পথত আগ বাঢ়িব নোৱাৰে। আমি দেখিবলৈ পাইছো যে আমাৰ চৰকাৰে প্ৰগতিমূলক আচনি লৈছে। তাৰ ভিতৰত প্ৰধান হৈছে আমাৰ মাটিৰ সমস্যা। কাৰণ আমাৰ চৰকাৰে চিন্তা কৰিছে যে আমাৰ দেশ অৰ্থনৈতিক ফালৰ পৰা আগুৱাই নিব লাগিলে প্ৰথমতে আগুৱাই নিব লাগিব খেতিয়ক ৰাইজক। আমাৰ খেতিয়ক ৰাইজে অতি কষ্টৰে খেতি কৰে, কিন্তু তেওঁলোকে যিখিনি পাব লাগে সেইখিনি নাপায়। মাটিৰ মালিকে অৰ্দ্ধ অংশ লৈ যায়। চৰকাৰে এতিয়া যি ৰায়তি প্ৰথা কৰিছে তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু কেতিয়াবা তাৰ ভিতৰতে অলপ খেলি-মেলি হোৱা দেখা যায়। এই খেলি-মেলি বিলাক দূৰ কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো। এতিয়া আমি দেখিবলৈ পাইছো যে আমাৰ ভাৰতবৰ্ষত আজি কিছুদিনৰ পৰা এটা অশান্ত অৱস্থাৰ সৃষ্টি হৈছে। ভাৰতবৰ্ষত খাদ্য

সমস্যাটোৱেই হল প্ৰধান সমস্যা। এচাম লোকে যেনেকৈ চৰকাৰৰ বিৰুদ্ধে যাব পাৰে আৰু সংগ্ৰাম কৰিব পাৰে সদায় তাৰ চেষ্টা চলাই আহিছে কিন্তু এনে এটা অৱস্থাত চৰকাৰে দেশখনক এৰি দিব নোৱাৰে। সেইকাৰণে আমাৰ দেশত জৰুৰীকালীন অৱস্থাৰ সৃষ্টি হৈছে। আজি জৰুৰী অৱস্থা ঘোষণাৰ পিচত দেশখন শান্ত অৱস্থালৈ আহিছে, যি ফালেই চোৱা যায় সেই ফালেই দেখিব শান্ত অৱস্থা। আজি অফিছ বিলাকলৈ যাওক তাত গৈ দেখিব কৰ্ম-চাৰী সকলে সময়মতে আহি অফিছত হাজিৰ হৈছে আৰু নিয়মমতে কাম কৰিছে। কিন্তু ইয়াৰ আগতে আমি বহুত ঠাইত দেখা পাইছিলো যে বহুত অফিছাৰে চকিত নিজৰ কোট টো থয় আৰু তিনি দিনলৈ অফিছলৈ নাহে। কোটটোৱে প্ৰমাণ কৰে যে তেওঁ অফিছলৈ আহিছে। আজি কিন্তু সেইটো কৰিব পৰা নাই। যি দুনীৰ্তিৰ কথা আমি সদায় কৈ থাকো সেই দুনীৰ্তিৰ হ্ৰাস পাইছে। মোৰ এটা পৰামৰ্শ এইযে জৰুৰীকালীন অৱস্থা ঘোষনা কৰাৰ লগে লগে যিটো ব্যৱস্থা লব লগা হৈছে সেইটো যাতে বৰ্ত্তমানেও লয় সেই-টোৱেই মোৰ আশা।

আমাৰ চৰকাৰে লোৱা বহুতো বিলাক প্ৰগতিশীল আচনিৰ ভিতৰত 'কো-অপাৰেটিভ চোছাটিও' অন্যতম। আগতে ব্যক্তিগত মানুহৰ হাতত থকা কো-অপাৰেটিভ এতিয়া চৰকাৰী খণ্ডলৈ আনিলে। আজি এই কো-অপাৰেটিভৰ জৰিয়তেই আমাৰ দুখীয়া লোকসকলে তেওঁবিলাকৰ লাগতিয়াল সকলো বিলাক খাদ্যদ্ৰব্য আদি পাইছে। কো-অপাৰেটিভৰ ওপৰত দিয়া এই গুৰুত্বৰ কাৰণে মই আমাৰ চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। কো-অপাৰেটিভৰ নকৰিলে কি মাটিৰ ক্ষেত্ৰতেই হওঁক বা অন্যান্য ক্ষেত্ৰতেই হওঁক মানুহে একোৱেই কৰিব নোৱাৰা অৱস্থা। কিন্তু মাজে মাজে দেখা যায় যে, বহুতো সময়ত কো-অপাৰেটিভ নিজৰ নিজৰ মানুহৰ ভিতৰতে কৰি বহুতো অন্যায় কৰিছে। ব্যক্তিগত ভাৱে যাতে কো-অপাৰেটিভ হব নোৱাৰে আৰু এইটো বাইজৰ কো-অপাৰেটিভ হব পাৰে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব লাগে।

তাৰ পিছত স্বাস্থ্য বিভাগৰ কথা আমাৰ ৰাজ্যপাল মহোদয়ে কৈছে। এই স্বাস্থ্য বিভাগে আগতকৈ যে, বহুত কৰিছে সেইটো অনস্বিকাৰ্য্য। আগতে যত কোনো চিকিৎসা পাতিৰ ব্যৱস্থা নাছিল তাতো বহুত ব্যৱস্থা আমাৰ

চৰকাৰে কৰিছে। সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ কাৰণে, যাতে জন স্বাস্থ্যৰ ক্ষেত্ৰত আমাৰ চৰকাৰে কৰে সেইটোৰ প্ৰতি মই আশা ৰাখিছোঁ। অন্ততঃ আন নহলেও যেন এটা ডাক্তৰখানা বা এটা চাবচেণ্টাৰ প্ৰত্যেক অঞ্চলতে হয়। মোৰে সমষ্টিৰ এখন জেগা হৈছে ৰাণী অঞ্চল। তাত বেছিভাগ পিচপৰা জনজাতীয় মানুহেই বসবাস কৰি আছে। তাত এখন প্ৰইমেৰী হেথ ছেণ্টাৰ আছে। তাত ১০ খন বিছনাৰ এখন হস্পিতাল হোৱাৰ কথা আছিল। মই আশা কৰো আমাৰ চৰকাৰে এইতো নিশ্চয় কৰিব। স্বাস্থ্য মন্ত্ৰী আজি এই অৱস্থা ইয়াত নাই যদিও মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ জৰিয়তেই তেখেতক ধন্যবাদ দিব খুজিছো এইকাৰণেই যে ৰাণী অঞ্চলত এটা 'ৰোৰেল হেথ চেণ্টাৰ' খুলিব খুজিছে। ইয়াৰ কাৰণে আমাৰ ৰাইজেও যথেষ্ট সন্তোষ পাইছে। ৰাস্তাঘাতৰ ক্ষেত্ৰতো আমাৰ চৰকাৰে আগতকৈ বহুত কাম কৰাৰ কাৰণে ধন্যবাদ দিছো।

শিক্ষাৰ ক্ষেত্ৰত কওঁ যে, আমাৰ প্ৰাইমেৰী স্কুল বিলাক প্ৰাদেশীকৰণ কৰাৰ কাৰণে ভাল হৈছে যদিও যি খিনি সা-সুবিধা এই প্ৰাদেশীকৰণ কৰা স্কুল আৰু শিক্ষকসকলৰ ক্ষেত্ৰত কৰিব লাগিছিল সেইটো কৰিব পৰা নাই। মুখ্যমন্ত্ৰীক স্কুল ঘৰ বিলাক বিশেষকৈ ভাল কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো। অধ্যক্ষ মহোদয়, মই আৰু দুটা কথা কওঁ।

মাননীয় অধ্যক্ষ ঃ দুটা নেলাগে, এটাকে কওঁক। (সদনত হাহিৰ ৰোল উঠে)

শ্ৰীবীৰেণ ৰাম ফুকন ঃ তাৰ পিছত মই বৰপেটাত ৫ হেজাৰ বিঘা মাটিত প্লেণ্টেশ্বন কৰিবলৈ লোৱাৰ কাৰণে মই বনবিভাগক ধন্যবাদ দিছো। তাৰ লগে লগে যি বিলাক ৰিজাৰ্ভৰ মাটি বেদখল কৰি আছে আজি ১৫। ২০ বছৰ পৰা সেই বিলাক যাতে সোমাই বেদখল কৰিব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা লবলৈ মই আমাৰ চৰকাৰক অনুৰোধ কৰিছো।

তাৰপিছত গুৱাহাটীৰ ৰাস্তাঘাটৰ ক্ষেত্ৰত কওঁ যে, ৰাস্তা-ঘাট বিলাক এনেয়ে বেয়া তাতে ৰাস্তাৰ কানে কানে কাৰখানা আদি খুলি বিশেষকৈ ভৰলুমুখৰ পৰা ট্ৰেনসপৰ্ট অফিচলৈকে এই ৰাস্তাতোৰ অৱস্থা দেখি বৰ দুখ লাগে। এই কথাবিলাক আমাৰ মুখ্যমন্ত্ৰীয়ে চাই যেন। মোৰ আৰু বহুত কথাই কবলৈ আছিল কিন্তু মাননীয় অধ্যক্ষ মহোদয়ে সময় নাই বুলি কোৱাৰ কাৰণে মই ৰহিলো।

